# ASSAM
# LEGISLATIVE ASSEMBLY
# Debates

सत्यमेव जयते

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLAIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## (Budget Session)

No. 14

the 30th March, 1992

**Price Rs 29.50**

# ASSAM
# LEGISLATIVE ASSEMBLY
## Debates

सत्यमेव जयते

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLAIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## (Budget Session)

No. 14

the 30th March, 1992

BUDGET SESSION

No. 14

Dated, the 30th March, 1992

CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions & Answers | 1 |
| 2. | Miscellaneous | 42 |
| 3. | Voting on Demands for Grants | 46 |
| 4. | Introduction Consideration and Passing of the Assam Appropriation (No. II) Bill, 1992 | 112 |
| 5. | Adjournment | 157 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Monday. March 30, 1992.

The House met at 9 A.M. of the Clock in the Assembly Chamber, at Dispur with Shri Jiba Kanta Gogoi, Speaker in the Chair.

## STARRED
## QUESTIONS AND ANSWERS
( To which oral answars were given )

Mr. Speaker : Starred Question No. 241, Honble Member Shri Chandra Mohan Patowary.

বিষয়ঃ দ্বিতীয় মহকুমা গঠন ।

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে সুধিছে ঃ

২৪১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) নলবাৰী জিলাত দ্বিতীয় মহকুমা এটা স্থাপন কৰাৰ প্ৰস্তাব চৰকাৰৰ হাতত আছে নেকি ?

খ) যদি আছে তেনেহলে কোন ঠাইত স্থাপন কৰিব ?

গ) যদি প্ৰস্তাব নাই তেনেহলে জিলাখনৰ প্ৰশাসনৰ স্বাৰ্থত প্ৰাস্তাৱ গ্ৰহণ কৰিব নেকি ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) নলবাৰী জিলাত নতুন মহকুমা গঠনৰ বাবে চৰকাৰে ৰাইজৰ পৰা আবেদন পাইছে ।

খ) আবেদন চৰকাৰৰ পৰীক্ষাধীন হৈ আছে ।

গ) চৰকাৰে বিবেচনা কৰি চাব ।

শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই নলবাৰী জিলাৰ ওপৰত এইটোৱেই প্ৰথম প্ৰশ্ন কৰিছো । তামলপুৰ অঞ্চলটো নলবাৰী জিলাৰ হেড কোৱাৰ্টাৰৰ পৰা যথেষ্ট দূৰৈত । তামলপুৰলৈ যাবলগীয়া হলে ৰঙিয়া হৈ যাব লাগে। তামলপুৰত এটা নতুন মহকুমা গঠন কৰাৰ কাৰণে বহু বছৰৰ পৰা স্থানীয় ৰাইজে দাবী জনাই আহিছে, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তামলপুৰত এটা নতুন মহকুমা গঠন কৰাৰ বিষয়টো বিবেচনা কৰিব বুলি মই তেখেতক অনুৰোধ কৰিছো ।

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, নলবাৰী জিলাৰ ৮ খন ঠাইৰ পৰা নতুন মহকুমা গঠনৰ দাবী ৰাইজৰ পৰা উত্থাপিত হৈছে। তামলপুৰ, মুছলপুৰ, বৰমা, বংশৰ, বাস্কা, টিহু, মাখিবাহা ইত্যাদি ঠাইৰ পৰা দাবী আহিছে । সকলো দাবী চৰকাৰে পৰীক্ষা কৰি চাবলগীয়া হৈছে ।

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, যিবোৰ ঠাইৰ পৰা দাবী আহিছে সেইবোৰ ঠাই নলবাৰী টাউনৰ ওচৰ-পাজৰ ঠাই । কিন্তু তামলপুৰলৈ যাবলগীয়া হয় ৰঙিয়াৰ মাজেদি— তাতে এই অঞ্চলটো

ভূতান সীমান্তত অৱস্থিত । বাকীবোৰ ঠাইৰ প্ৰস্তাৱ আহিছে সেইটো মই মানিছো কিন্তু তামলপুৰ ঠাইখনৰ অৱস্থিতিৰ কথা চিন্তা কৰি মুখ্য মন্ত্ৰীয়ে তাত এটা নতুন মহকুমা গঠনৰ বিষয়ে বিবেচনা কৰিবনে ? মই স্পেচিফিক উত্তৰ এটা বিচাৰিছো ।

শ্ৰী হিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এখন ঠাইৰ পৰা দাবী অহা হলে বেলেগ কথা আছিল, এতিয়া সকলো দাবীয়েই ৰাইজৰ দাবী ।

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, এতিয়া দেখা গৈছে— শ্ৰীপ্ৰফুল্ল মহন্ত মুখ্যমন্ত্ৰী হৈ তেখেতৰ ঠাইত মহকুমা পাতিলে, আপুনিও মুখ্যমন্ত্ৰী হৈ আপোনাৰ ঠাইত মহকুমা পাতিলে, এনে ক্ষেত্ৰত এতিয়া তামলপুৰৰ বিধায়ক জন মুখ্য মন্ত্ৰী হলেহে তাত মহকুমা হব যেন পাইছো । তেখেতকে মুখ্য মন্ত্ৰী পাতক ।

শ্ৰী মুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) : আপুনি হলে ক'ত পাতিব ?

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, মই হলে মোৰ গাৱত পাতিম মহকুমা । নলবাৰী এখন জিলা আৰু এটা চাবডিভিজন, তাত আৰু এটা চাবডিভিজন পাতিব পাৰে ।

শ্ৰী হিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই আগতেই কৈছো নলবাৰীৰ কেইবাখনো ঠাইৰ পৰা দাবী আহিছে আমি সকলো পৰীক্ষা কৰি চাব লাগিব ।

শ্ৰী নগেন শৰ্ম্মা : অধ্যক্ষ মহোদয়, ১৯৮৬ চনত গঠন হোৱা মহকুমা পৰামৰ্শ কমিটিয়ে তামুলপুৰত মহকুমা স্থাপনৰ পৰামৰ্শ আগবঢ়াইছিলেনেকি মুখ্য মন্ত্ৰীয়ে জানেনে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : माननीय অধ্যক্ষ মহোদয়, কেইবাবাৰো কমিটি সলনি হৈছে । এতিয়াও এখন নতুন কমিটি গঠনৰ কথা বিবেচনা কৰা হৈছে ।

শ্ৰী আলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে মহকুমা গঠনৰ কথা কৈছে— গোলকগঞ্জ এটা অতি পিচপৰা অঞ্চল আৰু আন্তৰাষ্টীয় সীমান্ত অঞ্চলত অৱস্থিত । এই অঞ্চলৰ ৰাইজৰ সুবিধাৰ কাৰণে, প্ৰশাসনীয় সুবিধাৰ কাৰণে চৰকাৰে তাত এটা নতুন মহকুমা গঠনৰ কাৰণে বিবেচনা কৰিবনে ?

শ্ৰী হিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত কমিটি এখন আছে আৰু কমিটিয়ে পৰীক্ষা কৰি আছে ।

শ্ৰী মিশন রঞ্জন দাস : মাননীয় অধ্যক্ষ মহোদয়, করিমগঞ্জ জেলায় একটা মহকুমা স্থাপনের দাবী দীর্ঘদিন ধরে চলছে । ১৯৮৪ ইংতে রামকৃষ্ণ নগরে একটি সিভিল সাবডিভিশন স্থাপন করার কথা ঘোষণাও করা হয়েছিল । কিন্তু আজ পর্যন্ত রামকৃষ্ণ নগরকে মহকুমা হিসেবে স্বীকৃতি দেওয়া হয়নি । মহকুমা কোথায় স্থাপন করা হবে সেটা সরকারের পোলিসি'র ব্যাপার । আমি মাননীয় মুখ্যমন্ত্রী মহোদয়ের কাছ থেকে জানতে চাই যে আগামী আর্থিক বছরে (১৯৯২-৯৩ ইংতে) আসামে নতুন করে যেসব মহকুমা স্থাপন করা হবে সে ক্ষেত্রে করিমগঞ্জ জেলায় রামকৃষ্ণ নগরে একটা মহকুমা গঠন করার কথা বিশেষভাবে চিন্তা করবেন কি ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে এটা বেলেগ প্ৰশ্নৰ প্ৰয়োজন । তথাপি মই কৈছো— ৰামকৃষ্ণ নগৰক ১৯৮৮ চনতে বেলেগ মহকুমা কৰা হৈছে । কিন্তু হেড কোৱাটাৰৰ ঠাই সম্পৰ্কত ৰাইজৰ মাজত খেলি-মেলি, গণ্ডগোল সৃষ্টি হোৱাৰ কাৰণে কামত আগবাঢ়িব পৰা নাই । মাজতে তাত এই সম্পৰ্কত গুলিয়াগুলিও হৈছিল । স্থানীয় ৰাইজে যদি স্থান সম্পৰ্কত স্থিৰ সিদ্ধান্ত দিয়ে তেন্তে অসুবিধা নহব ।

Mr. Speaker : Now Starred Question No. 242, Hon'ble Member Shri Sasha Kamal Handique.

বিষয় ঃ কাকীত ডকাইতৰ উপদ্ৰৱ ।

শ্ৰী শশকমল সন্দিকৈ য়ে সুধিছে :

২৪২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) যোৱা ২৯ ফেব্ৰুৱাৰীৰ 'নতুন দৈনিক'ত "কাকীত ডকাইতৰ উপদ্ৰৱ" শিতানৰ বাতৰিটোলৈ চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছেনে ?

খ) যদি হৈছে, ক্ৰমবৰ্দ্ধমান ডকাইতৰ উৎপাত বন্ধ কৰা বা হ্ৰাস কৰাৰ বাবে কি ব্যৱস্থা লৈছে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে /

ক) হৈছে।

খ) বাতৰিত প্ৰকাশ পোৱা ধৰণে কাকীত ডকাইতৰ উপদ্ৰৱ হোৱা নাই।

নিজামুদ্দিন খান ঃ মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে উত্তৰটো দিছে যে উপদ্ৰৱ হোৱা নাই । প্ৰশ্নটো আছিল যোৱা ২৯ ফেব্ৰুৱাৰীত নতুন দৈনিকত কাকীত ডকাইতৰ উপদ্ৰৱ— শিতানৰ বাতৰিটোলৈ চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছেনে ? যদি হৈছে ডকাইতৰ উৎপাত বন্ধ কৰাৰ কাৰণে কি ব্যৱস্থা গ্ৰহণ কৰিছে ? মুখ্যমন্ত্ৰীয়ে উত্তৰত কৈছে যে বাতৰি কাকতত প্ৰকাশ পোৱা ধৰণে কাকীত ডকাইতৰ উপদ্ৰৱ হোৱা নাই । প্ৰশ্ন আছিল ক্ৰম বৰ্দ্ধমান ডকাইতৰ উৎপাত বন্ধ কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, য'ত উপদ্ৰৱ হোৱা নাই তাত ব্যৱস্থা লোৱাৰ কথা এতিয়া নুঠে ।

Speech not Corrected

শ্ৰী আলাউদ্দিন সৰকাৰঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি ধুবুৰীৰ পৰা গুৱাহাটীলৈ আহোতে— হাউলী—ভবানী পুৰৰ মাজত ডকাইটি কৰাৰ চেষ্টা কৰা হৈছিল । সমগ্ৰ অঞ্চলতে আজি এনে ডকাইটৰ প্ৰচেষ্টা চলি আছে, চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব ।

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, আজি গুৱাহাটীৰ বিভিন্ন অঞ্চলত সঘনে ডকাইটি হৈ আছে, জনসাধাৰণৰ নিৰাপত্তা নোহোৱা হৈছে । পুলিচ বিভাগ আজি নিষ্ক্ৰীয় হৈ পৰিছে । গুৱাহাটীত ডকাইটি বন্ধ কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে ? বা চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে জনাবনে ?

শ্ৰী হিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয় মই কালিৰ ডকাইটি সম্পৰ্কত উত্তৰ দি আছো। ইয়াৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব।

শ্ৰী অতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ অন্য ঠাইৰ কথাই নকও আনকি গুৱাহাটীৰ কথাও নকও, মই মাত্ৰ আমাৰ পুৰণা এম,এল,এ হোষ্টেলৰ কথাহে কব খুজিছো। পৰহি ৰাতি মোৰ গেৰেজৰ পৰা স্কুটাৰ খন চুৰ কৰিছে । মোৰ ঘৰৰ তুয়োকাষে তুজন মন্ত্ৰী থাকে । তাৰোপৰি বেটেলেনিয়াৰৰ চিপাহী আছে । তেনেস্থলত গেৰেজৰ পৰা এখন স্কুটাৰ চুৰি হোৱা কথাটো বৰ আচৰিত । মই লগে লগে থানাত এজেহাৰ দিছো । কিন্তু এতিয়ালৈ একো হোৱা নাই । যিয়েই নহওক এই বিষয়ে মই ভাবো আমাৰ মাননীয় অধ্যক্ষ আৰু মাননীয় মুখ্যমন্ত্ৰী তুয়োজনৰে দায়িত্বত পৰে গতিকে এই বিষয়ে এটা ব্যৱস্থা লব লাগে। যথাযথ উত্তৰ পালে সুখী হম ।

Speech not Corrected

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো কাকীৰ ওপৰত আছিল। ইয়াত গুৱাহাটীৰ প্ৰশ্ন আহিব নোৱাৰে। তথাপি যিহেতুতে বিধায়ক শ্ৰী বৰা ডাঙৰীয়াই কৈছে মই চাম।

শ্ৰী নিজামুদ্দিন খান ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো যদিও কাকীৰ ওপৰত আছে বুলি মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে, তথাপি প্ৰশ্নৰ 'খ'ত ক্ৰমবৰ্দ্ধমান ডকাইতৰ উৎপাত বন্ধ কৰা বা হ্ৰাস কৰাৰ বাবে কি ব্যৱস্থা লৈছে এই কথাটোও আছিল। গতিকে গোটেই অসমত কেনেকৈ ডকাইটৰ উৎপাত বন্ধ কৰা হব এই বিষয়ে মন্ত্ৰী মহোদয়ে কি কাৰ্য্যকৰি ব্যৱস্থা লৈছে এই বিষয়ে আমাক জনাবনে ?

শ্ৰী হিতেশ্বৰ শইকীয়া ঃ (মুখ্যমন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, 'খ' প্ৰশ্নৰ উত্তৰত দিয়া আছে। ইয়াৰ ওপৰত প্ৰশ্ন আহিলে উত্তৰ দিম। কিন্তু গুৱাহাটীৰ বাবে সুকীয়া প্ৰশ্ন দিব লাগিব।

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, ক্ৰমবৰ্দ্ধমান শব্দটো স্পেচিফিকেলি দিয়া আছে। গতিকে এই সুত্ৰে মই কব খোজো যে ডকাইতি বন্ধ কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিব বিচাৰো যে আমাৰ মানুহে নলবাৰীত শোৱা বাদ দিছে। এই কথা নলবাৰী বিধায়ক ডাঃ ভূমিধৰ বৰ্ম্মন ডাঙৰীয়াৰ নিশ্চয় দৃষ্টিগোচৰ হৈছে। নলবাৰীৰ পৰা আৰম্ভ কৰি গোটেই অসমতে সেই ডকাইতি দলটোৱে অহৰহ ডকাইতি কৰি আছে। কিন্তু গোটেই অসমতে পুলিচ নিৰ্বিকাৰ। বেলচৰ থানাত তিনি জন ডকাইতৰ নাম সহ ধৰাই দিয়া হৈছিল। কিন্তু সেই থানাৰ আগেদি আজিও সেই ডকাইত কেইজন ঘুৰি ফুৰি আছে অথচ পুলিছে ধৰা নাই। দিনত ঘুৰি ফুৰে আৰু ৰাতি ডকাইতি কৰি ফুৰে। গতিকে মাননীয় অধ্যক্ষ মহোদয় এনেদৰে শুই থকা পুলিচক জগাই দিয়াৰ ব্যৱস্থা কৰিব

নে ? তাৰোপৰি যিহেতুকে মাননীয় অধ্যক্ষ মহোদয় মুখ্যমন্ত্ৰী মহোদয়ে গৃহমন্ত্ৰীৰ দায়িত্বত আছে, মই জনাব বিচাৰো যে, লতাশিল, পানবজাৰ আদিত যি কেইখন পুলিচ পেট্ৰোলিংৰ ভেন আছে সেই একেইখন গৈ ৰাতি নেচনেল হাইওৱেত ট্ৰাক ধৰি পইচা লৈ থাকে ইফালে গুৱা-হাটীত ডকাইতে ৰাতি লুটি নিয়ে। গতিকে এই পুলিচ বিভাগৰ কৰ্ম্ম-চাৰী খিনিক তৎপৰ হোৱাৰ বাবে মন্ত্ৰী মহোদয়ে নিৰ্দ্দেশ দিবনে ? অসমৰ ৰাইজৰ খাতিৰত মন্ত্ৰীমহোদয়ে এই নিৰ্দ্দেশ দিব বুলি আমাক আশ্বাস দিব নে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ প্ৰশ্ন উত্তৰৰ সময়ৰ বেলিকা যিটো প্ৰশ্ন হয় সেই প্ৰশ্নৰ উত্তৰ দিম । নলবাৰী, গুৱাহাটী, বৰপেটা, বিধায়কৰ বাসভৱন এনে ধৰণৰ প্ৰশ্নৰ কাৰণে বেলেগে প্ৰশ্ন দিব লাগে । বিধান সভাৰ নিয়মাৱলী অনুসৰি চলিব লাগে। গতিকে প্ৰশ্নটো আছিল কাকীৰ ওপৰত । পাটোৱাৰী দেৱে সোধা প্ৰশ্নৰ উত্তৰ নিয়ম অনুসৰি এতিয়া মই এই প্ৰশ্নৰ উত্তৰ দিব নোৱাৰো । প্ৰয়োজন হলে বিধান সভাৰ পাচত মই কি কৰিব বিচাৰিছো উত্তৰটো দিব পাৰিম ।

(Starred Questions No. 243 deened to have been lapsed) as the Hon'ble Questioner was not prescnt in the House when Called for.

Mr. Speaker : Now Starred Qn. No. 224. Hon'ble Member Shri Munin Mahanta.

**বিষয় : পৌৰ নিকায় সমূহৰ কৰ্ম্মচাৰী চাকৰি চৰকাৰী কৰণ ।**

শ্ৰী মুনিন মহন্তয়ে সুধিছে :

২৪৪। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) পৌৰ নিকায় সমূহৰ কৰ্ম্মচাৰী সকলৰ চাকৰি চৰকাৰী কৰণ সম্পৰ্কে পৌৰ কৰ্ম্মচাৰী সকলে কৰা দাবী সম্পৰ্কে চৰকাৰ অৱগত নে ?

খ) যদি অৱগত উক্ত দাবী অনুসৰি কৰ্ম্মচাৰী সকলৰ চাকৰি চৰকাৰী কৰণৰ বিষয়ে চিন্তা কৰিছে নেকি ?

গ) যদি নাই কৰা, পঞ্চায়ত কৰ্ম্মচাৰী সকলৰ দৰে পৌৰ নিকায় সমূহৰ কৰ্ম্মচাৰী সকলৰ চাকৰি চৰকাৰী কৰণৰ সিদ্ধান্ত লবনে ?

ঘ) যদি লয়, ৰাজ্যখনত পৌৰ নিকায় সমূহৰ কিমান কৰ্ম্মচাৰী উপকৃত হব ?

শ্ৰী দেৱানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

ক) হয়, অৱগত ।

খ) আৰু (গ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

ঘ) মুঠ ১৬৮১ জন ।

শ্ৰী মুনিন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, পৌৰ সভাৰ কৰ্ম্মচাৰী সকলৰ চৰকাৰীকৰণৰ প্ৰশ্ন উঠিছে । এই পৌৰ নিগম আৰু সভাৰ কৰ্মচাৰী সকলক দৰমহা দিওতে যি খৰছ হয়, সেই বাবে এই নিগমৰ বা সভাৰ যি উদ্দেশ্য সেই সকলোবোৰ কাৰ্য্যকৰি কৰোতে বাধাপ্ৰাপ্ত হয় । সেয়ে পঞ্চায়তৰ নিচিনা পৌৰ নিগম আৰু পৌৰ প্ৰশাসন কেতিয়াৰ পৰা কাৰ্য্যকৰি কৰা হব মন্ত্ৰী মহোদয়ে বিশেষ ভাৱে জনাবনে ?

শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, 'খ'ৰ উত্তৰত কৈছোঁৱেই 'খ' আৰু 'গ' দুয়োটাই বিবেচনা ধীন হৈ আছে। এতিয়াও চৰকাৰীকৰণৰ সঠিক সিদ্ধান্ত হোৱা নাই। কেতিয়া চৰকাৰীকৰণ কৰা হয় বা চৰকাৰী কৰণৰ সিদ্ধান্ত লোৱা হব সেই বিষয়ে সঠিককৈ এতিয়াই কব নোৱাৰিম।

শ্ৰী মুনিন মহন্তঃ মাননীয় অধ্যক্ষ মহোদয়, চেন্ট্ৰেল গভাৰমেণ্ট গেজেট পাৰ্ট ২ পেজ ৫৫১, ১৯৮৩ চনৰ অনুসৰি এতিয়ালৈকে গ্ৰেটুইটিৰ ব্যৱস্থাৰ সিদ্ধান্ত হোৱা নাই। এই চাৰ্কুলাৰ মতে পৌৰ নিগমৰ কৰ্ম্মচাৰী সকলক চৰকাৰীকৰণ কৰি গ্ৰেটুইটিৰ ব্যৱস্থা কৰিবলৈ কোৱা হৈছিল। এতিয়াও সেইটো হোৱা নাই মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, গোটেই কথাটো বিবেচনাধীন হৈ আছে। পৌৰ সভাৰ কৰ্মচাৰী সকলে দাবী উত্থাপন কৰিছে তেওঁলোকৰ ৬৮১ জন হৈছে নিয়মীয়া কৰ্ম্মচাৰী আৰু অনিয়মীয়া বহু আছে। তেওঁলোকক চৰকাৰীকৰণ কৰিবলৈ গলে প্ৰায় তিনিকোটি ৫০ লাখ টকা লাগিব তাৰ লগত আৰু অন্যান্য বহু আছে। তেওঁলোকৰ লগত বহুতো আলোচনা বিলোচনা হৈছে। গতিকে এই বিষয়টো বিবেচনাধীন হৈ আছে। এতিয়াও কোনো সঠিক সিদ্ধান্ত লোৱা নাই। গ্ৰেটুইটিৰ বিবেচনা কৰি আছো।

শ্ৰী জয়নাথ শৰ্মাঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে প্ৰায় তিনিকোটি টকাৰ প্ৰয়োজন হব। কিন্তু আমি দেখিবলৈ পাইছো যে ১৯৯২-৯৩ চনৰ বাজেটত এই টকা সোমোৱা হোৱা নাই। গতিকে প্ৰকাৰন্তৰে এইটো প্ৰমাণিত হৈছে যে এই বছৰৰ ভিতৰত এই কাম হৈ উঠাৰ সম্ভাৱনা নাই। গতিকে মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ১৯৯৩-৯৪ চনৰ বাজেটত এই টকা আনিব নে আৰু ইয়াৰ ভিতৰতে এই কাম সম্পুৰ্ণ কৰাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰী দেবানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে এইটো বিবেচনাধীন হৈ আছে ।

শ্ৰী জয়নাথ শৰ্ম্মাঃ অধ্যক্ষ মহোদয়, টকাটো বাজেটৰ অন্তৰভূক্ত কৰিবনে ?

শ্ৰী দেবানন্দ কোঁৱৰ ( পৌৰ প্ৰশাসন মন্ত্ৰী )ঃ অধ্যক্ষ মহোদয়, সিদ্ধান্তটোহে আচল কথা । সিদ্ধান্ত লোৱাৰ পিচত বাজেটত অন্তৰ্ভূক্ত কৰা হব ।

শ্ৰী জয়নাথ শৰ্ম্মা ঃ সিদ্ধান্ত লৈছে বুলি কোৱা নাই । কিন্তু কি পৰ্যায়ত বিবেচনা কৰি আছে ?

শ্ৰী দেবানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, সিদ্ধান্ত ললেই টকা পইচা লাগিব । কিন্তু টকা পইচা কৰ পৰা আনিব লাগিব সেইটো চাব লাগিব । মাননীয় সদস্য মহন্ত ডাঙৰীয়াইও কৈছিল যে কৰকাটল খিনি দৰমহা দিওঁতে যায় । গতিকে পৌৰ সমিতিৰ আচল উন্নয়নৰ কাম বিলাক ব্যাহত হৈ আছে । কাম হোৱা নাই । সেই কাৰণে গোটেই কথাটো বিবেচনা কৰি আছো । চৰকাৰৰ ফালৰ কিমানখিনি টকা পইচা আছে সেইটো চাব লাগিব । পঞ্চায়ত কৰ্ম্মচাৰী সকলক চৰকাৰী কৰণ কৰাৰ পিচত বিশেষ বিপৰ্যাস্ত পৰিস্থিতিৰ পিচত এতিয়া পৌৰ সভাৰ কৰ্ম্মচাৰী সকলো আহিছে, তাৰ পিচত আৰু বা কি আহে । সেই কাৰণে গোটেই কথাটো বিবেচনা কৰিবলগীয়া হৈছে । সঠিক সিদ্ধান্ত লোৱা নাই । ললে গম পাব ।

Shri Zoii Nath Sarma : Sir, when the process of consideration will be completed ?

Shri Debanand Konwar (Minister) : Sir, there cannot be given a limit as to when the process of consideration will be completed.

Speech not Corrected

Mr. Speaker : Starred Question No. 245, Hon'ble Member Shri Giasuddin Ahmed,

Re : CASE No. 2/92 IN LEDO POLICE OUT-POST.

Shri Giasuddin Ahmed asked.

245. Will the Chief Minister be pleased to state:--

a) Whether a criminal case No. 2/92 has been registered in Ledo Police Out-Post under Margherita Police Station for alleged theft of one truck of coal from the Ledo coal mine ?

b) Whether investigation of the case has been completed and the accused charge-sheeted ?

c) If not, why ?

Shri Hiteswar Saikia (Chief Minister) replied :

a) Yes.

b) Investigation of the case is pending.

c) Main accused is absconding.

Shri Giasuddin Ahmed : Whether in the FIR accused persons have been named ?

Shri Hiteswar Saikia (Chief minister) : Criminal case was registered being Case No. 2/92 under Section 29 Cr. P.C. under Margherita Police Station for alleged theft of truck No. MLK 76A and four persons arrested.

Speech not Corrected

Shri Giasuddin Ahmed : What is the present stage of investigation ?

Shri Hiteswar Saikia (Cheif Minister) : The main accused is absconding. The investigation is being persued.

Shri Giasuddin Ahmed : Who is the maid accused ?

Shri Hiteswar Saikia ( Chief Minister ) : The name of the main accused is not with me now, I will afterwards let the House know.

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, কয়লাৰ ৰেকেট লৈ এটা বৰ ডাঙৰ কথা হৈছে। যি জনক মূল একিএজড বুলি কৈছে সেই জনেই গুৱাহাটী আৰু বঙ্গাইগাওঁৰ বহুত কয়লাৰ ৰেকেটৰ লগত জড়িত হৈ আছে। এনে ধৰণে কাম কৰি আছে যে অসম চৰকাৰ আৰু ৰেলওৱে বিভাগক কেৰেপ নকৰাকৈ কয়লাৰ কাম কৰি আছে। সেই কথাটো মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ হৈছে নে নাই আৰু এই বিষয়ত অবগত হয় নে নহয় যে ইয়াৰ কাৰণে বহুতো ৰাজহ লোকচান হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া, ( মুখ্যমন্ত্ৰী ) ঃ এই বিলাকৰ কাৰণে চেক গেট দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু নতুনকৈ যি বিলাক ৰেকেট কয়লাৰ ক্ষেত্ৰত চলি আছে সেই সম্পৰ্কত ব্যৱস্থা লোৱা হৈছে। মাননীয় সদস্য আহমেদ ডাঙৰীয়াই জানিবলৈ বিচৰা মুল কালপ্ৰিট জনৰ নাম হৈছে ত্ৰিভুৱন সিং।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, বঙাইগাওঁত কয়লাৰ ৰেকেট চলি আছে। অসম চৰকাৰৰ টেক্সৰ মানুহে আতৰাই ক'ত কেনেকৈ ৰেলওৱেৰ লগত কাম কৰি আছে মাননীয় মূখ্যমন্ত্ৰী ডাচৰীয়াই জানেনে ?

Speech not Corrected

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ নহোদয়, ইয়াৰ কাৰণে আমি বিশেষ ব্যৱস্থা লৈছো। আমি যাৱতীয় ব্যৱস্থা লোৱাৰ পিচত এতিয়া বহুখিনি লাভালাভ হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ : অধ্যক্ষ মহোদয়, এই মূল কালপ্ৰিট জনৰ ঠিকনা কি, ক'ত থাকে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয় লিডুত।

শ্ৰীগিয়াচুদ্দিন আহমেদ : অধ্যক্ষ মহোদয়, এই মানুহজনৰ ঠিকনা কি ক'ৰ মানুহ এই বিলাক এফ-আই-আৰত লিখা হৈছে নে নাই ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : চাৰ, এফ-আই-আৰ বৰ্ত্তমান মোৰ হাতত নাই। নামটো ত্ৰিভুৱন সিং। পিচত পালে সদনত দাখিল কৰিব পাৰিম।

শ্ৰীগিয়াচুদ্দিন আহমেদ : মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কোনো উৰ্দ্ধতম কৰ্ত্তৃপক্ষৰ পৰা হেঁচা দিয়াৰ ফলত এই একিউজড কেইজনৰ বিৰুদ্ধে যিমানখিনি তত্‌পৰতাৰে ব্যৱস্থা লব লাগিছিল সিমান-খিনি তত্‌পৰতাৰে ব্যৱস্থা লোৱা নাই আৰু ফলত একিউজড্ কেইজনে পুলিচ থানাৰ সমুখেৰে টিঘিলঘিলাই ফুৰিছে আৰু ইয়াৰ ফলত চোৰাং কাৰবাৰ চলিয়েই আছে। এই কথাটো সঁচানে আৰু যদি সঁচা হয় তদন্ত কৰি ব্যৱস্থা লবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) চাৰ, এইটোত আপত্তি নাই। তদন্তৰ বিশেষ ব্যৱস্থা লৈছো। আৰু যাতে খৰতকীয়া হব পাৰে তাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : যাতে তেওঁ অহাবাৰ ৰাজ্যসভালৈ নাযায় সেইটো লক্ষ্য ৰাখিব লাগে। ( ভইচ : অহাবাৰ লোকসভালৈ যাব )

Mr. Speaker : Now statred Qn. No. 246, Hon'ble Member Shri Chandan Kr. Sarkar.

ৰিষয় ঃ অগ্নি নিৰ্ব্বাপক বাহিনীৰ কাৰ্যালয়।

শ্ৰীচন্দন কুমাৰ সৰকাৰ য়ে সুধিছে ঃ

*২৪৬। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) উত্তৰ শালমাৰা অভয়াপুৰীত অগ্নি নিৰ্ব্বাপক বাহিনীৰ কাৰ্যালয় এটা স্থাপন কৰিবৰ প্ৰস্তাৰ চৰকাৰৰ আছে নেকি ?

খ) যদি আছে কেতিয়া স্থাপন কৰা হ'ব ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) আছে।

খ) বিত্তীয় অৱস্থা টনকিয়াল হলেই কেন্দ্ৰটো খোলাৰ ব্যৱস্থা কৰা হব।

শ্ৰীবিনোদ গোৱালা ঃ চাৰ, ধনশিৰি মুখত মহকুমা বহুদিন আগতে হ'ল কিন্তু তাত এটা ফায়াৰ চাৰ্ভিচ ষ্টেচনৰ কাৰণে মানুহে বহুদিনৰ পৰা দাবী জনাই আহিছে সেইটো হব নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) ঃ চাৰ, নৰ্মচ্ মতে এটা মহকুমা থাকিলে তাত ফায়াৰ ষ্টেচন হব লাগে। কিন্তু যোৱা চাৰিটা বছৰত এইটো হোৱা নাছিল কিয়নো ১৯৮৭, ১৯৮৮, ১৯৮৯, ১৯৯০ এই কেইটা বছৰত তেনে প্ৰভিজন ৰখা নাছিল কাৰণে হোৱা নাছিল। আমি এইবাৰ চাম যাতে হয়।

শ্ৰীচন্দন কুমাৰ সৰকাৰ ঃ চাৰ, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে যোৱা বিত্তীয় বছৰ কেইটাত এনে টকাৰ প্ৰভিজন নৰখা কাৰণে হোৱা নাছিল।

যোৱা বছৰ অভয়াপুৰীত প্ৰায় ২৮ খন দোকান জ্বলি প্ৰায় এক কোটি টকাৰ লোকচান হৈছিল। বিজনী আৰু বঙ্গাইগাওঁত আছে যদিও অভয়াপুৰীতো অন্ততঃ দুখন গাড়ী ৰখাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : চাৰ, অভয়পুৰীতো মহকুমা হিচাবে পাব লাগে। কিন্তু বঙ্গাইগাওঁ পোন্ধৰ কিলোমিটাৰ। তাৰ পৰা পালেও বেয়া নহয়। কিন্তু তাৰ পৰা দিব পাৰি নেকি চাম।

শ্ৰীদ্বিপেন ৰংপী : চাৰ, বোকাজানতো ঘৰ জলিছিল। ডিমাপুৰৰ পৰা ফায়াৰ চাৰ্ভিচৰ লোক আহি সহায় কৰিবলগীয়া হৈছিল। অসম চৰকাৰ আৰু নগালেণ্ড চৰকাৰৰ মাজত চুক্তি আছিল যে নগালেণ্ডে অসম চৰকাৰৰ সহায় দিব নোৱাৰে কিন্তু বোকাজানত জলাৰ সময়ত সহায়ৰ কাৰণে তেনে যোগাযোগ-কৰা হৈছিল। গতিকে এতিয়া বোকাজানত কমেও দুখমমান গাড়ী দিয়াৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে নৰ্মচ মতে প্ৰত্যেক মহকুমাতে ফায়াৰ চাৰ্ভিচ ষ্টেচন থাকিব লাগে। যিহেতু যোৱা চাৰিটা বাৰ্ষিক বাজেটত কোনো প্ৰভিজন ৰখা নাছিল সেই কাৰণে কৰিব কৰিব পৰা নাছিল। এই বছৰ কৰাৰ ব্যৱস্থা কৰা হৈছে। প্ৰতি মহকুমাত যাতে পায় তাৰ ব্যৱস্থা কৰিব লাগিব।

Shri Kaliranjan Deb : Hon'ble Speaker, Sir, may I know from the Hon'ble Chief Minister whether he will consider for establishing a fire station at Kalain in Kathigara Police Station in the District of Cachar for which there is a long pending demand from the public.

Speech not Corrected

Shri Hiteswar Saikia (Chief Minister): There is demand, I will see.

Shri Chittendra Nath Majumdra : Previously there was a fire station in front of Silchar police Station which was withdrawn about two years back. Again, to attend fire in that area there is no fire station. The main market was gutted in April 1985 for which Government had to spend Rs. 20 crores. Now whether Government will establish another fire station in that area where there was a fire station which was subsequently withdrawn. Whether is will be considered.

Shri Hiteswar Saikia, (Chief Minister) : Sir, I will see.

Mr. Speaker : Now Starred Qn. No. 247, Honble member Shri Hitendra Nath Goswami.

**বিষয় ঃ যোৰহাট পৌৰসভাৰ অধীনত বজাৰখাট।**

শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে :

২৪৭। মাননীয় পৌৰ প্ৰশাসন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) যোৰহাট পৌৰ সভাৰ অধীনত মুঠ কিমান খন বজাৰ/মটৰ ষ্টেণ্ড প্ৰতি বছৰে বন্দৰস্তী দিয়া হয় ?

খ) ১৯৯২-৯৩ চনত এই গোটেইখিনি বজাৰ/মটৰ ষ্টেণ্ডৰ বন্দৰস্তীৰ বাবে নিবিদা গ্ৰহণ কৰা হৈছিল নে ?

গ) যদি হোৱা নাই কোন কেইখন ক্ষেত্ৰত নিবিদা গ্ৰহণ বন্ধ ৰখা হৈছে ?

ঘ) যোৰহাট পৌৰ সভাৰ অন্তৰ্গত ১৯৯১-৯২ চনত বন্দৱস্তী দিয়া সকলোৱে সম্পূৰ্ণ ভাৱে টকা আদায় দিলেনে ?

ঙ) যদি নাই দিয়া কিমান সংখ্যকে এই টকা আদায় নিদিলে ?

শ্ৰী দেৱানন্দ কোঁৱৰ ( পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে।

ক) ১২ খন বজাৰ/ষ্টেণ্ড ৪খন বজাৰ, ৬টা ষ্টেণ্ড, ২ টা পাৰকিং এলেকা।

খ) নাই হোৱা।

গ) ১। যোৰহাট চক বজাৰ।

২। ৰেলওৱে ষ্টেচন বজাৰ।

৩। পাৱলিক বাছ ষ্টেণ্ড।

৪। যোৰহাট ট্ৰাক ষ্টেণ্ড।

৫। টেক্সী মেটাডৰ ষ্টেণ্ডৰ নিবিদা বন্ধ ৰখা হৈছিল।

ঘ) ২ জন মহলৰাৰে সম্পুৰ্ণ আদায় দিলে কিন্তু বাকী ১০ জন মহলদাৰে আদায় দিয়া নাই।

ঙ) ১০ জন মহলদাৰে বন্দৰস্তীৰ টকা সম্পূৰ্ণ ভাবে দিয়া নাই।

শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে নিৰিদা গ্ৰহণ কৰা হোৱা নাই। আগতে অকচন চিস্তেম আছিল আৰু প্ৰথমবাৰৰ কাৰণে নিবিদাৰ চিস্তেম কৰি বন্ধ কৰিলে কিয় ? ৫ খন বজাৰৰ ক্ষেত্ৰত সম্পূৰ্ণ টকা দিয়া নাই কাৰণে বন্ধ ৰখা বুলি কৈছে ৰাকী ৫ খনে সম্পুৰ্ণ টকা দিলে নে ?

শ্ৰী দেবানন্দ কোঁৱৰ ( পৌৰ প্ৰশাসন মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, কথাটো অলপ জটিল ১৯৯১-৯২ চনৰ বাবে চানি ডাকত ৪খন বজাৰ ৬টা ষ্টেণ্ড ২টা পাৰ্কিং জোনৰ নীলাম বিক্ৰী দিয়া হৈছিল। দুখনে নিয়মিয়াকৈ সময়মতে কিস্তিৰধন ধন দি আদায় কৰিলে। বাকী ১০ জনে সময়মতে নিয়মীয়াকৈ

কিস্তিৰ ধন আদায় দিব নোৱাৰাত, তাগিদা দিয়াত, তেখেত সকলে যোৰহাটত থকা উজনি অসমৰ আয়ুক্তৰ ওচৰত আপিল আবেদন কৰিলে আৰু সেই আপিলৰ হুকুমৰ ওচৰত চৰকাৰৰ নিৰ্দ্দেশক্ৰমে ৯খন বজাৰ, ষ্টেণ্ড আৰু পাৰ্কিংৰ নিলাম বিক্ৰী কৰা হয় আৰু ১/১/৯২ৰ পৰা ৩১/৩/৯২ লৈ ৫ খন আৰু ১১/১/৯২ৰ পৰা ৩১/৩/৯২ লৈ ৪খন তিনিমাহৰ নীলাম বিক্ৰীৰ সৰ্ব্বোচ্চ ডাকোতাৰ পৰা আগধন লৈ বন্দোবস্তি দিয়া হয়। এখন বজাৰৰ ক্ষেত্ৰত চৰকাৰৰ নিৰ্দ্দেশত আগধন লৈ বজাৰ-খন চলাবলৈ দিয়া হয়। অধ্যক্ষ মহোদয়, তেখেতে ৫খন বজাৰৰ কথা উল্লেখ কৰিছে এই ৫খনৰ ক্ষেত্ৰত কিছুমান আপীল আবেদন, দৰ্খাস্ত পেণ্ডিং আছে আমি সিদ্ধান্ত লব পৰা নাই বাকী বিলাক টেণ্ডাৰ কৰিবলৈ কোৱা হৈছে। তেখেতে কোৱাৰ নিচিনা টেণ্ডাৰ চিস্তেমটো প্ৰথমবাৰৰ কথা প্ৰয়োগ কৰা নাই এই চিস্তেমটো আগতেওঁ আছিল মাজতে মাত্ৰ এই ৰুলৰ সংশোধন কৰি অকচন কৰা কৰিছিল, এতিয়া আমি সেই আইনৰ পুনৰ পৰিবৰ্ত্তন কৰি টেণ্ডাৰৰ ব্যৱস্থা কৰিছো।

শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী : অধ্যক্ষ মহোদয়, চিস্তেমটো পাছত কৰাটো অৱশ্যে নাজানো । মূল কথাটো হ'ল য'ত ৪৮ লাখ টকা পাব লাগিছিল তাত ১২ লাখ টকাকৈ লিজত দিছে যাৰ কাৰণে আজি যোৰহাট পৌৰসভা দেওলীয়া হৈছে। ৰাষ্ট্ৰপতিৰ শাসন কালত যিজন বিষয়াই এই টেণ্ডাৰ একচেপ্ত কৰিলে আকৌ সেই একেজন বিষয়াই ৰিভিউ পিটিচন কেনেকৈ ললে বুজি নাপালো, আগেয়ে কেনচেল কৰি পাছত আকৌ তিনি মাহৰ কাৰণে দিছে। নিবিদা নকৰাকৈ তিনিমাহৰ কাৰণে তেওঁলোকক বন্দোবস্তি দিয়া হ'ল এতিয়া তেওঁলোকে আকৌ একসটে নচনৰ কাৰণে আবেদন কৰাতো নিশ্চয় যুক্তিসংগত হোৱা নাই। গতিকে একটেনচনৰ কথাটো বিবেচনা কৰি সোনকালে টেণ্ডাৰ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰী দেবানন্দ কোঁৱৰ ( মন্ত্ৰী ) অধ্যক্ষ মহোদয়, আমি কথাটো বিবেচনা কৰি আছো। তিনিমাহৰ কাৰণে বন্দোবস্তি দিয়াৰ পিছত কিছুমান কাৰণ দৰ্শাইছে। আপোনালোকে জানে যে ফেব্ৰুৱাৰী মাহত আমাৰ পঞ্চায়ত নিৰ্ব্বাচন আছিল, গতিকে গোটেই টেক্সী, ট্ৰাক বা অন্যান্য যানবাহন বিলাক অধিগ্ৰহন কৰিছিল। গতিই তেওঁলোকে আবেদন কৰিছে, আমি অৱশ্যে এতিয়ালৈ সিদ্ধান্ত লোৱা নাই। আবেদনকাৰী সকলে ৰেটলেচ বিদ দিয়াৰ কাৰণে এই অসুবিধা বিলাক হয় কেইটামান পাৰ্টিয়ে এটা কিস্তি জমা দিয়াৰ পাছত ৯ মাহে কিস্তি জমা দিয়া নাই। তাগিদা দিয়া স্বত্বেও জমা দিয়া নাই। আমি টেণ্ডাৰ কৰিবলৈ নিৰ্দ্দেশ দিছো।

শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী : চাৰ একেজন বিষয়াই এই কাৰবাৰ কৰিছে। ৰেটলেচ বিট দিবপাৰে। কিন্তু যোৰাবজৰৰ ৰেটৰ ভিত্তিতে তেওঁলোকক তিনিমাহৰ কাৰণে বন্দোবস্তি দিয়া হৈছে এতিয়া তেওঁলোকে আকৌ এক্সটেচনৰ কাৰণে আবেদন কৰিছে। নিবিদা দিয়া আৰু বন্দোবস্তি দিয়া একেকেইজন মানুহ গতিকে পৌৰ সভাৰ স্বাৰ্থত বৰ্ধিত কৰণ বন্ধ কৰিব নে? দ্বিতীয়তে তেখেত আইনৰ মানুহ তেখেতে জানিব যোৰহাটৰ যিটো তিনকোনীয়া পুখুৰী সেই পুখুৰীটো দুজন ব্যক্তিৰ নামত লিজ দিছে তাৰ এজন পৌৰ সভাৰ কৰ্ম্মচাৰী এজনৰে পুতেক। গতিকে এই লিজটো মুকলি কৰি দিব নে?

শ্ৰী দেবানন্দ কোঁৱৰ ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, ৰেটলেচ বিদ দিলে তাক কেনচেল কৰি সৰ্ব্বোচ্চ ডাকত ৩ মাহৰ কাৰণে দিয়া হৈছে। গতিকে তেওঁলোকে আকৌ আবেদন কৰা অধিকাৰ আছে। অকচন চিস্তেমটো বাদ দিব দি টেণ্ডাৰ চিস্তেম কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

শ্ৰী জয়নাথ শৰ্মা : মাননীয় অধাক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয় প্ৰশ্নৰ উত্তৰত কৈছে যে ১০ জন মহলদাৰে দন্দস্তীৰ টকা আদায় দিবলৈ

বাকী আছে। তেওঁলোকৰ কিমান টকা আদায় দিবলৈ বাকী আছে। দ্বিতীয়টো হৈছে যাক এক্সটেনচন দিছে তেওঁলোকে টকা আদায় দিব লগীয়া আছে নেকি ?

শ্ৰী দেৱানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এক্স-টেনচন দিয়া হোৱা নাই কাকো। তেওঁলোকে এক্সটেনচনৰ বাবে আবেদনহে কৰিছে।

শ্ৰী জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰথম প্ৰশ্নটো মন্ত্ৰী মহোদয়ে এৰাই চলিবলৈ বিচাৰিছে। এই ১০ জন মহলদাৰে যে টকা আদায় দিবলৈ আছে কিমান টকা আদায় দিবলৈ আছে ?

শ্ৰী দেবানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ১০ খন বজাৰ আৰু মটৰ ষ্টেণ্ডৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ টকা দিবলৈ বাকী আছে। তেওঁলোকৰ বেচিয়েই প্ৰথম কিস্তীত টকা জমা দিয়ে ২/১ জনে দ্বিতীয় কিস্তিৰ জমা দিছে। বিভিন্ন জনে এই টকা জমা দিবলগীয়া আছে। চৰকাৰে কাকো এক্সটেনচন দিয়া নাই।

শ্ৰী জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা মই স্পষ্টকৈ জানিব বিচাৰিছো যে ১০ জন মহলদাৰে কিমান টকা দিবলৈ বাকী আছে। তাৰ উত্তৰটো এতিয়া দিব নোৱাৰিলেও আবেলি দিলেও হব। কথা হল সদনত আমি যিটো প্ৰশ্ন কৰো চাপলিমেনটেৰীৰ উত্তৰ দিবলৈ সকলো তথ্য-পাতি মন্ত্ৰী মহোদয়ৰ হাতত থাকিব লাগে।

Shri Devananda Konwar, ( Minister ) : Mr, Speaker Sir, that information would be Submitted to the House.

Shri Zoii Nath Sarma : Mr. Speaker Sir. When ? To day ?

Shri Devananda Konwar ( Minister ) : Mr. Speaker Sir on some other day because it will have to be Collected from Jorhat.

Speaker : Now Starred Qn. No. 248, Honble Shri Kamal Brahma.

Re : PARTICIPATING IN THE REPUBLIC DAY.

Shri Kamal Brahma, asked :

248. Will the Minister of Cultural Affairs be pleased to state :

a) Whether it is a fact that the Dularai Boro Harimu Afat, Kokrajhar applied for participating in the last Republic Day celebration with their traditional cultural castume ?

b) Whether it is a fact that the Government har rejected the application ?

c) If so, why ?

d) Whether it is also a fact that in 1987-89 the Bodo Cultural team, Khara, Dudnoi selected as the best Cultural team in Hydrabad National Cultural Exhibition for Mosco was not sent to Moscow and if so why ?

Shri Hiteswar Saikia (Chief Minister) replied :

a) Yes.

b) No.

c) Does not arise.

b) Yes, this was selected best; but there was no commitment to send the troupe to Moscow.

শ্ৰী কমল ব্ৰহ্ম : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদায়ৰ পৰা জানিব বিচাৰিছো যে তুলাৰিয়া বড়ো হৰীমুড় এফট যিটো কোকৰাঝাৰ জিলাৰ যিটো সংগঠন আছে সেইটো যোৱা ৰিপাবলিক ডেৰ দিনা অংশ গ্ৰহণ কৰিবলৈ বিচাৰিলে কিন্তু চৰকাৰে নিদিলে । এইটো চিলেকচন কিয় নিদিলে জনাবনে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, সকলো সংগঠনৰ পৰা পোৱা নাম বিলাক আমি পঠিয়াও কিন্তু এই চিলেকচনটো যিটো ভাল সেইটোহে পঠিওৱা হয়। যোৱা বাৰ ভাওঁনা চিলেক্ট কৰিলে আৰু সেইমতেই তেওঁলোকৰ সংগঠনটো পঠিওৱা হল ।

Shri Parameswar Brahma : Mr. Speaker, Sir,

Is there any basis for selection of troupes desiring to participate in the Independance Day or Republic Day Celebration ? What is that ?

Shiri Hiteswar Saikia, (Chief Minister) Mr. Speaker Sir, The guidelines are framed by the Govt of India.

Shri Pramode Gogoi : Mr. Speaker Sir, I would like to ask the Hon'ble Chief Minister whether the Govt. will try to send folk troupes of Assam outside the country as it is done inside the country during the Republic Day Celebration or any other functions ?

Shri Hiteswar saikia, (Chief Minister) : Sir, We do it. We sponsor the several Tribal troupes and the Central

Speech not Corrected

Govt select the troupe/troupes for sending outside the country.

Mr. Speaker : Starred Qn. No. 249, Hon'ble Shri Jatin Mali.

**বিষয়ঃ পলিং অফিচাৰ আৰু প্ৰেচাইডিং অফিচাৰ নিয়োগ ।**

শ্ৰী যতীন মালীয়ে সুধিছে :

২৪৯। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৯১ চনৰ জুনৰ সাধাৰণ নিৰ্ব্বাচনত নিয়োগ কৰা পুলিং অফিচাৰ আৰু প্ৰিচাইডিং অফিচাৰ সকলক তেওঁলোকৰ ভ্ৰমণ বানচ আৰু দৈনিক ভাট্টা দিয়াৰ ব্যৱস্থা আছিল নেকি আৰু যদি আছিল কিমানকৈ ?

খ) পলিং অফিচাৰ আৰু প্ৰিচাইডিং অফিচাৰ সমূহক নিৰ্দ্ধাৰিত ভ্ৰমণ বানচ আৰু দৈনিক ভাট্টা আদায় দিয়া হৈছে নে আৰু যদি দিয়া নাই সোন-কালে দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

ক) ১৯৯১ চনৰ জুনৰ সাধাৰণ নিৰ্ব্বাচনত নিয়োগ কৰা পলিং অফিচাৰ আৰু প্ৰেচাইডিং অফিচাৰ সকলক তেওঁলোকৰ ভ্ৰমণ বানচ আৰু দৈনিক ভাট্টা দিয়াৰ ব্যৱস্থা আছিল। সকলো জিলা আৰু মহকুমাধিপতিসকলক পুলিং অফিচাৰ আৰু প্ৰেচাইডিং অফিচাৰ সকলক চৰকাৰ ভ্ৰমণ নীতি অনুসৰি ভ্ৰমণ বানচ আৰু ভাট্টা দিয়াৰ নিৰ্দ্দেশ দিয়া হৈছে আৰু তাৰ কাৰণে ধন আবণ্টন কৰি দিয়া হৈছে। ৰাজ্য চৰকাৰৰ কৰ্ম্মচাৰী সকলৰ বাহিৰে নিয়োগ কৰা পলিং অফিচাৰ আৰু প্ৰেচাইডিং অফিচাৰ সকল নিজ নিজ বিভাগীয় ভ্ৰমণ নীতি অনুসৰি বা অসম চৰকাৰৰ ভ্ৰমণ নীতি অনুসৰি যিটো তেওঁলোকৰ লাভজনক হয় সেই ভ্ৰমণ নীতি অনুসৰি

ভ্ৰমণ বানচ আৰু ভাট্টা দিয়াৰ নিৰ্দ্দেশ দিয়া হয় । তদুপৰি মুখ্য কাৰ্য্যালয়ৰ ৮ কিঃ মিঃ পৰিসীমাৰ ভিতৰত নিয়োগ কৰা প্ৰিচাইডিং অফিচাৰক দৈনিক ভাট্টা ৪০ টকা, পলিং অফিচাৰক ৩০ টকা আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীৰ বাবে দৈনিক ২০ টকা ভাট্টা দিয়াৰ নিৰ্দ্দেশ দিয়া হৈছে ।

খ) পলিং অফিচাৰ আৰু প্ৰিচাইডিং অফিচাৰ সমূহৰ বহুতকে ইতিমধ্যে নিৰ্দ্ধাৰিত ভ্ৰমণ বানচ আৰু দৈনিক ভাট্টা আদায় দিয়া হৈছে । ভ্ৰমণ বানচ আৰু দৈনিক ভাট্টা ধনৰ অভাবত যিসকলক আদায় দিব পৰা নাছিল সেই সকলক ভ্ৰমণ বানচ আৰু দৈনিক ভাট্টা আদায় দিবৰ বাবে পৰিপূৰক মঞ্জুৰী পোৱাৰ লগে লগে জিলা আৰু মহকুমাধিপতি সকলক ধনৰ আবন্টন দিয়া হৈছে আৰু তেওঁলোকে পাবলগীয়া ভ্ৰমণ বানচ আৰু দৈনিক ভাট্টা সংশ্লিষ্ট জিলাধিপতি আৰু মহককুমাধিপতি সকলৰ পৰা অতি সোনকালে আদায় পাব ।

শ্ৰী যতীন মালীঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ১৯৯১ চনত সাধাৰণ নিৰ্ব্বাচন আছিল । এই নিৰ্ব্বাচনত পৰিচালনা কৰা কাৰণে কিমান টকা ধাৰ্য্য কৰা হৈছিল ? দ্বিতীয়টো হৈছে যি টকা নিৰ্দ্ধাৰণ কৰা হৈছিল সেই টকা পুলিং অফিচাৰ আৰু প্ৰিচাইডিং অফিচাৰৰ কাৰণে তেওঁলোকে পাবলগীয়া টকা ভ্ৰমণ বানচৰ টকা ধাৰ হোৱা নাছিল নেকি ? যদি ধৰা হৈছিল তেতিয়াহলে তেওঁলোকে পাবলগীয়া টকা আজিলৈকে কিয় পোৱা নাই তাৰ বাখ্যা দিব নেকি ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ভ্ৰমণ বানচৰ সংক্ৰান্তত ১ কোটি ৫৮ লাখ টকা ধাৰ্য্য কৰা হৈছিল । কিছু টকা চৰ্ট হৈছিল । ইতিমধ্যে চাপলিমেনটৰী বাজেট অনা হৈছে এই শিতানত ।

শ্ৰী যতীন মালী ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জিলা পৰ্য্যায়ত যিবিলাক জিলাধিপতি, মহকুমাধিপতি আছে তেখেতসকলে ইচ্ছাকৃত ভাৱে পুলিং অফিচাৰ আৰু প্ৰিচাইডিং অফিচাৰে পাবলগীয়া টকা খিনি বন্ধ কৰি ৰখা কথাটো সচাঁনে ? মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ঠিক একেদৰেই পঞ্চায়ত নিৰ্ব্বাচনটো পাবলগীয়া ভ্ৰমণ বানচ দিয়া হোৱা নাই, তেওঁলোকক দিবলৈ বাকী আছে নেকি ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম কথাটোত মই কব বিচাৰো যে এইটো হেমাহিৰ কাৰণে হোৱা নাই কৰবাত২/৪ জেগাত হব পাৰে । আমি নিৰ্ব্বাচনত কাম কৰা লোকক যিমান টকা দিব লাগে সিমান টকা দিব পৰা নাছিলো । কিছু টকা দিবলৈ বাকী আছে। চাপলিমেনটৰী বাজেটত সেই টকা ধৰা হৈছে । এতিয়া আমি তাৰ পৰাই সেই টকা খিনি খৰচ কৰিম।

শ্ৰী যতীন মালী ঃ মাননীয় অধ্যক্ষ মহোদয়, নিৰ্ব্বাচন এটা পৰিচালনা কৰোতে ক'ত ক'ত কিমান টকা খৰচ কৰা হব কোন হেডত খৰচ কৰা হব কিমান পুলিং অফিচাৰ আৰু কিমান প্ৰিচাইডিং অফিচাৰৰ প্ৰয়োজন হব সেইটো হিচাপ ধৰা নহয় নেকি ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বাজেটত যিটো ধৰা হয় কেতিয়াবা তাতোকৈ বেচি টকা খৰচ হৈ যায় । সেই বেচি খৰচ হোৱা টকাখিনি চাপলিমেনটৰী বাজেটত ধৰা হয় সেই মতেই খৰচ খিনি কৰা হয়।

শ্ৰী যতীন মালী ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত সাধাৰণ নিৰ্ব্বাচনৰ কাৰণে যিমান বিলাক চেন্টাৰ থাকে, পুলিং অফিচাৰ, প্ৰিচাইডিং অফিচাৰকে ধৰি অন্যান্য কৰ্ম্মচাৰী সকলৰ বাবদ কিমান টকা প্ৰয়োজন হয় তাৰ

হিচাপ নিৰ্ব্বানী বিভাগৰ দ্বাৰা আগতীয়াকৈ নকৰে নেকি ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ভোটৰ লিষ্টখন নিৰ্বাচনৰ আগমুহুৰ্ত্ততহে প্ৰকাশ পায় ; আৰু এনেকৈ প্ৰকাশ পোৱা ভোটাৰ তালিকা আগতকৈ বহুতো নতুন ভোটাৰ তালিকা-ভুক্ত হোৱাৰ কাৰণে পিচলৈ চেক্টাৰ আদি বঢ়াব লগীয়া হয়। কিন্তু নিৰ্ব্বাচনৰ বাবদ আগতীয়াকৈ বাজেট প্ৰস্তুত কৰা হয়। সেইবাবেই অতিৰিক্ত টকা খিনি চাপলিমেনটৰী বাজেটৰ দ্বাৰা পাচ কৰা হয়।

শ্ৰী যতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা নীতিগত কথা। নিৰ্বাচনী বিভাগে পৰিচালনা কৰাৰ আগমুহুৰ্ত্তত নিৰ্ব্বাচনী প্ৰক্ৰিয়াৰ এটা বিশেষ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে পুলিং অফিচাৰ প্ৰিচাইডিং অফিচাৰৰ ক্ষেত্ৰত। মুখ্যমন্ত্ৰীয়ে এইটো ভাৱে নেকি যে নিৰ্বাচনী বিভাগে সময় মতে সম্পূৰ্ণ তালিকা দিব নোৱাৰাৰ কাৰণে এইটো কৰা হয়।

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) মানীয় অধ্যক্ষ মহোদয়, চাপলিমেনটৰী বাজেট সদায় আহে প্ৰত্যেকটো বিভাগে প্ৰথমতে আনুমানিক টকা এটা ধৰে। কিন্তু তাতোকৈ বেচি খৰচ হোৱাৰ কাৰণে এনে কৰিব লগীয়া হয়। নিৰ্বাচনী বিভাগৰ ক্ষেত্ৰটো এইটোৱে হৈছে।

শ্ৰীযতীন মালী : অধ্যক্ষ মহোদয়, সাধাৰণ নিৰ্বাচনেই হওঁক বা অন্যান্য নিৰ্বা-চনেই হওঁক সেই বিলাকৰ কাৰণে পুলি এজেণ্ট পুলিং অফিচাৰ দিয়াৰ কাৰণে নিৰ্ব্বাচন বিভাগৰ যিটো দায়িত্ব সেইটো তেওঁলোকে সম্পূৰ্ণ নকৰাৰ কাৰণে নিৰ্বাচনী বিভাগক দোষাৰোপ কৰিব নেকি ? আৰু এই সম্পৰ্কত কিমান টকা দিবলৈ বাকী আছে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, খৰচ বাঢ়ি যোৱাৰ কাৰণেহে চাপলিমেনটৰী বাজেটৰ পৰা এই টকা দিব লগীয়া হয়। বাকী থকা টকা খিনিও ইতিমধ্যে দিয়াৰ ব্যৱস্থা কৰা হৈছে।

Mr. Speaker : Starred Qn. No. 250, Hon'ble Shri Babu Rongpi.

**Re : Fund Allocated for the development of culture of Karbi people**

Shri Babu Rongpi, asked :

250. Will the Minister of Sports and Cultural Affairs be pleased to State :—

a) The fund allocated for the development of Culture of Karbi, Dimasa Rengma, Kuki, Maintai communities in Karbi Anglong Dist. in 1991-92 ?

b) Is there any special fund provision for printing the literature in this regards ?

Shri Hiteswar Saikia (Chief Minister) replied.

a) Fund is not allocated community-wise, but it is allocated for overall development of Culture of different communities of the State including the two Hill Districts.

b) No.

Shri Monsing Rongpi : Sir, may I know whether the Govt. has any plan and programme to development tribal culture of the hills districts of Assam and as such how much fund has been earmarked in this regard as we have been saying that the tribals of the hills

districts have their rich heritage but we find there is no plan and programmee for its development and if there is any it is of no use.

Shri Hiteswar Saika, ( Chief MInister ) : Sir, there are plan and programmes for both plains and hills and because of this reason cultural centres were set up in Diphu, Hamren, Haflong and also cultural Museum at Haflong. During the year 1991-92 the total allocation was Rs. 14 lakhs against the hill areas and the schemes are being implemented through the Cultural Centres at Diphu and Hamren in the Karbi Anglong district and also through the cultural centre at Haflong. Folk dance training workshop at Hamren and Haflong and also at Diphu. There is also provision for giving grants-in-aid to non-Govt. Cultural organisations and also for old and ailing artist for the hills distuicts. Various troupes from the two Hill Districts have been brought for presentation of cultural items in different parts of the State.

Shri Monsing Rongpi : Sir may I know what is the basis of fund allocation to the Hill Districts of Karbi Anglong ? Whether it is 30, 70 basis or what ?

Shri Hiteswar Saikia, ( Chief Minister ) : Sir, fund is allocated on the basis of earlier record of expenditure.

Last year Rs. 14 lakhs from Plan budget and Rs. 8.40 lakhs from non-Plan budget were allotted.

Shri Giasuddin Ahmed : Sir, Assam, I should say, is a rich cultural state consisting of different cultural groups living in different parts of the State. So, whether Government will set up Cultural Centres for each of the groups including the western part of Assam, i. e. Goalpara by setting up cultural centres in different areas for different cultural groups. Will the Government take some steps to establish unity in diversity so far as cultural activities are concerned.

Shri Hiteswar Saikia, ( Chief Minister ) : Sir, that is being done. Sir as you know. cultural centres are being set up in different parts of the State including the hill districts for cultural development of different ethnic groups in different parts of the State.

Shri Giasuddin Ahmed : Sir, there is no cultural centre in the district of undivided Goalpara. So will the Govt take some steps in this regard ?

Shri Hiteswar Saikia, ( Chief Minister ) : Sir, that will be done.

Sri Monsing Rongpi : Sir, I have seen that the Cultural Centres at Diphu and Hamren have no works to do.

They are only getting their salary without having any works. So, will the Govt look into the matter and activise the centres so that they can be fully utilised and he benefit can be given to the deserving people ?

Shri Hiteswar Saikia, ( Chief Minister ) : Sir, that is being looked into. Recently a toupe from Haflong came to Gauhati for cultural programme and from Hamren also came to Gauhati.

Shri Monsing Rongpi : Sir, I am speaking for Diphu and Hamren Centres. The offices of these centres are functioning at the rented house and they simply used to play carrom all the time.

Shri Hiteswar Saikia, ( Chief Minister ) : Sir, of the two Hills District I can say, Diphu gets larger share.

শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে বিভিন্ন জনগোষ্ঠীৰ বাবে গুৱাহাটীত এটা কালচাৰেল মিউজিয়াম স্থাপন কৰাৰ ব্যৱস্থা গ্ৰহন কৰিব নে ?

শ্ৰী হিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, সেইটো কৰি থকা হৈছে। অহা দুমাহ মানৰ ভিতৰত সেইটো কৰিব পৰা হব।

Speech not Corrected

Mr. Speaker : Now Starred Question No. 251.

**Re : Special Measure in Coaching of Foot-ball & Cricket Games.**

Shri Karendra Basumatari, asked :

251. Will the Minister of Sports be pleased to State :

a) Whether the State Government is taking a special measure for the Youth of Assam for Coaching in Foot-ball and Cricket Games for National or International competition in near future ?

b) If so, how many youths from Assam have been selected for the national Coaching Camp ?

c) Whether Bodo and other Tribal Youths have been selected for Coaching Camp on quota basis ?

d) If so, please furnish the list of players so selected ?

শ্ৰী হিতেশ্বৰ শইকীয়া (ক্ৰীড়া আৰু যুৱকল্যান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয় ।

খ) ৪৫ জন ।

গ) পাৰদৰ্শিতা আৰু যোগ্যতাৰ ভিত্তিত নিৰ্ব্বাচন কৰা হয় । সংৰক্ষিত ভিত্তিত নিৰ্ব্বাচন কৰা নহয় ।

ঘ) প্ৰশ্ন নুঠে ।

( Starred Question Nos 252 to 257 Could not be taken up for disposal as the Question Hour was over. However, the replies of the said Questions deemed to have been laid on the table of the House. )

**বিষয়ঃ চাহ জন-জাতী ACS/IPS বিষয়া।**

শ্ৰী গহীন চন্দ্ৰ দাসয়ে সুধিছে ঃ

২৫২। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমত চাহ জন গোষ্ঠীৰ কিমান জন ACS, IAS আৰু IPS বিষয়া আছে ?

খ) যদি কোনো বিষয়া নাই তেওঁলোকৰ মাজৰ পৰা তেনে পৰ্য্যায়ৰ বিষয়া নিযুক্তি কৰিবলৈ চৰকাৰৰ তেনে কোনো বিশেষ আঁচনিৰ প্ৰস্তাৱ লৈছে নেকি ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) কোনো বিষয়া নাই।

খ) ৰাজ্য চৰকাৰৰ তেনে কোনো বিশেষ আঁচনিৰ প্ৰস্তাৱ নাই ?

**বিষয়ঃ আৰক্ষী বিষয়াৰ বিৰুদ্ধে অভিযোগ।**

শ্ৰী নিজামুদ্দিন খান, য়ে সুধিছে ঃ

২৫৩। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) বৰপেটা জিলাৰ কয়াকুছি আৰক্ষী আউটপোষ্টৰ ভাৰপ্ৰাপ্ত বিষয়া জনৰ বিৰুদ্ধে প্ৰশ্নকৰ্ত্তাই অভিযোগ দিয়াটো চৰকাৰ অৱগত নে ?

খ) যদি অৱগত উক্ত বিষয়াজনৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হৈছে ?

গ) যদি লোৱা নাই, ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) হয়।

খ) অভিযোগ সন্দৰ্ভত অনুসন্ধান কৰি থকা হৈছে।

গ) প্ৰশ্ন নুঠে।

Re: SCARCITY OF DRINKING WATER

Shri Rameswar Dhanowar, asked:

254. Will the Minister of Municipal Administration Deptt. be pleased to State:

a) Whether the Government is aware of the drinking water scarcity in Digboi?

b) If so, is there any scheme taken up by the P.H.E. Department to provide drinking water to the public of Digboi?

c) Whether it will be feasible to have an integrated Plan to Commission a water work on the River Dehing at Margherita which will cater to needs of Public of a vast area from Ledo to Makum?

Shri Debanand Knowar (Minister of Municipal Administration) replied:

a) Yes.

b) No.

c) Feasibility studies in this regards have not yet been taken up.

বিষয়ঃ উগ্ৰপন্থীৰ দ্বাৰা অপহৰণ।

শ্ৰী শশকমল সন্দিকৈয়ে সুধিছেঃ

২৫৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে –

ক) বৰপেটা জিলাৰ সৰভোগ থানাৰ অন্তৰ্গত লাবদংগুৰী গাওঁৰ মহেশ

গয়াৰী নামৰ যুৱকজনক উগ্ৰপন্থীয়ে অপহৰণ কৰি হত্যা কৰা সচানে ?

খ) যদি সচাঁ, তেওঁৰ নিকটতম আত্মীয়ক চৰকাৰে ঘোষণা কৰা মতে এককালীন সাহায্য দিয়া হৈছেনে ?

গ) যদি এতিয়াও দিয়া নাই, কেতিয়া দিব ?

শ্ৰী হিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) সচাঁ ।

খ) আৰু (গ) এককালীন সাহাৰ্য্য দিয়াৰ যাবতীয় ব্যৱস্থা লোৱা হৈছে ।

## Re : DONATION TO THE KARBI CULTURAL SOCIETY.

Shri Babu Rongpi, asked :

256. Will the Chief Minister be pleased to state :

a) Whether the Covt. is aware that the then Governor of Assam D. D. Thakur declared Rs. 50,000 ( Rupees fifty thousand ) only to the Karbi Cultural Society as donation, during his visit in the 17th Karbi Youth Festival at Rasinja aklam, Dokmoka, Karbi Anglong in 1991 ?

b) If so, what step have been taken so far by the Govt. in this regard ?

Shri Hiteswar Saikia (Chief Minister) replied :

a) The Cultural Affairs Department is not aware of it.

b) Does not arise.

## বিষয় ঃ যোৰহাট পানী যোগান আচঁনি ।

শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে ঃ

২৫৭। মাননীয় পৌৰ প্ৰশাসন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) যোৰহাট নগৰত পানী যোগানৰ বাবে ১৯৮৯ চনত এখন আচঁনি গ্ৰহণ কৰা কথাটো সত্য নে ?

খ) যদি সত্য এই ক্ষেত্ৰত আৱশ্যকীয় পুজি ৰাজ্যচৰকাৰে নিজাকৈ নে অন্য কোনো এজেন্সীৰ পৰা ঋণৰ জৰিয়তে যোগান ধৰিব ?

গ) আচনিখনৰ বৰ্ত্তমান অগ্ৰগতি কিমান হৈছে আৰু কেতিয়া এই আচনিখন সম্পূৰ্ণ হব ?

শ্ৰী দেৱানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) সত্য ।

খ) যোৰহাট নগৰৰ পানী যোগান আচনিৰ বাবে আৱশ্যকীয় পুজিঁৰ ৩০ শতাংশ ৰাজ্যচৰকাৰে ঋণ হিচাবে যোগান ধৰিছে । বাকী ৭০ শতাংশ গৃহ আৰু নগৰ উন্নয়ণ সংস্থা (HUDCO)ৰ পৰা ঋণ হিচাবে লোৱা হব ।

গ) আচনিখনৰ বৰ্ত্তমানলৈকে গভীৰ নলী নাদ বহুওৱা কামটো সম্পূৰ্ণ হৈছে । আৰু বাকী কামো আগবাঢ়ি আছে । HUDCO ৰ পৰা আৱশ্যকীয় পুজিঁ পালে আচনিখন ১৯৯৪ চনৰ মাৰ্চ মাহত সম্পুৰ্ণ হৈ উঠাৰ সম্ভাবনা আছে ।

## বিষয় ঃ কৰৰা মিনি ষ্টেডিয়াম ।

শ্ৰী হিতেশ্বৰ ডেকায়ে সুধিছে ঃ

৩৫৩। মাননীয় ক্ৰীড়া বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) 'কৰৰা মিনি ষ্টেডিয়াম' খনৰ বাবে মুঠতে কিমান টকা আৱণ্টন দিয়া হৈছে ?

খ) ইয়াৰে কিমান টকা ইতিমধ্যে খৰচ কৰা হৈছে আৰু কিমান টকা অব্যৱহৃত হৈ আছে ?

গ) ষ্টেডিয়ামৰ নিৰ্মাণ কাৰ্য্য সমাপ্ত হৈছে নে ?

ঘ) যদি হোৱা নাই কেতিয়া হ'ব ?

শ্ৰী হিতেশ্বৰ শইকীয়া (ক্ৰীড়া আৰু যুৱকল্যান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

ক) মুঠ ২ লাখ (দুই লাখ) টকা ।

খ) বৰ্ত্তমানলৈ ১.৩৫ লাখ টকা খৰচ হৈছে আৰু ৬৫,০০০ হেজাৰ টকা অব্যৱহৃত হৈ আছে।

গ) নাই হোৱা ।

ঘ) সঠিক কৈ কোৱা টান ।

## বিষয় : পাথাৰ কান্দিত অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ ।

শ্ৰী মধু সুদন তেওঁৱাৰীয়ে সুধিছে :

৩৫৪। মাননীয় মূখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবেন কি ?

ক) কৰিমগঞ্জ জিলাৰ দক্ষিন প্ৰান্তে পাথাৰ কান্দি বজাৰে আজি বহুদিন ধৰে একটি অগ্নি নিৰ্ব্বাপক কেন্দ্ৰৰ জন্য আবেদন নিবেদন কৰে আশা হচ্ছে এই বিষয়ে সৰকাৰ অৱগত আছেন কি ?

খ) যদি অৱগত বৰ্ত্তমান সৰকাৰ পাথাৰ কান্দিত জন্য অগ্নি নিৰ্ব্বাপক কেন্দ্ৰৰ প্ৰাৰ্থনা মঞ্জুৰ কৰিবেন কি ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

ক) হয়, অবগত ।

খ) বৰ্ত্তমান অসমৰ বিত্তীয় অৱস্থা ভাল নহয় বাবে পাথাৰকান্দিত অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ খুলিবলৈ চৰকাৰে কোনো প্ৰস্তাৱ হাতত লোৱা নাই ।

Re : S. I. OF POLICE

Shri Mission Ranjan Das, asked :

355. Will the Chief Minister be pleased to state :

a) Will the Government upgrade the post of C. O. of V.D.P. ( Thana lavel) to the rank of S. I. of Police ?
b) If not, why ?
c) If so, when ?

Shri Hiteswar Saikia ( Chief Minister ) replied :

a) No.
b) Because responsibilities and duties of C.O. V.D.P. are less than that of S. I. of Police.
c) Does not arise.

বিষয় : ভুটান সীমান্তবৰ্ত্তী গাওঁ।

শ্ৰী পানীৰাম ৰাভা য়ে সুধিছে :

৩৫৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ৰৰমা সমষ্টিৰ চাউলকাৰা, নিকাচি, গুৰনখাটা, আমগুৰী, জোপাদ, হস্তিনাপুৰ আদি গাঁও ভূটান সীমান্তত অৱস্থিত বুলি চৰকাৰ অবগতনে ?

খ) যদি অৱগত সীমান্ত এলেকাত অৱস্থিত হোৱা হেতু উক্ত অঞ্চলৰ ৰাষ্টা-ঘাট, খোৱা পানী, শিক্ষা, চিকিৎসালয় আদি নিৰ্মাণৰ আঁচনি চৰকাৰৰ হাতত আছেনে ?

গ) যদি নাই অতি সোনকালে লোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) উত্তৰ দিছে ঃ

ক) অবগত ।

খ) চাউলকাৰা, নিকাচি, সুৰন খাটা, জোপাদ আদি অঞ্চল গড়কাপ্তানী পথেৰে ৰাষ্ট্ৰীয় ঘাই পথৰ লগত সংলগ্ন। বৰ্ত্তমান ৰাষ্টা ঘাটৰ নতুন আঁচনি নাই।

চাউলকাৰা পানীযোগান আঁচনিখন ১৯৮৩ চনত গ্ৰহন কৰা হৈছিল আৰু আঁচনিৰে পানী যোগান ধৰি থকা হৈছে।

নিকাচি পানীযোগান আচঁনিখন ১৯৮৫ চনত আৰু সু ৰনখাটা পানীযোগান আঁচনিখন ১৯৭৮ চনত অনুমোদিত হৈছিল। আচঁনিখনৰে পানী যোগান ধৰি থকাৰ অবস্থাত অন্দোলনত ক্ষতিগ্ৰস্ত হয়। আচঁনি দুখন পুনৰ কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা লোৱা হৈছে।

জোপাদ পানী যোগান আচঁনিখন ১৯৮৭ চনতে অনুমোদি হয় আৰু আচঁনিখনৰ কাম বৰ্ত্তমান চলি আছে।

আমগুৰি আৰু হস্তিনাপুৰ গাওত খোৱা পানী যোগান আচঁনি লোৱাৰ বাবে পৰীক্ষা কৰি চোৱা হ'ব আৰু পৰ্য্যায়ক্ৰমে খোৱাপানীৰ ব্যৱস্থা লোৱা হ'ব।

সীমান্ত এলেকাত অৱস্থিত স্বীকৃতি প্ৰাপ্ত মধ্য ইংৰাজী বিদ্যালয় সমূহ অগ্ৰাধিকাৰ ভিত্তিত প্ৰাদেশীকৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে। বৰমা সমষ্টিৰ ১২ খন প্ৰাথমিক বিদ্যালয় প্ৰাদেশিকৰণ কৰা হৈছে। কিন্তু উক্ত ১২ খন বিদ্যালয়ৰ তালিকাত এখনো সীমান্ত এলেকাৰ বিদ্যালয় নাই। তালিকাখন স্থানীয় বিধায়ক মহোদয়ে দিয়া।

ভুটান সীমান্ত অঞ্চলত নিৰ্মান কৰা চিকিৎসালয় সমূহ হল সুৰনখাটা ৰাজ্যিক চিকিৎসালয়, নিকাচি ৰাজ্যিক চিকিৎসালয়, জোপাদং উপ-স্বাস্থ্য কেন্দ্ৰ আৰু উত্তৰ কুচি উপ-স্বাস্থ্য কেন্দ্ৰ। জোপাদংত এখন প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ নিৰ্মানৰ প্ৰস্তাব চৰকাৰৰ হাতত আছে। চাউলকাৰা, আম-

গুৰি আৰু হস্তিনাপুৰত স্বাস্থ্যকেন্দ্ৰ স্থাপনৰ আঁচনি চৰকাৰৰ হাতত বৰ্ত্তমানে নাই।

গ) নতুন ৰাষ্টাঘাট নিৰ্মানৰ বাবে বিবেচনা কৰা হ'ব।

যি অঞ্চলত খোৱাপানীযোগানৰ ব্যৱস্থা নাই সেই অঞ্চলত পানী যোগানৰ আঁচনি লোৱা হব।

জোপাদং উপ-স্বাস্থ্যকেন্দ্ৰত প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰলৈ উন্নীত কৰাৰ পৰিকল্পনা চৰকাৰৰ হাতত আছে। চাউলকৰা, আমুগুৰি আৰু হস্তিনাপুৰ আদি ঠাইৰ ৰাইজৰ পৰা পোৱা প্ৰস্তাব আদিৰ ভিত্তিত স্বাস্থ্যকেন্দ্ৰ স্থাপনৰ ব্যৱস্থা লোৱা হব।

**ৰিষয় : নতুন মহকুমা ঘোষণা।**

শ্ৰী নজমুল হকয়ে সুধিছে :

৩৫৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) লক্ষীপুৰ চহৰত গোৱালপাৰা জিলাৰ নতুন মহকুমা ঘোষণা কৰাৰ কিবা সিদ্ধান্ত চৰকাৰৰ হাতত আছে নে ?

খ) যদি আছে তেন্তে কেতিয়া ঘোষণা কৰা হব ?

শ্ৰী হিতেশ্বৰ শইকীয়া, ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) নাই

খ) প্ৰশ্ন নুঠে।

Re : T.A. & D.A. OF S.B. STAFFS.

Shri Mission Ranjan Das, asked :

358. Will the Chief Minister be pleased to state :

a) Is it a fact that T.A. and D.A. of P.S.OS. and

other S.B. staffs upto the rank of Inspector has been stopped since December, 1990 ?

b) If so, why and from when it will be released ?

Shri Hiteswar Saikia ( Chief Minister ) replied :

a) Due to non availability of fund the payment of T. A & D.A P. S. Os of & other staff has been pending since August, 1990.

b) During the next financial year.

Mr. Speaker : Question Hour is over, Now I proceed to Item No. 2.

শ্ৰী আলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা আপোনাৰ দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো। মই আজি ছুদিনমান আগতেও এই কথাটো আপোনাৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছিলো কিন্তু আপুনি মোক কবলৈ সুবিধা নিদিলে। এতিয়া কথাটো হল যে এই বিধান সভাত মই কেইবাটাও তৰাচিহ্নিত প্ৰশ্ন দিছিলো। কিন্তু ছুই এটা প্ৰশ্নৰ বাহিৰে বাকীবোৰ প্ৰশ্নৰ উত্তৰ আজিলৈকে নাপালো। মোৰ এই প্ৰশ্ন বোৰৰ উত্তৰ নাপামে নেকি ?

মাননীয় অধ্যক্ষ : আপোনালোকৰ প্ৰশ্নৰ উত্তৰ সময়ত সকলো বিলাকে পাব।

( সদনত গন্দোগল )

শ্ৰী জয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মইও ৪০ টাৰ ওপৰ চৰ্ট নোটিচ কুৱেশ্বন দিছিলো। মাননীয় অধ্যক্ষ মহোদয়ে এই বিলাক এপ্ৰোভ কৰি দিয়া নাই কিয় ? এইটো উইলিঙলি কৰা নাই নেকি ? যদি ৰিজেক্ট কৰে তাৰ নোটিচ দিব লাগে। আমি যিবিলাক ইন্‌ফৰমেশ্বন বিচাৰিছো This is a contempt to the House. This is our Privilege to have knowledge or information from the Govt. সেয়ে এপ্ৰোভেল দিয়াৰ ব্যৱস্থা কৰিব লাগে।

শ্ৰী সুৰেণ স্বৰ্গীয়াৰী : মাননীয় অধ্যক্ষ মহোদয়, আজি এটা বিশেষ কাৰণলৈ আপোনাৰ জৰিয়তে আমাৰ জনজাতীয় উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

মাননীয় অধ্যক্ষ : এতিয়া এইটো নাহে।

শ্ৰী সুৰেণ স্বৰ্গীয়াৰী : অধ্যক্ষ মহোদয়, এইটো লাগতিয়াল কথা, মোক কব দিব লাগে।

Speech not Corrected

মাননীয় অধ্যক্ষ ঃ ইয়াত ৰুলচ এণ্ড ৰেগুলেশ্বনৰ যিখন কিতাপ আছে, সেই মতেহে হব। এইটো এতিয়া নাহে। আমাৰ মাননীয় সদস্য শ্ৰী জয়নাথ শৰ্ম্মা ডাঙৰীয়াই যি প্ৰশ্নৰ কথা কৈছে সেই বিলাক বিভাগত পঠোৱা হৈছে। এই ক্ষেত্ৰত উত্তৰ দিয়াৰ কথাটো মন্ত্ৰী সকলে নিৰ্দ্ধাৰিত কৰি ৰুলচ মতে বিভাগত খবৰ লৈ পঠোৱাৰ ব্যৱস্থা কৰিব।

শ্ৰী জয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক মন্ত্ৰীক অনুৰোধ কৰিব কোৱা নাই। যোৱা বাৰ ৪০ টাৰ ওপৰত প্ৰশ্ন দিছিলো, সেই-বিলাক এৰাই চলিছে। সেই বিলাক প্ৰশ্নৰ উত্তৰ কিয় নাহে, এৰাই চলাৰ কাৰণে মন্ত্ৰী সকলক সুবিধা দিছে নেকি ? ( সদনত গন্দোগোল )

শ্ৰী যতীন মালি ঃ মাননীয় অধ্যক্ষ মহোদয়, যি প্ৰশ্নৰ উত্তৰ নাহে, সেই বিলাক মন্ত্ৰী সকলে ঘুৰাই নিদিয়ে। সেই বিলাক ঘুৰাই দিয়াৰ ব্যৱস্থা কৰাৰ কাৰণে ৰুলিং হব পাৰে।

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নবোৰ আহোতে লটাৰী হয় নে নহয় নাজানো। মই বহুত প্ৰশ্ন দিছো উত্তৰ পোৱা নাই। মই অধ্যক্ষ মহোদয়ৰ দৃষ্টি গোচৰ কৰিব খুজিছো যে ৰুলচ ৫৪ আৰু ৩০১ মতে এইবিলাক কিয় নিদিয়ে। এইটো আমি বেয়া পাইছো। মই অসমৰ স্বাৰ্থৰ লগত জৰিত কেইটামান গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত নোটিচ দিছো, যেনেনিমখ, হুলস্থুলীয়া বিষয়। আপুনি কিয় উত্তৰ নিদিয়ে ? এই ক্ষেত্ৰত লটাৰী কৰিছে বুজি পাইছো।

শ্ৰী সুৰেন স্বৰ্গীয়াৰী ঃ অধ্যক্ষ মহোদয়, এইটো পইন্ট অব অৰ্ডাৰ।

মাননীয় অধ্যক্ষ ঃ এই বিলাক পইন্ট অব অৰ্ডাৰ নহয়।

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, এইটো হয়।

Speech not Corrected

Mr. Speaker : Point of order is the interpretion of rules.

( গন্দোগোল )

শ্ৰী জয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, আমাৰ প্ৰেষ্টিজ কাৰ্টেল কৰিছে নেকি ? This is a clear Point of order.

মাননীয় অধ্যক্ষ : আপোনালোকে বহক Whether you will hear me Please take your sit. আপোনালোকে জানিও নজনাৰ ভাও লৈ নাথাকিব বুলি মই অনুৰোধ জনাইছো। আমাৰ সদস্য শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াই ৩০১ আৰু ৫৪ মতে প্ৰশ্ন অহা নাই বুলি কৈছে। এইক্ষেত্ৰত যদিও মোক বেয়া পোৱা বুলি কৈছে কিন্তু মই আগতে কৈছো যে মই সকলোকে ভাল পাও। এইটো ৰুলচত আছে, কিয় এৰাই চলা হব। আমাৰ মাননীয় সদস্য শ্ৰী পাটোৱাৰী, শ্ৰী জয়নাথ শৰ্ম্মা ডাঙৰীয়াই ৬৪/৮০ টাৰো ওপৰ প্ৰশ্ন দিছিল যদিও যোৱা বাৰ ১০ দিন সদন হল। প্ৰতিদিনে ৬টা প্ৰশ্নৰ উত্তৰ দিব লাগিব, কিন্তু ইমান প্ৰশ্ন আহিছিল যে সেই গোটেই বিলাক দিয়া সম্ভৱ নহয়। এই কাৰণে শিকিব লাগিব। আমাৰ শৰ্ম্মা, পাটোৱাৰী ডাঙৰীয়াৰ লগতে বহুত ভেটাৰন সদস্য আছে।

শ্ৰী নগেন শৰ্ম্মা : অধ্যক্ষ মহোদয়, বিধান সভা প্ৰেক্‌টিছ গ্ৰাউণ্ড নেকি ?

মাননীয় অধ্যক্ষ : শিকিবৰ কাৰণে জীৱনটোৱে প্ৰেক্‌টিছ গ্ৰাউণ্ড।

শ্ৰী প্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ ৰুলিঙৰ বিষয় সম্পৰ্কে মই আপত্তি কৰা নাই। ৩০১ আৰু ৫৪ মতে যদি গ্ৰহণ নকৰে তেতিয়া হলে মাননীয় সদস্য সকলক জনাব লাগে যে কি কি কাৰণত গ্ৰহণ কৰা হোৱা নাই। যিবিলাক প্ৰশ্ন দিয়া হয় সেই প্ৰশ্ন বিলাকৰ উত্তৰ এই চেচনতে দিয়াৰ কাৰণে চৰকাৰ বাধ্য। যদি কোনো প্ৰশ্নৰ

উত্তৰ দিব নোৱাৰে তাৰ কাৰণে নোটিচ দিব লাগে। এই ক্ষেলত ইন্‌ফৰমেশ্বন কালেক্ট কৰি থকা হৈছে আৰু ইয়াৰ উত্তৰ পিচত দিয়া হব বুলি জনাব লাগে। প্ৰশ্ন বিলাকৰ সম্পৰ্কে অধ্যক্ষৰ এটা নিৰ্দ্দেশ থকা দৰ্কাৰ। যদি উত্তৰ দিব নোৱাৰে তেতিয়া হলে অধ্যক্ষই জনাব লাগে কিয় উত্তৰ দিব পৰা নাই।

Mr. Speaker : Now I proceed to Item No. 2, Voting on Demands for Grants. Hon'ble Member Shri Upendra Nath Sanatan will kindly continue his speech.

শ্ৰী উপেন সনাতন ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় ৰাজহ মন্ত্ৰীক অনুৰোধ কৰো যে আমাৰ তিনিচুকীয়া চহৰ খনৰ বিষয়ে কবলৈ বিচাৰিছো এই চহৰ খনৰ চাৰিওফালে কিছুমান গাওঁ আছে । তিনিচুকীয়া টাউন খনত এখন বজাৰ আছিল । সেই বজাৰখনক চানডে মাৰ্কেট আৰু দেউবৰীয়া বজাৰ বুলিও কয় । সেই বজাৰখনত চাহবাগিচাৰ দুখীয়া মানুহ বিলাকে হাট বজাৰ কৰে । সেই মাটি বিলাক আগতে চৰকাৰী মাটি আছিল । সেই মাটি বিলাক পিচত ব্যৱসায়ীৰ হাতত বিক্ৰি কৰি দিয়া হৈছে । এতিয়া তাত মটৰ-গাড়ী ৰিক্সা-থেলা চলোৱাত অসুবিধা হয় । আগৰ বজাৰখন নাইকীয়া হৈ গল । তাৰ মানুহে নানা ৰকম অসুবিধা পাইছে । এইটো ৰাজহমন্ত্ৰীয়ে বিচাৰ কৰিব লাগে । তিনিচুকীয়াৰ জনসাধাৰণে কষ্ট পাই আছে । তিনিচুকীয়া টাউনত আগতে ২৪ টা মান পুখুৰী আছিল । সেই পুখুৰী বিলাক হল চাউলধোৱা পুখুৰী, বেং পুখুৰী, বৰ পুখুৰী বাট পুখুৰী আদি । সেই পুখুৰী বিলাক মানুহে এতিয়া বে-দখল কৰিছে । চাৰিওফালৰ পৰা বে দখল কৰি পুখুৰী নাইকীয়া কৰিছে । মাননীয় ৰাজহ মন্ত্ৰীয়ে ইয়াৰ ব্যৱস্থা লব লাগে । মতক ৰজাই হওঁক আহোম ৰজাই হওঁক সেই বিলাক বনাইছিল । সেই বিলাক এতিয়া নষ্ট কৰি দিছে । এই কথাটো অকল তিনিচুকীয়াতে নহয় গোটেই অসমতে হৈছে । চাবুৱা টাউনৰ এনেকোৱা কিছুমান ঘৰ কিক্ৰী কৰি দিয়া হল । তাত এজন চেয়াৰমেন আছিল, বিক্ৰী কৰি দিছে, চৰকাৰৰ আছে । এইটোত মই দুখ পাইছো । এইটো আমাৰ কাৰণে দেশৰ কাৰণে বিপদৰ কথা । গতিকে মই ৰাজহ মন্ত্ৰীক কৈছো যে টাউনৰ মাটি বিলাক বে-দখল মুক্ত কৰি চৰকাৰৰ হাতলৈ আনিব লাগে । তিনিচুকীয়া টাউনৰ চৰকাৰী মাটি দখল কৰি বিক্ৰী কৰি দিছে । লাহে লাহে মানুহ বিলাক বাহিৰলৈ গৈছে । গাড়ী মটৰ ৰিক্সা থেলাই টাউনত বিপদ আনিছে । মই আৰু এটা কথা কবলৈ বিচাৰিছো যে আমাৰ চাহ বাগিচাৰ মাটি সম্পৰ্কে । চাহবাগিচাৰ চিলিং চিলিং একৰ মাটি

বিলাক শুনিবলৈ পাইছো চৰকাৰে ভিতৰে ভিতৰে মালিকক ঘূৰাই দিবলৈ মনষ্ঠ কৰিছে। তেতিয়া মন্ত্ৰী সভা গঠন হোৱা নাছিল । গৰ্ভনৰে চলাই আছিল এখন কমিটি গঠন কৰি চিঙিৰ মাটিবোৰ ঘুৰাই দিবলৈ বিচাৰিছে । মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে যি বিলাক মানুহে বসবাস কৰি আছে সেই মানুহ বিলাকক মাটিবোৰ দিব লাগে। আমাৰ চাহবাগিছাত উৰিষ্যা বিহাৰ ৰাছি আদিৰ পৰা মানুহ আহি আছে । সেই মানুহ বিলাকৰ যেতিয়া কেছ হয় তেওঁলোকক জামিনত আনিবৰ বাবে মাটিৰ পট্টা থকা মানুহৰ নাম লাগে। তেওঁলোকৰ নামত মাটি নাই। সেয়ে মানুহ বিলাকৰ নামত মাটি দিব লাগে।

মাননীয় অধ্যক্ষ ঃ আপুনি অলপ চমু কৰক, মাননীয় ৰাজহ মন্ত্ৰীয়ে উত্তৰ দিব লাগে ।

শ্ৰী উপেন সনাতন ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কবলৈ বিচাৰিছো আমাৰ চাহ বাগিচাৰ মানুহক এছ টিৰ অন্তৰভুক্ত কৰা হয়। আজিলৈকে হোৱা নাই । ৰাজহ মন্ত্ৰীৰ বিষয়ে নহয় যদিও মই আজি সদনত ৰাখিলো । আৰু এটা কথা কব খোজো যে চাহ বাগানত বহুত উৰিয়া মানুহ আছে। অন্য বিলাকে যদি নিজৰ ভাষা লব পাৰে তেতিয়া হলে মই অনুৰোধ কৰো শিক্ষা মন্ত্ৰীক উৰিয়া ভাষাটো অন্তৰভূক্ত কৰিব লাগে মই ৰাজহ মন্ত্ৰীক এতিয়া অনুৰোধ কৰিছো আমাৰ যোৱা ৫ বছৰে বহুত টাউনৰ মাটি বাগানৰ মাটি বেদখল কৰিছে । সেই বিলাকৰ ব্যৱস্থা লব লাগে আৰু চিলিং এক্টৰ মাটি পুনৰ ঘুৰাই নিদি মাটিত বসবাস কৰি থকা মানুহৰ নামত পট্টন দিয়াৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিলো। এই খিনিকে কৈ মোৰ বক্তব্য সামৰিলো ।

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, ভূমি ৰাজহ শিতানত যি দাবী মঞ্জুৰী বিচাৰিছে তাৰ ওপৰত অনা কৰ্টন প্ৰস্তাৱক সমৰ্থ কৰি মই কেইটামান কথা কব বিচাৰিছো । বিশেষকৈ মই গুৱাহাটীৰ ওপৰত

হুআষাৰ বক্তব্য ৰাখিব বিচাৰিছো। মই আশা ৰাখিছো, মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ে গুৰুত্ব সহকাৰে এই কথা কেই আষাৰৰ বিচাৰ কৰিব। অধ্যক্ষ মহোদয়, আমাৰ বহুতো মাননীয় সদস্যই ইতিমধ্যে ভূমি সংস্কাৰৰ ওপৰত বিভিন্ন সমস্যাৰ কথা কৈ গৈছে।

বাহিৰত হুলস্থুল হোৱাৰ কাৰণে মাননীয় মন্ত্ৰী মুকুট শৰ্ম্মা ডাঙৰীয়াই আপত্তি দৰ্শোৱাত, মাননীয় মন্ত্ৰী শ্ৰীশিৱ সম্ভু ওজাই কয়-"তেওঁলোক য'তেই থাকে ত'তেই হুলস্থুল কৰি থাকে। বিশেষকৈ জয় নাথ শৰ্ম্মা ডাঙৰীয়াৰ মাত শুনা গৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই বিশেষকৈ জনজাতি বসতি অঞ্চলৰ বা এলেকাৰ কথা কব বিচাৰিচো। আজি জন জাতিৰ এলেকাত অ-জন-জাতিৰ লোক আৰু অনা অসমীয়া লোকে মাটি দখল কৰি আছে। মই এটা উদাহৰণ মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ৰ আগত দাঙি ধৰিব খুজিছোঁ। সোনাপুৰ অঞ্চলৰ বৰ্নি গাৱঁত, যিহেতু এই অঞ্চলৰ জনজাতি বসতি এলেকা বুলি জনা আছে। কিন্তু, এই মাটি অনা-অসমীয়া আৰু অ-জনজাতীয় লোকে হস্তগত কৰি ৰাখিছে। আনকি চিথা বহী তো তেওঁলোকৰ নাম তুলিছে। সোনাপুৰ অঞ্চলৰ জন-জাতিৰ এজনী ছোৱালীয়ে এজন নেপালী ছেত্ৰী নামৰ লোকক বিয়া কৰাইছে। ছোৱালী জনীৰ উপাধি মাৰাক। বিয়াৰ পিছতো তেওঁ মাৰাক উপাধিকেই লিখি ৰাখিছে। সেই দৰে আৰু এজনী জন-জাতিৰ ছোৱালীয়ে লাল আগৰৱালা নামৰ এজনক বিয়া কৰাইছে। সেই জনী ছোৱালীয়েও বিয়াৰ পিছত আগৰৱালা উপাধি লিখা নাই। মাৰাক উপাধিকেই লিখি আছে। আৰু সেই আগৰৱালাই ল'ৰা-ছোৱালী হোৱাৰ পিছতো ল'ৰা—ছোৱালীক মাৰাক উপাধি লিখিবলৈ দিছে আৰু তাতে তেওঁলোকে এটা ডাঙৰ কাঠৰ মিল খুলিছে। প্ৰায় ২০ বিঘা মাটিত এই মিলটো স্থাপন কৰিছে। ফলত বহুতো মাটি অনা—অসমীয়াৰ হস্ত গত হৈছে। কেৱল মণ্ডল—কানুন গোৰ-প্ৰতিবেদনৰ তথ্য মতেই কাম কৰাৰ কাৰণেই এনে পৰিস্থিতি হৈছে।

গতিকে মন্ত্ৰী মহোদয়ক এই বিষয়ে তদন্ত কৰিবলৈ অনুৰোধ জনাওঁ। অধ্যক্ষ মহোদয়, আমাৰ মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ে ৰাজহ আদালতত ইতিমধ্যে কেচ্ নিষ্পত্তি কৰিছে বুলি কৈছে। য'তেই কেচ্ ত'তে শিবিৰ পাতি মানুহ ৰাখিবলৈ সক্ষম হৈছে আৰু কেচ্ নিষ্পত্তি হোৱাতো সফল হৈছে। এইটো ভাল কথা। অসম ৰাজহ আইনৰ ২০৩ আৰু ২১১ ধাৰাত সমস্যা সমূহ নিষ্পত্তি কৰাৰ কাৰণে শিবিৰ পতাৰ বিষয়ে বিশেষ ভাবে উল্লেখ আছে এই সংক্ৰান্তত ১৫ জনৰ পৰা ১২৫ জনক কৰ্মচাৰী নিয়োগ কৰাটো ভূমি ৰাজহ আইনত স্পষ্টকৈ লিখা আছে। কিন্তু উপপ্ৰতি সমাহৰ্ত্তাই সেইটো কৰা নাই। মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াই নিজেই এই দায়িত্ব লৈ কাম কৰাটো ভাল কথা। কিন্তু যিটো নীতি অসম ভূমি আইনৰ ওপৰত কঠোৰ ভাবে পালন কৰিব লাগে সেইটোৰ ক্ষেত্ৰত চৰকাৰে আৰু মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ে ব্যৱস্থা লবনে ? তৃতীয়তে চাৰ, মন্ত্ৰী মহোদয়ে কৈছে যে মাটি পট্ন দিয়া বা ভূমি সংস্কাৰ কৰিবলৈ ভৱিষ্যতে কম্পিউটাৰ প্ৰয়োগ কৰা হ'ব। কিন্তু মই ভাবো কম্পিউটাৰ বহুৰনই এই নীতি সংস্কাৰ কৰিবলৈ গলে ৰাজহ বিভাগৰ তথ্য-পাতি সমুহ বিফল হ'ব লাগিব। কাৰণ এবাৰ মেট্ৰিক পৰীক্ষাতো এই কম্পিউটাৰৰ দ্বাৰা ৰিজাল্ট দিয়া হৈছিল। কিন্তু এই চিষ্টেমে বহুতো ল'ৰা-ছোৱালীৰ ভৱিষ্যত বিপন্ন কৰিলে। কিয়নো কম্পিউটাৰৰ দ্বাৰা ৰিজাণ্ট দিয়াৰ পিছত দেখা গ'ল যে পাছ কৰিব লগীয়া ল'ৰা-ছোৱালীয়ে ফেইল কৰিলে। কিছুমান প্ৰথম বিভাগত পাছ কৰিবলগীয়া ল'ৰাই দ্বিতীয় বিভাগত পাছ কৰিলে আৰু কিছুমান তৃতীয় বিভাগত পাছ কৰিলে। আকৌ একেবাৰে ফেইল কৰিব লগীয়া ল'ৰাইও পাছ কৰি গ'ল। গতিকে দেখা গ'ল কম্পিউটাৰে কোনো উন্নতি সাধন কৰিব নোৱাৰে। গতিকে এই ব্যৱস্থা যাতে নহয় তালৈ ৰাজহ মন্ত্ৰী মহোদয়ে চকু দিলে ভাল হয়। মাননীয় অধ্যক্ষ মহোদয় আৰু এটা ডাঙৰ কথা হৈছে যে ১৯৮৮ চনৰ পৰাই যিটো চেটলমেণ্ট অপাৰেচন চলিছে আজি ১৯৯২ চনলৈকে কেৱল ৭৬ ঘৰ মানুহ আৰু ৬খন গাওঁৰ হে কাম আৰম্ভ হৈছে। গতিকে দেখা গৈছে যে গোটেই অসমৰ গাওঁবোৰ জৰীপ কৰিবলৈ

হলে ৫০ বছৰ লাগিবগৈ। অধ্যক্ষ মহোদয়, মই শুনি আচৰিত হৈছোঁ যে চেটলমেণ্ট অপাৰেচনত যি বিলাক মানুহক নিয়োগ কৰিছে আৰু তেওঁলোকৰ তলত চাব-চেটলমেণ্ট অপাৰেচন পাতি দিছে তাত এজন চেটলমেণ্ট অফিচাৰ, চাৰিজন কেৰাণী, ৭জন পিয়ন, ৮জন চকীদাৰ ২জন চাৰ্ভে অফিচাৰ আৰু ৫৪ জন চেইনমেন। ইমানবোৰ কৰ্ম্মচাৰী দিয়াৰ পিছতো মাত্ৰ ৬খন গাওঁ হে চেটলমেণ্ট অপাৰেচনৰ কাম হৈছে। এই চেইন মেন বিলাকে মণ্ডল বিলাকৰ তলত এনেয়ে ইফালে সিফালে সিফালে চেইন টানি মাটি জৰীপ কৰাৰ নামত নীতি বিৰোদ্ধ কাম কৰিছে। কিন্তু এতিয়া চেইন মেন বিলাকৰ কাম নাই। তাবে কিছু মানে অ'ট' চলাই থকা কথা আমি জানো। প্ৰকৃততে চেটলমেণ্ট অফিচত দুজন মান কৰ্ম্মচাৰীয়েহে কাম কৰি আছে তাৰোপৰি অধ্যক্ষ মহোদয়, ডি, চি, অফিচৰ পৰা চেট্‌লমেণ্ট অপাৰেচনলৈ কিছু সংখ্যক কৰ্ম্মচাৰী ডেপুটেচনত অনা হৈছে। আচলতে ডি,চি, অফিচৰ কৰ্ম্মচাৰীৰ দৰমহা চেটেলমেণ্ট অপাৰেচনত কৈ কম। তথাপি ইয়ালৈ ডি, চি, অফিচৰ পৰা কিয় ইমান বেছি মানুহ কাম কৰিবলৈ আহে, তাৰ এটা তদন্ত মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ে কৰিব পাৰিলে ভাল হয়।

মাননীয় অধ্যক্ষ মহোদয়, যি কেইটা সমস্যা উত্‌ঘাটন কৰা হল সেই সমস্যা কেইটাৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা লব নে ? মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ জৰিয়তে ৰাজহ মন্ত্ৰী মহোদয়ে এটা কথা কৈ আছে যে ভূমি হীনক মাটি দিয়া হব। জিলাৰ উপায়ুক্ত আৰু চেটেলমেণ্ট অফিচত তদন্ত কৰিলে দেখিবলৈ পোৱা যাব যে এই দুটা অফিচত পাব্লিকৰ দৰ্খাস্ত ২৮ হেজাৰতকৈ বেছি আছে । এই ২৮ হেজাৰ দৰ্খাস্ত নিষ্পত্তি কৰিবৰ কাৰণে কি ব্যৱস্থা লৈছে ? এইখিনি নিস্পত্তি কৰিবৰ কাৰণে মোৰ বোধেৰে ৫০ বছৰ সময় লাগিব। এইবিলাক সুস্থিৰ আৰু অন্তৰিকতাৰে কেতিয়াও নিস্পত্তি কৰিব পৰা নাযাব । আমাৰ মাননীয় সদস্য এগৰাকীয়ে কৈছিল যে আমাৰ ৰাজহ মন্ত্ৰী

দায়নামী আৰু এজন ডাক্তৰ হব লাগিলে বেমাৰ ভালকৈ চাব পাৰিব লাগিব । ঠিক তেনেকৈ ইয়াত যিবোৰ কথা উল্লেই কৰা হৈছে সেই-বোৰ মানানীয় ৰাজহ মন্ত্ৰীয়ে কি ধৰণৰ ব্যৱস্থা লৈছে, আমি আগ্ৰহৰে বাট চাই ৰলো । ইয়াকে কৈ মই কাটমোচনৰ ওপৰত সমৰ্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিলো ।

শ্ৰী জীউৰাম বড়োঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মোক ১ মিনিট সময় কৰলৈ অনুমতি দিব লাগে । আমি বড়ো মানুহ । বড়ো সকলক কোৱা হয় ভূমি পুত্ৰ। আপোনালোকক এটা কথা শুনি সুখ পাব যে ভূমি পুত্ৰ বুলি কোৱা স্বত্বেও ম্যাদী পট্টা নাই। তোজীবাহী খাজনা দি আছো। তাহানিৰ দৰঙী ৰজাই এই বড়ো সকলক মাটি বিতৰণ কৰি দিছিল । ১৯৬৮ চনত প্ৰিমিয়ামও দিয়া হৈছিল। মাননীয় অধ্যক্ষ মহোদয়, মোৰ ঘৰ দৰং জিলাৰ চপাইখোলাৰ কলাই গাওঁত । এই গাওঁত ২৮ জন বিদেশী ৪ জন বঙালী । এই ৪ জনৰ ভিতৰত ২ জনৰ মৃত্যু হৈছে । ৭ জন মুছলমান । বাকী সকল মানে ১৭ জন ভাৰতীয় হিন্দু মানুহ । এই গোটেই বড়ো মানুহখিনিৰ লগতে স্বয়ং বিধায়কজনও বিদেশীত পৰিণত হৈছে । মাটীবিলাকৰ ম্যাদী পট্টা নোপোৱাৰ কাৰণ কি ?

শ্ৰী দেৱান জয়নাল আবেদিনঃ মাননীয় অধ্যক্ষ মহোদয়, বিদেশী বুলি উল্লেখ কৰা হৈছে কিহৰ ভিত্তিত বড়ো সকল বিদেশী বুলি কৈছে । ফৰিনাৰ ক্ষেত্ৰত কলে নহব ।

শ্ৰী জীউৰাম বড়োঃ মাননীয় অধ্যক্ষ মহোদয়, ম্যাদী পট্টা নোপোৱাৰ কাৰণে ভূমি পুত্ৰ সকলক বিদেশী কৰিব বিচাৰিছে নেকি বুলিহে কব বিচা-ৰিছো প্ৰিমিয়াম দিয়াৰ পিচতো আজিলৈকে ম্যাদী পট্টা দিয়া নহল। অসম চুক্তি এটা হৈছিল যে বিদেশী সকলক খেদিব লাগে । অসমত যিসকল বিদেশী আছে সেই সকল অসমৰ পৰাই নহয়, গোটেই ভাৰতৰ পৰাই

খেদিব লাগিব । সেইবিলাক ক্ষেত্রত আমাৰ অলপ সন্দেহ হৈছে । ১৯৪৮ চনৰ ১১ অক্টোবৰত ট্ৰাইবেল বেল্ট গঠন কৰিছিল । যি সকলে মাটি দখল কৰি আছে সেই সকলে অসম চুক্তিৰ জৰিয়তে থাকিবৰ ব্যৱস্থা কৰি দিয়া হৈছে নেকি ? অসম চুক্তিৰ কথা আমি মানি লৈছো । অসমৰ স্বাৰ্থৰ কাৰণে, দেশৰ কৰণে এইটো কৰা হৈছে। ভাৰতৰ সংবিধানৰ জৰিয়তে কৰবাত লাভালাভো কৰা হৈছে । এইখিনি কৈ মই কাঠমোচন সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰী পানীৰাম ৰাভা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ভূমিহীনৰ ক্ষেত্ৰত এটা অভিযোগ দিব বিচাৰিছো নলবাৰী বা অসমৰ বিভিন্ন ঠাই ভূমিহীনক ১-২ বিঘা মাটি দিয়াৰ ব্যৱস্থা কৰা হৈছিল । সেই সকলে মাটি নহয় বা মাটি নিদিয়ে । মাটিৰ বিনিময়ত টকা দিয়ে । সেই টকা এচ,ডি,চি অৰ্চিত মণ্ডল কাননগু আদি কৰ্ম্মচাৰী সকলে ফিফ্টি ফিফ্টি কৰি ভগাই লয়। মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ে নলবাৰী জিলাত থকা ভূমিহীন লোক সকলে মাটি পাইছে নে নাই সেই বিষয়ে অনুসন্ধান কৰিলে প্ৰকৃত তথ্য গম পাব । উক্ত কথাখিনি মই মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো ।

শ্ৰী মিশন রঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, রাজস্ব বিভাগের দাবী মঞ্জুরীর উপর যে কর্তণ প্রস্তাব এসেছে তা সমর্থন করে আমি কয়েকটি পরামর্শ দিতে চাই । স্যার, আমাদের যে সেটেল্মেণ্ট বিভাগ রয়েছে, সেটা হলো সবচেয়ে আনসেটেল্ড বিভাগ । আমরা দেখেছি যে সেটেলমেণ্ট অপারেশন অত্যন্ত জাকজমক করেই করা হয়— জমির পরিমাণ নির্ণয় করার জন্য অর্থাৎ এই অপারেশনেই ঠিক করা হয় কার জমি কতটুকু ইত্যাদি । কিন্তু এই অপারেশনের পর যে কাঁচা পাট্টা দেওয়া হয় এতে দেখা যায় রামের জমি দেখানো হচ্ছে শ্যামের নামে । যার জমি

ছিল ১ বিঘা, তার নামে দেখানো হয়েছে আধা বিঘা। এই রকম অসংখ্য ভুলভ্রান্তি থেকে যায়। যারফলে সাধারণ মানুষের কষ্টের সীমা থাকে না। টাকা পয়সা ছাড়া কোনো সুরাহা হয় না। অথচ আমরা বিশ্বাস করি যে কোনও কল্যান কামী সরকারের মানুষকে কষ্ট দেওয়ার কোনো উদ্দেশ্য থাকতে পারে না। কিন্তু সরকারী উচ্চ পর্যায়ের কমিশনারদের তরফ থেকে প্রকৃতপক্ষে কোমও ইন্সপেকশন না সরকারী উচ্চ পর্য্যায়ের কমিশনারদের তরফ থেকে প্রকৃতপক্ষে কোনও ইন্সপেকশন না হপয়ার জন্য এইসব দূর্নীতি চলছে। সাধারণ মানুষের কষ্টের লাঘব হচ্ছে না।

মহোদয়, আমরা দেখেছি সিলিং আইন পাশ করার পর জমি সিলিং'র আওতায় আনা হয়েছে কিন্তু এই সিলিং সারপ্লাস জমি যারা দখল করেছে তাদের কোনও ঠিকানা নেই। আসলে এইসব জমি অনুপ্রবেশকারীদের হাতে চলে গেছে। চা বাগানের সিলিং সারপ্লাস জমিও ঠিকনাহীন মানুষের হাতে চলে গেছে। দায়ীত্বশলি কর্মচারীদের সঙ্গে এইসব দূর্নীতির প্রত ক্ষ যোগাযোগ রয়েছে। কারন এইসব জমি এস ডি ডি সি, এ সিষ্টেন্ট সেটেলমেন্ট অফিসারদের মাধ্যমে দেওয়া হয়েছে। সুতরাং এইসব ব্যাপারে আমাদের যথেষ্ট সন্দেহ রয়েছে কারণ জমি বন্টনের সময় এইসব বিষয় অত্যন্ত সতর্কতার সঙ্গে বিবেচনা করা দরকার। কারণ কোনও কারণে যদি একজন অনুপ্রবেশকারীকে সরকারী জমি আবণ্টন দেওয়া হয় তাহলে ইল্লিগেল মাইগ্রেণ্ট ডিটারমিনেশন কোর্টে তাকে বিদেশী বলে সনাক্ত করাই অসম্ভব হয়ে উঠে ভূমিহীন প্রকৃত শবনাথীদের ভূমি দেওয়া দায়ার সুতরাং সিলিং সারপ্লাস জমি বন্টন করার আগে লোকের প্রকৃত ঠিকনা তাদের নাগরিকত্ব প্রভৃতি ভালকরে দেখা দরকার। কারণ এই সমস্ত লোককে প্রচুর জমি দেওয়া হয়েছে বলে অভিযোগ উঠেছে। আমি মন্ত্রী মহোদয়ের দৃষ্টি বিশেষ ভাবে আকর্ষণ করে বলতে চাই যে তিনি যেন করিমগঞ্জ জেলায় তদন্ত করে দেখেন যে এই রকম লোক কতজন সেখানে সিলিং সারপ্লাস

জমির আবণ্টন পেয়েছে। তারা প্রকৃত ভূমিহীন ভারতীয় নাগরিক না অনুপ্রবেশকারী তা যেন তদন্ত করে দেখা হয়। এই বলে আমি কর্তণ প্রস্তাব সমর্থণ করে আমার বক্তব্য শেষ করছি।

শ্রী ৰমেন্দ্র নাৰায়ন কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ যি খন আৰবান চিলিং এক্ট আছে সেইখন ১৯৭৬ চনতে হৈছিল, সেই এক্ট মতে আপুনি জানে খানাপাৰা কাহিলীপাৰা আৰু বেলতলা ইত্যাদি বিৰাট অঞ্চল আৰবান এৰিয়াৰ বাহিৰত ৰাখিছে কিন্তু গুৱাহাটিৰ পশ্চিম অঞ্চলত থকা গাড়ীগাও পূৰ্ব বড়াগাও ইত্যাদি অঞ্চল বিলাকত প্ৰচুৰ খেতিবাতি ইত্যাদি হৈ থাকে, তাত নিয়মীয়াকৈ ৰাইজে খেতি-বাতি কৰি আছে কিন্তু তথাপিতো সেই এৰিয়া বিলাক আউট চাইট দি অৰবান এৰিয়া কৰা হোৱা নাই। সেয়ে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে এই অঞ্চলটো আৰবনে এৰিয়াৰ পৰা মুক্ত কৰা ব্যৱস্থা লৱনে?

শ্রী আব্দুল জেলীল ৰাগিৱী ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ কৰ্তন প্ৰস্তাৱৰ সম্পৰ্কত যি বিতৰ্ক আৰম্ভ হৈছে সেই বিতৰ্ক তিনিদিন ধৰি চলি আছে আৰু মোৰ নামটো প্ৰথমতে আছিল কিন্তু তথাপিতো মই কিয় বঞ্চিত হব লগীয়া হৈছে তাৰ কাৰণ জনাবনে? মোৰ নামটোয়েই প্ৰথমতে আছিল কিন্তু প্ৰতি দিনেই মই বঞ্চিত হৈ আছো।

মাননীয় অধ্যক্ষ ঃ আগতে এখন লিষ্ট দিছিলে, নিতৌ লিষ্ট নতুন নতুন দিয়ে, গতিকে আজি যি কেইজন মাননীয় বিধায়কৰ নাম পাইছো তেওঁলোকক দিয়া হৈছে কিন্তু আপোনাৰ নামতো নাই। আগৰ লিষ্ট খনত আপোনাৰ নামতো ৪নং ত আছিলযদিও আপোনালোকৰ ফালৰ পৰা আগৰ দুজনে কলে। সদায় নতুনকৈ নাম দিব লাগে। আপুনি যদি আপত্তি কৰে তেতিয়াহলে নহব কিন্তু আপুনি যেতিয়া কব বিচাৰিছে মাত্ৰ দুইমিনিট সময় কওক।

Speech not Corrected

শ্ৰী আব্দুল জেলিল ৰাগিবী ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজহ মন্ত্ৰী মহোদয়ে ৰাজহ শিতানত ৩৩ কোটি ৫৩২ লাখ টকাৰ যিটো মঞ্জুৰি বিচাৰিছে আৰু তাৰ ওপৰত যি বিতৰ্ক এই সদনত চলি আছে, এটা কথাত আমি আনন্দ পাইছো যে আন আন বাৰৰ দৰে এইবাৰ অপ্ৰয়োজনীয় আজে-বাজে কথা এই ৰাজহৰ শিতানত আলোচনা হোৱা নাই। আমাৰ মাননীয় সদস্য সকলে ৰাজহৰ শিতানত অনেক মূল্যবান পৰামৰ্শ আগবঢ়াইছে। এই ক্ষেত্ৰত মই এটা কথা আমাৰ ৰাজহ মন্ত্ৰীক বিশেষ ভাবে অনুৰোধ কৰিব বিচাৰিছো যে আমি নিৰ্ব্বাচনৰ সময়ত সাধাৰণ ৰাইজক এটা প্ৰতিশ্ৰুতি দিছিলো আৰু মাটি বিক্ৰী কৰাৰ ক্ষেত্ৰত ৰাইজৰ পৰা অভিযোগ কৰা হৈছিল যে চৰকাৰৰ ফালৰ পৰা নিশো-ধাস্তা বা প্ৰতিবন্ধকতা আছে যে আগতে চৰকাৰৰ ফালৰ পৰা অনুমতি লব লাগে সেইটো শিথিল কৰিবলাগে। এই ক্ষেত্ৰত প্ৰতিশ্ৰুতি আছিল যে চৰকাৰৰ ফালৰ পৰা বিবেচনা কৰা হব। গতিকে মই মাননীয় ৰাজহ মন্ত্ৰীক এই ক্ষেত্ৰত এটা সমূচিত ব্যৱস্থা লবৰ বাবে অনুৰোধ জনালো। আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছো সেইটো হ'ল চৰ অঞ্চলৰ উন্নয়নৰ কথা চৰ অঞ্চলৰ উন্নয়নৰ কাৰণে বিগত চৰকাৰৰ দিনত এজন মন্ত্ৰীয়ো দিয়া হৈছিল তেখেতে ৬মাহ এই চৰ অঞ্চলৰ মন্ত্ৰীত্বত থাকি চৰ অঞ্চলৰ বিশেষ উন্নতি সাধন কৰিব নোৱাৰিলে। গতিকে মই আশা কৰো চৰকাৰৰ ফালৰ পৰা চৰ অঞ্চলত উন্নয়নৰ কাৰণে জৰীপ কাৰ্য্যকে ধৰি অঞ্চলত বসবাস কৰি অহা লোক সকলক স্থায়ী ভাবে পট্টা দিয়া, ৰাস্তা পদুলীৰ ব্যৱস্থা কৰা, চিকিৎসা শিক্ষা-দিক্ষা ইত্যাদিৰ ব্যৱস্থা কৰা ইত্যাদি যাবতীয় উন্নয়নমূলক কাম হাতত লোৱাৰ কাৰণে যেন ব্যৱস্থা গ্ৰহন কৰে। আনহাতেদি নিৰ্ব্বাচনৰ সময়ত আমি ৰাইজক প্ৰতিশ্ৰুতি দিছিলো যে যি সকল প্ৰকৃত ভূমিহীন মানুহ আছে তেওঁ-লোকক মাটি পট্টন দিয়া হব। অৱশ্যে এইটো আনন্দৰ কথা যে ৰাজহ মন্ত্ৰীয়ে ইতিমধ্যেই অসমৰ বিভিন্ন জিলা আৰু মহকুমাত ভূমিহীন

লোকক পট্টা দিয়াৰ ক্ষেত্ৰত আনুষ্ঠানিক ভাবে আৰম্ভ কৰিছেই। গতিকে মই অনুৰোধ কৰিব বিচাৰিছো যে এইযিটো ভূমিহীন লোকক মাটি পট্টন দিয়াৰ যিটো প্ৰক্ৰীয়া আনুষ্ঠানিক ভাবে আৰম্ভ কৰিছে সেইটো আগলৈ যেন চলি থাকে। এই ক্ষেত্ৰত আমি নিৰ্ব্বাচনৰ সময়ত প্ৰতিশ্ৰুতি দিছিলো যে ভূমিহীন লোকক আৰু যি সকল লোক তাত বসবাস কৰি আছে আৰু যি সকলৰ পট্টা নাই তেওঁলোকক পট্টা দিয়া হব আৰু ইতিমধ্যে পট্টা দিয়াৰ যিটো প্ৰকীয়া কোনোবা কোনোবা জিলা মহকুমাত চলি আছে সেইটো বন্ধ কৰিব নালাগে। অলপ আগতে মাননীয় সদস্য এগৰাকীয়ে কোৱাৰ দৰে গুৱাহাটিত যিটো অৱস্থা হৈ আছে সেইটো যাতে নহয় তাৰ প্ৰতি বিশেষ দৃষ্টি দিবলৈ মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। তাৰোপৰি কৰ্তন প্ৰস্তাৱ সমৰ্থন কৰি মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে যি পৰামৰ্শ আগবঢ়াইছে সেই পৰামৰ্শ সমূহ মাননীয় মন্ত্ৰী মহোদয়ে যাতে বিশেষ ভাবে বিবেচনা কৰি পৰামৰ্শ সমূহৰ ওপৰত গুৰুত্ব দিয়ে। আৰু মাননীয় বিৰোধী পক্ষৰ সদস্য সকলেও যাতে মানৱীয় দৃষ্টি ভংগীৰে এই কৰ্তন প্ৰস্তাৱ উঠাই লয়। শেষত পুনৰ ৰাজহ মন্ত্ৰীক ৰাজহৰ শিতানত হোৱা আলোচনা সমুহৰ ওপৰত বিশেষ ভাবে ধ্যান দি সেইবিলাকৰ যাবতীয় ব্যৱস্থা হাতত লবলৈ অনুৰোধ জনাই ৰাজহৰ শিতানত অনা কৰ্তন প্ৰস্তাৱটি মাননীয় বিৰোধী পক্ষ্যৰ সদস্য সকলক উঠাই লবলৈ আবেদন জনাই মই মোৰ সামৰণি মাৰিলো।

Mr. Speaker : Now Hon'ble, Revenue Minister is to reply.

শ্ৰী মুকুট শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই প্ৰথমতে যি সকল মাননীয় সদস্যই আজি তিনি দিন ধৰি ৰাজহ শিতানৰ মঞ্জুৰীৰ ওপৰত অংশ গ্ৰহণ কৰি পৰামৰ্শ আৰু গঠন মূলক সমালোচনা আগবঢ়াইছে তেখেতসকললৈ আন্তৰিক ধন্যবাদ জনাইছো। মাননীয় সদস্য শ্ৰীপাটোৱাৰী ডাঙৰীয়াই কৈছে যে তেখেতে হেনো মোক খুব ভাল পায়, কিন্তু আজি

ৰাজহ বিভাগৰ সমালোচনা কৰিবলৈ কৰিবলৈ পাই তেখেতে বেয়া পাইছে আৰু মোক কৈছে মই যেন তেখেতৰ প্ৰতি বিৰূপ ভাৱ নাৰাখো। অধ্যক্ষ মহোদয়, আপুনি জানে সংসদী গণতন্ত্ৰত শাসক দলৰ যেনেকৈ কৰ্তব্য আছে ঠিক তেনেকৈ আজি বিৰোধী দল সমুহৰো এটা কতব্য আছে। সেই কাৰণে আজি শ্ৰীপাটোৱাৰী ডাঙৰীয়াই ৰাজহৰ ওপৰত যিখিনি পৰামৰ্শ আগবঢ়াইছে, সেই পৰামৰ্শৰ কাৰণে মই তেখেতক কেতিয়াও বেয়া পাব নোৱাৰো। বৰং মই যথেষ্ট উপকৃত হৈছো। আজি তিনি দিন ধৰি ইয়াত আলোচনা হৈছে। ৰাজহ বিভাগৰ দায়িত্ব লোৱাৰ পিছত দিশপুৰৰ পৰা মই সকলো কথা নাজানিব পাৰো। কিন্তু ইয়াত বহুত কথা প্ৰকাশ পাইছে যি বিলাক হয়তো মোৰ আজি দৃষ্টি গোচৰ হৈছে, তাৰ কাৰণে মই ব্যৱস্থা লব পাৰো। এনেদৰে সমালোচনা হলে বিভাগ বিলাক সক্ৰিয় আৰু সজাগ হব। সেই কাৰণে মই ইয়াত কোনো বিৰূপ ভাৱ নাৰাখি সকলো সদস্যলৈকে মই আকৌ আন্তৰিক ধন্যবাদ জনাইছো।

অধ্যক্ষ্য মহোদয়, আপুনি জানে যে এই ৰাজহ সমস্যা এটা নতুনকৈ হোৱা সমস্যা নহয়। ই যুগ যুগ ধৰি হৈ থকা সমস্যা। পৃথিবীৰ সৃষ্টিৰ দিনৰে পৰা এই সমস্যাৰ আৰম্ভ হৈছে। যিদিনা পাটোৱাৰী ডাঙৰীয়াই উল্লেখ কৰিছে যে পৌৰাণিক কালৰে পৰা মাটিৰ প্ৰতি মানুহ মোহিত হৈ আহিছে। মই আকৌ কৈছো যে যদি কৌৰৱৰাজ দুৰ্যোধনে পাচখন গাওঁ যুধিষ্ঠিৰক দিলেহেতেন তেন্তে হয়তো কুৰুক্ষেত্ৰৰ যুদ্ধ নহলহেতেন আৰু মহাভাৰতৰ কাব্য নহলহেতেন। বিদুৰে কৌৰৱক কৈছিল পাণ্ডৱ পুত্ৰৰ কাৰণে মাত্ৰ পাঁচখন গাওঁ দিব লাগে। তেতিয়া দুৰ্যোধনে বিদুৰক কৈছিল এটা বেজীৰ মানো মাটি দিবলৈ সাজু নহয়। এইটো ভাৱ পৌৰণিক কালৰে পৰা আছে। অন্ধ্ৰ প্ৰদেশত মাটিক লৈ আন্দোলন হৈছে। সেইখিনি সময়ত কমিউনিষ্ট পাৰ্টিয়ে সহস্ৰ অন্দোলন কৰিছে আৰু বলপূৰ্ব্বক মাটি দখল কৰিছে। মহামানৱ মহাত্মা গান্ধীৰ বিশিষ্ট শিষ্য অৰ্থাৎ বিনোৱা ভাৱেই অন্ধ্ৰ প্ৰদেশৰ পৰা ভূদান আন্দোলন

কৰিছে। আজি যি সমস্যা হৈছে ই সচাকৈয়ে সমাজৰ কাৰণে আটাইতকৈ জটিল আৰু লাগতিয়াল কামশ্ৰীৰংপী, নিজামুদ্দিন খান আৰু শশকমল সন্দিকৈ ডাঙৰীয়াই কৈছে যে ভূমি সমস্যা মানুহৰ লাইফ লাইন। আজি যিমান বিলাক সমস্যা হৈছে ই মাটিৰ কাৰণে হৈছে। আপুনি নিশ্চয় জানে যে বিহাৰত ধনী ধনী মাটিগিৰী মাটিৰ মালিক বিলাকে হৰিজন সকলৰ ওপৰত অত্যাচৰ কৰিছে। ১৯৭৭ চনতযেতিয়া জনতা পাৰ্টিৰ চৰকাৰ আছিল তেতিয়া কেন্দ্ৰত বিশিষ্ট গান্ধীবাদী শ্ৰীমোৰাৰজী দেশাই প্ৰধান মন্ত্ৰী আছিল। বিহাৰৰ বিশিষ্ট সমাজবাদী নেতা শ্ৰীকৰ্পৰী ঠাকুৰ মুখ্যমন্ত্ৰী আছিল। সেই সময়ত বেলচীৰ ভিতৰুৱা গাবত ধনী মানুহ বিলাকে হৰিজন সম্প্ৰদায়ৰ লোকক অত্যাচাৰ কৰি তেওঁলোকৰ পৰা মাটি দখল কৰিছে। সেই সময়ত যি সকল লোকক পুৰি হত্যা কৰা হৈছিল সেই বেল গাৱলৈ দিল্লীৰ পৰা শ্ৰীমোৰাৰজী দেশাই, গৃহ মন্ত্ৰীৰ দায়িত্বত থকা কিষাণ নেতা চৰণ সিং আনকি সমাজবাদী নেতা কৰ্পূৰী ঠাকুৰ নগল। সেই অৱস্থাৰ বুজ লবলৈ প্ৰাক্তন মন্ত্ৰী ইন্দিৰা গান্ধী গৈছিল। ইমান দুৰ্গম-ঠাই আছিল মটৰ যাব নোৱাৰে। তেখেতে হাতীৰ পিঠিত উঠি তালৈ গৈছিল। বিহাৰত এনেদৰে আজিও দুখীয়া মানুহৰ ওপৰত অত্যাচাৰ হৈ আছে। সৌ সিদিনা গয়াত ১১ জন লোকক পুৰি হত্যা কৰা হৈছে।

Shri Zii Nath Sarma : This matter is not Connected with the State Government.

শ্ৰীযুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী): এই সমস্যাই হৈছে অশান্তি সৃষ্টি কৰাৰ মূল সমস্যা। আজি যদি বিভিন্ন প্ৰান্তৰলৈ চাও তেন্তে দেখা পাও যে সমাজৰ অশান্তিৰ মুল কাৰণটো হৈছে এই ভূমি সমস্যা। এই সমস্যাটো আমি উপলব্ধি কৰিছো। আমাৰ মুখ্য মন্ত্ৰী যেতিয়া প্ৰদেশ কংগ্ৰেছৰ সভাপতি আছিল তেতিয়া নিৰ্ব্বাচনী ইস্তাহাৰত ঘোষণা কৰিছো তিনিটা সমস্যাৰ ওপৰত গুৰুত্ব সহকাৰে কাম কৰিম। প্ৰধান কথা আছিল

অসমলৈ আইন শৃংখলা ঘুৰাই অনা, দ্বিতীয় কথা হৈছে নিবনুৱা সমস্যা সমাধান কৰা আৰু তৃতীয় কথা হৈছে ভূমি সমস্যা সমাধান কৰা। এই জটিল সমস্যা পুৰণা সমস্যা। ইয়াক ছয় মাহৰ ভিতৰত সমাধান কৰিব নোৱাৰো। তাৰ কাৰণে সময় লাগিব। কিন্তু আমি ব্যৱস্থা কৰিম আৰু কাম আৰম্ভ কৰিছো। হয়তো শেষ হওঁতে সময় লব। প্ৰথমতে গুৰুত্ব দিছো যি সকল মাটিহীন লোক সেই সকলক আমি চিলিঙৰ উদ্বৃত্ত মাটি বিতৰণ কৰিম। তাক ইতিমধ্যে আৰম্ভ কৰিছো। আপুনি জানে যে আমাৰ প্ৰধান মন্ত্ৰী শ্ৰীনৰসিংহ ৰাও দেৱে এইকথা বিলাকত যথেষ্ট গুৰুত্ব দিছে আৰু তেখেতে অক্টোবৰ মাহত অনুষ্ঠিত হোৱা মুখ্যমন্ত্ৰী সকলৰ অধিবেশনত কৈছিল যে অহা ৩১ মাৰ্চৰ ভিতৰত চিলিঙৰ পৰা যিবিলাক উদ্বৃত্ত মাটি পাইছিলো সেই মাটি আমি বিতৰণ কৰিম। মই অসমৰ ৰাজহ মন্ত্ৰী হিচাপে দেখিছো যে যিটো কামৰ দায়িত্ব প্ৰধান মন্ত্ৰী ডাঙৰীয়াই দিছিল সেই কাম এতিয়াও কৰিব পৰা নাই।

অধ্যক্ষ মহোদয়, ইয়াৰ দুটা কাৰণ আছে। প্ৰথম কাৰণটো হৈছে অসমৰ মন্ত্ৰীসভা গঠন হোৱাৰ পিচত অসমৰ আইন শৃংখলাৰ অৱস্থা, (২) বানপানী আৰু (৩) পঞ্চায়তনিৰ্ব্বাচন। অধ্যক্ষ মহোদয় আপুনি জানে যে, আমাৰ যি বিলাক ৰাজহ বিষয়া আছে সেই ৰাজহ বিষয়া সকলে ৰাজহৰ কাম কৰিবলৈ সময় নাপায়। জিলাৰ দি, চি জনেই আচলতে কলেকটৰ কিন্তু তেওঁ কাম কৰিবলৈ সময় নাপায়। আৰু যিবিলাক চাৰ্কোল অফিচাৰ আছে সেইবিলাকো ৰাজহৰ লগত সম্পূৰ্ণ জৰিত। তেওঁলোকেও সময় নাপায়। আইন শৃংখলা ৰক্ষা কৰাত ব্যস্ত থাকিব লাগে আৰু বানপানীত সাহায্য বিতৰণো কৰিব লাগে। আৰু খেতিত পোক লাগিলেও ৰাজহ বিষয়া সকলে চাব লাগে। সেইকাৰণে আমাৰ যিটো গুৰ্ক লোদ সেই হিচাবে বিষয়া সকলে কাম কৰিব নোৱাৰে। অধ্যক্ষ মহোদয়, এটা কথা ঠিক যে, আমি কাম কৰিব পৰা নাই কিন্তু অন্যান্য ৰাজ্যতো ঠিক একে অৱস্থাই হৈছে। যোৱা ১৪ মাৰ্চ তাৰিখে সৰ্ব্ব ভাৰতীয় ৰাজহ মন্ত্ৰী সকলৰ সভা হৈছিল আৰু তাত পশ্চিম বংগৰ যি গৰাকী ৰাজহ মন্ত্ৰী

শ্ৰী বিনয় ভূষণ চৌধুৰী তেখেতেও একে অৱস্থাৰ কথাকে কৈছে। আমাৰ চিলিং চাপ্লাচ লেন্দ আমি এতিয়ালৈকে সম্পূৰ্ণ ভাবে বিতৰণ কৰিব পৰা নাই। চিলিঙৰ যি মাটি আমি পাইছো সেই মাটিৰ কিছু অংশ আদালতত আছে। হাইকোৰ্টতে হওক বা ৰেভিনিউ বৰ্ডতে হওঁক বিভিন্ন আদালতত আজি যথেষ্ট সংখ্যক ৰেভিনিউ কেচ পৰি আছে। অকল অসমতে নহয়, এনে অৱস্থা পশ্চিম বংগতো হৈছে। সেই মন্ত্ৰী সভাৰ অধিবেশনত তুখন ওৱৰ্কিং গ্ৰুপ কৰি দিছিল। সৌভাগ্যবশতঃ মই আৰু পশ্চিমবঙ্গৰ ৰাজহমন্ত্ৰী আমি চিলিং চাৰপ্লাচ মাটি বিতৰণ কৰা কমিটিত আছিলো। গতিকে দেখা গৈছে যে তাতো একেই অৱস্থা। মাটি বিতৰণ কৰা প্ৰধান অন্তৰায় হৈছে বিভিন্ন ঠাইত থকা গোচৰ সম্পৰ্কত। গতিকে আমি আলোচনা কৰিছো যাতে এই গোচৰ বিলাক হাইকোৰ্টলৈ যাব নোৱাৰে তাৰ বাবে আইন সংশোধন কৰাৰ কাৰণেও চিন্তা কৰা হৈছে। কিন্তু হাইকৰ্টৰ ১২৬ত যোৱাৰ পৰা আমি বাধা দিব নোৱাৰো। আইনৰ যোগেদি গৈ চিলিঙৰ মাটিৰ বিচাৰ হাইকৰ্টত হব নোৱাৰে। তথাপিও কোনোবা এজনে হয়তো ২২৬ লৈ কেচ নিব আৰু তাৰ কাৰণে আমি অসুবিধা অনুভৱ কৰিম। সেইদিনা আমি এই সম্পৰ্কেও আলোচনা কৰিছো। কিন্তু কোনো সিদ্ধান্তলৈ আহিব পৰা নাই। আমাৰ মাননীয় সদস্য আলাউদ্দিন চাহাবেও কৈছে যে, পশ্চিমবঙ্গৰ ৰাজহ মন্ত্ৰী শ্ৰী বিনয় ভূষণ চৌধুৰীৰ কথা। তেখেতেওঁ অনুভৱ কৰিছে যে, হাইকৰ্টৰ কাৰণেই আমি গোচৰ বিলাক নিস্পত্তি কৰিব পৰা নাই। মাটি বিতৰণ কৰিব পৰা নাই। আমাৰ মন্ত্ৰীসভা গঠন কৰাৰ পিচতে আমি গুৰুত্ব দিছিলো যে যি সকল মানুহৰ পট্টা দিয়া হোৱা নাই তেওঁলোকক পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইখিনিতে মই এটা উদাহৰণ দিও যে, ১৯৫৪ চনত নগাওঁৰ কাকীত সেই সময়ৰ ৰাজহ মন্ত্ৰী স্বৰ্গীয় মতিৰাম বৰা দেৱে সেই সময়তে ৫৪ হাজাৰ বিঘা মাটি ১৪ শ পৰিয়ালৰ মাজত বিতৰণ কৰিছিল। অধ্যক্ষ মহোদয়, কিন্তু সেইসকল মানুহৰ আজি ১৯৯২ চনলৈকে সেই মাটিৰ পট্টা পোৱা নাই। মই নগাওঁ জিলাৰ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক হিচাবে মই ১৯৭৮ চনতে এম,এল,এ

হৈছিলো আৰু তাৰ আগতেও বহুবাৰ কাকী অঞ্চললৈ গৈছিলো আৰু কেইজনমান ৰাজহ মন্ত্ৰীকো লগত তালৈ লৈ গৈছিলো। তেখেতসকলক মই কৈছিলো যে, এই মানুহখিনিক পট্টা দিয়ক, মানুহখিনিৰ উপকাৰ হব । কিন্তু তেওঁ লোকে পট্টা পোৱা নাই । আমি কাৰ্য্যভাৰ গ্ৰহন কৰিয়েই ম্যাদী পট্টা দিয়াত গুৰুত্ব দিছো । একেবাৰে ম্যাদী পট্টা দিয়াৰ ব্যৱস্থা কৰা হৈছে । আজি অসমৰ বিভিন্ন প্ৰান্তত এই ধৰণে দখল কৰি আছে আৰু তাৰ বাবে তৌজীবাহী খাজনা দি আছে। অধ্যক্ষ মহোদয়, তৌজী খাজনা হব নালাগে কাৰণ জোৰ জবৰ কৰি চৰকাৰী মাটি দখল কৰি মণ্ডল কাননগোক ধৰি তৌজী খাজনা দি আছে । সেইকাৰণে আমি সিদ্ধান্ত গ্ৰহন কৰিছো যে, এইটো তৌজী খাজনা নকৈ তৌজী জৰিমনা বুলি কম । ইয়াৰ দ্বাৰা বিভিন্ন জিলা উপায়ুক্ত সকলক নিৰ্দ্দেশ দিয়া হৈছে যে, আগতে যিসকল মানুহে মাটি পাইছে তেওঁলোকৰ ব্যৱস্থা কৰিব লাগে । নতুনকৈ তৌজী খাজনা নলৈ সেই মানুহ সকলক অন্ততঃ চৰকাকী মাটিত যাতে দখল লব নোৱাৰে তাৰ বাবে আমি ব্যৱস্থা লম আৰু সেইটো বন্ধ কৰিম । বহুতো মাননীয় সদস্যই পৰামৰ্শ দিছে যে, বিশেষকৈ ট্ৰাইবেল বেল্টৰ ক্ষেত্ৰত কৈছে যে, মাননীয় সদস্য পৰমেশ্বৰ ব্ৰহ্ম ডাঙৰীয়াই কৈছে, তেখেত আজি সদনত নাই । ডাঃ কমলা কলিতা দেৱেও কৈছে, গতিকে আমি ট্ৰাইবেল বেল্টৰ কথা নিশ্চয় চিন্তা কৰিম । আমাৰ মন্ত্ৰী সভা জুলাই মাহৰ ১ তাৰিখে গঠন কৰা হৈছিল আৰু আগষ্ট মাহৰ ৫ তাৰিখে আমি গোটেই অসমৰ জিলাৰ দি, চি সকলক নিৰ্দ্দেশ দিছো যে, ট্ৰাইবেল বেলটৰ চেপ্তাৰ ১০ত যিবিলাক বেদখলকাৰী আছে সেই সকলক উচ্ছেদ কৰাৰ ব্যৱস্থা গ্ৰহন কৰিব লাগে । ইতিমধ্যে চেপ্তাৰ ১০ত যিবিলাক এচ,দি,চি আছে তেওঁলোককো ইয়ালৈ মাতি আনি নিৰ্দ্দেশ দিয়া হৈছে তেওঁলোকে যাতে চিনচিয়াৰলি ব্যৱস্থা গ্ৰহন কৰে । অলপতে জিলা দি, চি সকলক দিচপুৰলৈ মাতি আনি নিৰ্দ্দেশ দিছো যে. অতি সোন-কালে চিলিংৰ পৰা যিখিনি মাটি পোৱা হৈছে সেইখিনি মাটি বিতৰণ কৰিব লাগে । এই সিদ্ধান্ত আমি গ্ৰহণ কৰিছো । অধ্যক্ষ মহোদয়

আমি চিনচিয়াৰলি কাম কৰিম আমি দেখিছো যি সকল মাটি হীন মানুহ আছে থাকিবলৈ ঘৰ নাই সেই সকল লোকক প্ৰথমে মাটি দিয়াৰ বাবে ব্যৱস্থা গ্ৰহন কৰিছো । অধ্যক্ষ মহোদয়, তাৰ পিচত আমি পট্টা দিয়াৰ ব্যৱস্থাৰ অলপ পৰিবৰ্ত্তন কৰিব বিচাৰিছো । আজি আমি ম্যাদী পট্টা বুলিলে এখন হালধীয়া উৱলি যোৱা কাগজ বুলি বুজি পাওঁ । সেইখন কাগজেই পট্টা । আজি খাজনা দিয়াৰ সময়ত পট্টাখন ব্যৱহাৰ কৰে । অধ্যক্ষ মহোদয়, আপুনি জানে যে, যোৱা ২ অক্টোবৰ তাৰিখে এটা নতুন পদ্ধতি কৰিছো যত কোৱা হৈছে যে, পট্টা পাছ বুক কৰা হব আৰু এই পাছবুক বেংকৰ পাছবুকৰ দৰে হব । আজি মই স্পেচিমেনটো আনিবলৈ নহল বিশেষকৈ মাননীয় সদস্য জয়নাথ শৰ্ম্মা দেৱক দেখুৱাৰ উদ্দেশ্য আছিল পট্টা পাছবুকৰ যিটো উদ্দেশ্য সেইটো হৈছে, এই পাছবুকত মাটিৰ যিটো সমীক্ষা, যিটো চিঠাৰ কপি এইটো সম্পূৰ্ন ভাবে এই পট্টা পাছবুকত পাব । এইটো সেইকাৰণে কৰা হৈছে । আজি আমাৰ মাননীয় সদস্যই পৰিয়াল পৰিকল্পনাৰ কথা কৈছে ।

শ্ৰী জয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, এই পট্টা পাছবুক কৰোতে কিমান টকা খৰচ হব ? মই ভাবো মাননীয় হিৰন্য বৰা দেৱৰ এই পট্টা পাছবুক চপোৱাৰ লাভ জৰিত আছে বুলি মোৰ সন্দেহ হৈছে ।

শ্ৰী মুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, হালধীয়া চকুৰে চালে হালধীয়াই দেখিব ।

শ্ৰী জয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, জনদিচ বেমাৰীয়ে চাৰিওফালে জনদিচ হোৱাকে দেখে ।

শ্ৰী গিয়াছউদ্দিন আহমেদ : অধ্যক্ষ মহোদয়, এনেকৈ যদি হাউচ চলে তেনেহলে কেনেকৈ হব ?

শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য দিলীপ শইকীয়া দেৱে কৈছে যে, আজি আমাৰ জনসংখ্যা বৃদ্ধি হৈছে কিন্তু মাটি বৃদ্ধি হোৱা নাই। এতিয়া আমি চিন্তা কৰিব লাগিব যে, এডোখৰ মাটিতে কেনেকৈ কৃষকে ২/৩ টাকৈ কিৰ খেতি কৰিব পাৰে । সেই কাৰণে আমি চিন্তা কৰিছো । অধ্যক্ষ মহোদয়, আজি আমি মাটিক সম্পত্তি বুলি নাভাবি, উৎপাদনৰ আহিলা বুলিহে ভাবিব । সেইকাৰণে মাটিক উৎ-পাদনৰ আহিলা হিচাবে ব্যৱহাৰ কৰিব লাগে ।

মাননীয় অধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰী ডাঙৰীয়াই মোক প্ৰায়ে কৈ থাকে যিবিলাক মাটি এনেয়ে থাকে সেই বিলাক মাটিত উৎপাদন বৃদ্ধি কৰিব লাগে আমাৰ নগাওঁত, মৰাপাট আহু, শালি, সৰিয়হ আদি সকলো খেতি কৰা হয়। কিন্তু উজনি অসমত আমাৰ গগৈ ডাঙৰীয়াৰ ফালে মাটি কিন্তু তেনেদৰে ব্যৱহাৰ কৰা নাই। মাটি যিসকলে উৎপাদনৰ আহিলা হিচাপে ব্যৱহাৰ নকৰে যি উদ্দেশ্যত মাটি দিয়া সেই উদ্দেশ্যৰে ব্যৱহাৰ নকৰে তেতিয়া হলে এইটো ছোছিয়েল ক্ৰাইম হিচাপে লব লাগে। আমি চিন্তা কৰিছো দুখীয়া কৃষক সকলে কেনেকৈ একে দৰা মাটিত সৰহ শস্য উৎপাদন কৰিব পাৰে অধ্যক্ষ মহোদয়, আপুনি বেংকৰ ঋণৰ বিষয়ে জানে। কিন্তু এজন দুখীয়া মানুহ বেংকৰ পৰা ঋণ লবলৈ যাওঁতে প্ৰথমে তেওঁৰ প্ৰয়োজন হয় এছ দি চি অফিচৰ পৰা লব লগীয়া মাটিৰ জমা বন্দীৰ এটা নকল। এই নকলটো উলিয়াওতে কিমান অসুবিধাৰ সন্মুখীন হয় সেইটো মই নিজেও বুজিছো বুজিছো কেইবাজনো মাননীয় সদস্যই এই বিষয়ে আলোচনাও কৰিছে। কিন্তু এইটো ঠিক যে তালৈ গলে যিটো কষ্ট পাব লাগে সেইটোৰ কাৰণেই আমি নতুন পদ্ধতি কৰিছো-মাটিৰ পট্টাৰ পাচবুক দিয়াৰ ব্যৱস্থা। এই পাছবুকখন পালে কৃষক জনে পোনে পোনে নোনে বেংকলৈ যাব পাৰিব। এচ, ডি, চি অফিচৰ জামেলাত নোসোমোৱাকৈ পোনে পোনে বেংকৰ পৰা ঋণ লব পাৰিব। আমি প্ৰথমতে যোৱা ২ অক্টোধৰত এই পাছবুক দিয়াৰ ব্যৱস্থা পৰীক্ষামূলক ভাবে গুৱাহাটী মহকুমাৰ ৫টা

চাৰ্কোলত দিয়াৰ কাৰণে ব্যৱস্থা হাতত লৈছো। ইয়াত এই ব্যৱস্থাই সফলতা লাফ কৰিলে অসমৰ সকলো ঠাইতে ইয়াক সম্প্ৰসাৰণ কৰিম। আমাৰ উদ্দেশ্য হৈছে যাতে দুখীয়া কৃষক সকলে যাতে সহজতে চৰকাৰ তথা অন্যান্য প্ৰতিষ্ঠানে আগবঢ়োৱা সা-সুবিধা খিনি পাব পাৰে। অধ্যক্ষ মহোদয়, কেইবাজনো বক্তাই নামজাৰিৰ অসুবিধাৰ কথা কৈছে। এই বিষয়ে শ্ৰীবদন বৰুৱা ডাঙৰীয়াইও চোকা ভাষাতে সমালোচনা কৰিছিল, তেখেতে এতিয়া হাউচত নাই। মাননীয় সদস্য শ্ৰীডেকাই কৈছিল যে তেখেতৰ দেউতাকে মাটিৰ নামজাৰিৰ ক্ষেত্ৰতে এছ ডি চি অফিচত বহুত অসুবিধা ভোগ কৰিবলগা হৈছিল। ৰাজহ আদালত সম্পৰ্কত শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াই এযাৰ কথা কৈছে যে পূৰণা মদ নতুন বটলত ভৰোৱাৰ দৰে হৈছে। আচলতে এই ব্যৱস্থাটো নতুন নহয় পুৰণাই। আগতে জাৰকালি মণ্ডল, কাননগু, এচ, ডি, চি গৈ ফিল্ড মিউটেচন কৰিছিল। আজিৰ নতুন চাম মানুহে এইটো কথা বুজি নেপায় আৰু দেখাও নাই পূৰণা চামে জানে।

শ্ৰীজয়নাথ শৰ্ম্মা : আপুনি পুৰণি নে নতুন ?

শ্ৰীমূকুট শৰ্ম্মা মন্ত্ৰী : মই মাজতে। এইটো আমি নতুনকৈ কৰা নাই। আমি নামহে বদলাইছো। আমাৰ জিলা পৰ্য্যায়ত ৰাজহ আদালত কৰাৰ লগে লগে বহুতো ৰাইজ তাত গোট খায়-মণ্ডল, কাননগু, এচ, ডি, চি, কলেক্টৰ আদি বিষয়া সকলো গোট খায়। এচ, ডি, চিয়ে কালেক্টৰ হিচাবে কাম কৰে ৰাজহ আদালতত। ইতিমধ্যে অসমৰ বিভিন্ন অঞ্চলত এই ৰাজহ আদালত অনুস্থিত কৰা হৈছে। যোৱা কালি সৰ্থেবাৰীত কৰা হৈছে-শ্ৰীনিজামমুদ্দিন খানৰ সমষ্টিত। কিন্তু খবৰ দিয়া স্বত্বেও শ্ৰীখান চাহেব তালৈ নগল। (ভয়চ-খবৰ দিয়া নাই)। ডি, চিক বাৰে বাৰে শ্ৰীনিজামুদ্দিন চাহাবক খবৰ দিবলৈ কোৱা হৈছিল। সাৰ্থেবাৰীৰ ৰাজহ আদালতত মাননীয় শিক্ষামন্ত্ৰীও উপস্থিত আছিল। সাৰ্থেবাৰীৰ ৰাজহ আদালতত সৰ্ব্বমুঠ ৩১৭২ টা নামজাৰী কৰা হৈছে আৰু তাত ৰাজহ আদায় হৈছে ৮১ হেজাৰ টকা।

শ্ৰীনিজামুদ্দিন খান : অধ্যক্ষ মহোদয়, একেদিনাই ৩ হেজাৰ নামজাৰি কৰিলে সেইটো চি, পি, এম দলৰ সমষ্টি কাৰণেই নেকি ?

শ্ৰীমুকুট শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এইটো নহয়। মই সংসদীয় গণতন্ত্ৰক বিশ্বাস কৰো। আমি বিৰোধী আৰু শাসক দল একেলগে কাম কৰিলেহে গণতন্ত্ৰ ৰক্ষা হব।

অধ্যক্ষ মহোদয়, ইয়াৰ আগতে ৰিডিয়া ও তুলসী বাৰীত ৰাজহ আদালত পতা হৈছিল, শ্ৰী থানেশ্বৰ বড়ো ডাঙৰীয়াৰ সমষ্টিত, তেতিয়া এজন মানুহে মোক কৈছিল— মোৰ দেউতাৰ মৃত্যু হোৱা আজি ১৫ বছৰ হ'ল। মই যোৱা ১০ বছৰে এচ, ডি, চি অফিচৰ মণ্ডল, কাননগুৰ, পিচে পিচে ঘূৰি ফুৰিছো— মোৰ নামত মাটি নামজাৰি কৰিবৰ কাৰণে— কিন্তু কৰিব পৰা নাই। যোৱা ৩ দিন মণ্ডল, কাননগু মোৰ পিচে পিচে ঘূৰি ফুৰিছে - মোৰ মাটি নামজাৰি কৰিবৰ কাৰণে, মন্ত্ৰীও আহিব বোলে। অধ্যক্ষ মহোদয়, এতিয়া আমি প্ৰশাসনক ৰাইজৰ কাষলৈ চপাই নিছো, এতিয়া মণ্ডল, কাননগু ৰাইজৰ পিচে পিচে থাকিব, ৰাইজৰ লগত থাকিব।

মাননীয় অধ্যক্ষ মহোদয়, আৰু কেইটামান পৰাহৰ্শ আহিছে— শ্ৰী বদন বৰুৱাৰ পৰা, তেখেত এতিয়া নাই। আমাৰ কেন্দ্ৰীয় চৰকাৰে আমাৰ প্ৰধান মন্ত্ৰীয়ে কেইটামান কাম খৰটকীয়া ভাবে কৰিবলৈ পৰামৰ্শ দিছে— চিলিং চাৰপ্লাচ লেণ্ড বিতৰণ আৰু ৰাজহ সংক্ৰান্তৰ নথিপত্ৰ সমূহ ঠিক ঠাক কৰিব লাগে।

শ্ৰী জয় নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, প্ৰধান মন্ত্ৰীয়ে মন্ত্ৰীসভা সৰু কৰাৰ কাৰণেও পৰামৰ্শ দিছে।

শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সেইটো মুখ্য মন্ত্ৰীৰ কথা, মই তলৰ এজন মন্ত্ৰী মাত্ৰ, এই বিষয়ে একো কব নোৱাৰো। আমাৰ 'ৰেকৰ্ড

অব ৰাইটচ'বোৰ ঠিক কৰিব লাগে। আজি ধনী মানুহৰ কাৰণে মাটিৰ পট্টা আছেনে নাই সেইটো ডাঙৰ কথা নহয় কিন্তু এজন দুখীয়া মানুহৰ কাৰণে এই পট্টাখনৰ মূল্য বহুত। কিয়নো তেওঁক কোনোবাই ধমকি দি উচ্ছেদ কৰিব পাৰে। সেই কাৰণে আমাৰ প্ৰধানমন্ত্ৰীয়ে মাটিৰ ৰেকৰ্ড অব ৰাইটচ' সোনকালে ঠিক ঠাক কৰিব লাগে বুলি পৰামৰ্শ দিছে আৰু এই ব্যৱস্থাটো আধুনিকীকৰণৰ ব্যৱস্থা হাতত লব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, এই কাৰণেই কেন্দ্ৰই আমাক ২৫ লাখ টকা দিছে। এই কম্পিউটাৰৰ ব্যৱস্থাটো কৰিব লাগে। এই কম্পিউটাৰ চেণ্টাৰৰ জৰিয়তে নিশ্চয় সুচল হব। অৱশ্যে কম্পিউটাৰেও কেতিয়াবা ভুল কয়। একবিংশ শতিকাৰ কথা ভাৱিবলৈ হলে আমি মডাৰন চাইন্সৰ কথা ভাৱিব লাগিব। চিথা বহীৰ কথা ভাবিবলৈ গলে এচ, ডি, চি অফিচৰ মণ্ডলে ৰাবৰেৰে মুচি মুচি ফটাই দিয়া কোনো মতে জাপ নোখোৱা পূৰণা লেতেৰা বহি খনৰ কথা কব লাগিব। সেই ক্ষেত্ৰত ৰেকৰ্ড অব ৰাইটটো কম্পিউটাৰে সুন্দৰকৈ কৰিব পাৰিব। এই ক্ষেত্ৰত ৰাইজ যথেষ্ট উপকৃত হব। মই নিজেও পৰীক্ষা কৰি চাটছো। অৱশ্যে এইটো ঠিক টেকনিকেল মানুহৰ কিছু অভাৱ আছে। ট্ৰেইনিং দিয়া বহুতো মানুহ লাগিব। এই ক্ষেত্ৰত আমট্ৰোনে আমাক কিছু সহায় কৰিছে যদিও স্থানীয় কিছু লোকক ট্ৰেইনিং দিয়াই ডেপুটি কমিচনাৰৰ কাৰ্য্যালয় সমূহত কম্পিউটাৰৰ বহুৱাৰ চেষ্টা কৰিছো। এইখিনি আমি হাতত লৈছো। আমি এইখিনি অনুভৱ কৰিছো যে দুখীয়া ৰাইজক সাহাৰ্য্য দিব নোৱাৰিলে ৰাজহ বিভাগৰ দায়িত্বত থকাটো কোনো প্ৰয়োজন নাই। আমাৰ মাননীয় সদস্য ডাঙৰীয়াই চৰৰ কথা কৈছে। তেখেতে চৰ অঞ্চলৰ দেৱানী সকলৰ কথা কৈছে। চৰ অঞ্চল সমূহৰ বাবে আমি ব্যৱস্থা হাতত লৈছো। এই অঞ্চল সমূহৰ যিটো অৱস্থা আমি উপলব্ধি কৰিছো। ইতিমধ্যে খুজলমুৰা, ভাঙনমুৰা আদি চৰ অঞ্চলত জৰীপ আৰম্ভ কৰা হৈছে। সচাকৈ তেওঁলোকৰ অৱস্থা অতি দুখ লগা। এটা শ্ৰেনীৰ মানুহে যেনেকৈ তেওঁলোকক শোষন কৰিছে আৰু অত্যাচাৰ কৰিছে, অধ্যক্ষ মহোদয় আগৰ ৰজা মহাৰজা সকলেও

হয়তো সেইদৰে অত্যাচাৰ কৰা নাই। সেই কাৰণেই আমি তেওঁলোকৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছো । এই অঞ্চল সমূহত যোৱা ১৪ নবেম্বৰৰ পৰা জৰীপ আৰম্ভ কৰা হৈছে । তাৰোপৰি গোটেই অসমৰে চৰ অঞ্চল সমূহৰ জৰীপ কৰি যিসকলৰ ওপৰত এটা শ্ৰেণীয়ে সদায়ে শোষন আৰু অত্যাচাৰ কৰি আহিছে সেই সকল লোকক মাটি পট্টণ দিয়াৰ ব্যৱস্থা কৰিম । মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে ইতি-মধ্যে বহুতো কথা কৈছে। মাননীয় সদস্য সকলে যিমান বিলাক কথা কৈছে আজি তিনি দিনে মই প্ৰায় কনফিউজ্ হৈ গৈছো । কিছুমান নোট কৰিব পাৰিছো আৰু কিছুমান পৰা নাই । কিন্তু এইটো ঠিক যে দুখীয়া ৰাইজক উপকৃত কৰিবলৈ আমাৰ ফালৰ পৰা আমি চেষ্টাৰ ক্ৰুটি কৰা নাই । মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই আমাৰ যি খন ৰাজহ আইন, যি আইনৰ ওপৰত ভিত্তি কৰি আমি ৰাজহ বিভাগ চলাই আছো সেই আইনৰ ৰিপিল কৰাৰ কথা কৈছে । অৱশ্যে এই আইন খন ১৮৮৬ চনতে কৰা আইন খন লৈ আমি ১৯৯১ চনতো কাম কৰি আছো। আমাৰ যি খন টেনেনচি এক্ট আছে সেই খনৰো সংশোধনী অনাৰ কথা কৈছে । এই গোটেইবিলাক আইন পৰীক্ষা কৰিবলৈ আমি এখন ৰিফৰম কমিচন গঠন কৰিছো । তাত সফাপতি হিচাবে আমাৰ অসমৰ উচ্চতম ন্যায়লয়ৰ ন্যায়ধীশ শ্ৰী খগেন শইকীয়া । আন সদস্য সকল হ'ল, ৰাজহ আয়ুক্ত শ্ৰী দীলিপ গঙ্গোপাধ্যায়, আইন মহাবিদ্যালয়ৰ অধীক্ষক শ্ৰী আফতাব হুছেইন এই কমিচনে খনে সকলো খিনি পৰীক্ষা নিৰিক্ষা কৰিব । ইয়াৰ ওপৰিও ৰিলিফ মেনুৱেলৰ যিটো কথা কৈছে, সেইটো হৈছে এই ৰিলিফ মেনুৱেলৰ যিখিনি সা-সুবিধা এই আটাইখিনি বা ইয়াৰ যথেষ্ট খিনি কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা নৰ্মচ ধৰি দিয়া হৈছে। সেই দিনা প্ৰশ্নোত্তৰ কালত যিটো ৰিলিফ মেনুৱেলৰ প্ৰসংঙ্গ ওলাইছিল তাৰ পাচতেই মই সেই সকলো খিনি কথাৰ ব্যৱস্থা লবলৈ বুলি কেন্দ্ৰিয় চৰকাৰৰ ওচৰত অনুৰোধ জনাইছো । যোৱা বানপানীত যিমান খিনি

সাহাৰ্য্য বিতৰণ কৰিছো, অৱশ্যে এইটো ঠিক সাহাৰ্য্য বিতৰণত কিছু ভূল হৈছে –

Shri Joii Nath Sarma : Relie is at State Sebject. We can take administrative action.

শ্ৰী মূকুট শৰ্ম্মা ( মন্ত্ৰী ) : ৰিলিফৰ ব্যৱস্থা কৰিবৰ কাৰণে নৱম বিত্ত আয়োগৰ ব্যৱস্থা দিছে। তেওঁলোকে ৩০ কোটি টকাৰ ফাণ্ড দিছিল। ১৯৮৩ চনত। কেন্দ্ৰৰ পৰা এস্ক পাৰ্ট কমিটি পঠাই সকলো পৰিক্ষা কৰি টকা দিয়ে। তেওঁলোকে ১৯৮৫/৮৬, ৮৫ কোটি টকা দিছিল। কিন্তু ৩০ কোটিৰ ভিতৰত এই বাৰৰ বিতৰণ সকলো ব্যৱস্থা থাকিব লাগিব।

শ্ৰীজয়নাথ শৰ্ম্মা : কেন্দ্ৰৰ পৰা আপোনালোকে টকা আনিব পাৰিব লাগিছিল। আনিব নোৱাৰাটো আপোনালোকৰ ডিচক্ৰেডিট।

শ্ৰীঅতুল বৰা : এ, জি, পিৰ দিনত হলেও কিন্তু কমিটিৰ সভাপতি কংগ্ৰেছৰ মানুহেই আছিল।

শ্ৰী হিতেশ্বৰ শইকীয়া ( মূখ্য মন্ত্ৰী ) : নৱম বিত্তীয় আয়োগৰ নিশ্চয় কৰি দিছে।

শ্ৰীজয়নাথ শৰ্ম্মা : তেতিয়া তাত কংগ্ৰেছ দলৰে লোক আছিল।

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) : নেচাৰেল কেলামেটিজৰ যিটো কথা আছে সেইটো ৩০ কোটিৰ ভিতৰতে বানপানীৰ সাহায্য'কে ধৰি সকলো কৰিব লাগিব। অলপতে মৰিগাওঁত এক কোটিৰো অধিক টকা দিছো। মানীয় অধ্যক্ষ, মহোদয়, কেইজনমান মাননীয় সদস্যই বানপানী ৰোধ কৰাত অৰ্থাৎ ব্ৰহ্মপুত্ৰ ৰোধ কৰাৰ বাবে যথেষ্ট গুৰুত্ব দিছে। তেখেত সকলে কৈছে বানপানী নিয়ন্ত্ৰন কৰিব নোৱাৰিলে সাহাৰ্য্য দি থাকিব লাগিব।

তেওঁলোকৰ উত্তৰত মই কৈছো, ৩০ কোটি টকাৰ ভিতৰৰ পৰা ৪ কোটি ৯৫ লাখ টকা ইতিমধ্যে বাননিয়ন্ত্ৰণৰ বাবে ইতিমধ্যে দিছো। ইয়াৰ দ্বাৰা লাহৰিঘাটৰ যিটো অৱস্থা হৈছে তাৰ এটা ব্যৱস্থা গ্ৰহণ কৰিব পাৰিম। আজি তিনি দিনৰ আগতে আমি বানপানী সাহার্য্য দিব লগা হৈছে। টিনচুকীয়াৰ দিহিং নৈৰ বানপানীয়ে চাচোৰনীৰ লোকক ইভাকুৱেট কৰিব লগা অৱস্থা কৰিছে। আমি অতি সোনকালে ইভাকুৱেট কৰিবলৈ কৈছো। এই ফেব্ৰুৱাৰী মাহতে আমি বানপানীৰ সাহায্য দিব লগা হৈছে। আমি বানপানীৰ সাহার্য্যত ৰাজনীতি কৰা নাই মানুহক সহায়হে কৰিছো।

অধ্যক্ষ মহোদয়, ঠিক তেনেকৈ মাটি সম্পৰ্কে যদি কোনোবাই কিবা কয় আমি নিশ্চয় গ্ৰহণ কৰিম। মাননীয় সদস্য শ্ৰী অতুল বৰা ডাঙৰীয়াই যোৱাবাৰ বিধান সভাত গুৱাহাটী চহৰৰ কথা খিনি কৈছিল। আমি ভাল পাইছো। গুৱাহাটী চহৰত যে পানীৰ ষ্টোৰেজ নাই সেইটো ঠিক। হেঙ্গেৰাবাৰীত থকা খিনি যদি দি দিয়া হয় তেতিয়াহলে মানুহ থাকিবলৈ ঠাই নাথাকিব। জু ৰোডৰ নিচিনা অৱস্থা হব। সকলো সদস্যৰে উপদেশ আমি মানি চলিবলৈ চেষ্টা কৰিছো এই কাৰণেই যে ইয়াৰ দ্বাৰা আমি বহুখিনি উপকৃত হব পাৰিম। মাননীয় সদস্য শ্ৰীদিলীপ শইকীয়া ডাঙৰীয়াই এটা ভাল কথা কৈছে। আমি মানিবলৈ চেষ্টা কৰিম। তেখেতে কৈছিল যে মাটি বাটি যাব নোৱাৰে মানুহ বা জনসংখ্যাহে বাঢ়ি যায়। সেই কাৰণে জনসংখ্যা ৰোধ কৰিবৰ কাৰণে চীন দেশৰ নিচিনা এহাল দম্পতিৰ এটাসন্তান পদ্ধতি আমাৰ ইয়াতো কৰিব লাগে। অধ্যক্ষ মহোদয়, ট্ৰেজাৰি বেঞ্চৰ যি সকল লোক সেই সকলৰ সময় পাৰ হৈ গৈছে। এতিয়া আৰু ওজা ডাঙৰীয়াক কোৱাৰ লাভ নাই কিয়নো তেখেতৰ নাতি আছে। স্বাস্থ্য বিভাগৰ মন্ত্ৰীৰ কথাও কৈ লাভ নাই কিয়নো সময় পাৰ হৈছে। অৱশ্যে কেইটা

নাজানিলো। অৱশ্যে ৰাজ্যিক স্বাস্থ্য বিভাগৰ মন্ত্ৰীয়ে এতিয়াও বিয়া কৰোৱা নাই। তেখেতে নিশ্চয় এইটো মানি চলিব। আমি লগতে আশা ৰাখিছো যে যিহেতু এইটো বিৰোধী পক্ষৰ পৰা আহিছে আৰু যিহেতু বিৰোধী পক্ষৰ প্ৰায় বিলাকেই ডেকা ল'ৰা তেওঁলোকে এইটো চেষ্টা ৰাখিব। মই দিলীপ শইকীয়াৰ কথাও নাজানো অৱশ্যে তেওঁৰ পৰিবাৰ মোৰ ভনীৰ নিচিনা। তেওঁ নিশ্চয় এইটো কথা মানি চলিব। আৰু জয়নাথ শৰ্ম্মাৰ কথাও নাজানো কিন্তু গম পাইছো তেখেতৰ হেনো দুটা। তাৰ মানে পৰামৰ্শটো মানি চলা নাই। প্ৰাক্তন মুখ্য-মন্ত্ৰী প্ৰফুল্ল মহন্তৰ দুটা। অৰ্থাত্ তেখেতৰো বান্ধি দিয়া চিলিঙতকৈ বেছি। আমাৰ অতুল বৰা ড্যাঙৰীয়াৰ কেইটা মই নাজানো, চন্দ্ৰ মোহনপাটোৱাৰী ডাঙৰীয়াৰো কেইটা নাজানো কিন্তু তেখেতেও এইটো চিলিং মানি চলিব বুলি আশা কৰিছো।

(আপোনাৰ কেইটা, ভইচঃ)

মোৰ দুটা, আমাৰ মুখ্যমন্ত্ৰী তিনিটা।

ডাঃ কমলা কলিতা ঃ আপোনাৰ প্ৰশ্নত কি চিলিং দিব ?

শ্ৰীমুকুট শৰ্ম্মা (ৰাজহমন্ত্ৰী) ঃ এই কথা মানিবলৈ বিৰোধী পক্ষৰ লোকসকলে বেছি আগভাগ লব লাগিব। এই পৰামৰ্শটো আচলতে সঁচা। আমি চিৰিয়াচলি লব লাগে। কিয়নো এইটো জটিল সমস্যা। জন্ম-নিয়ন্ত্ৰণ কৰিব লাগিব। যদিও মই ধেমালি ভাবে কৈছো আচলতে এইটো অতি গুৰুত্বপূৰ্ণ কথা। ইয়াৰ আগতে আমাৰ মাননীয়া প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে এই কথাটো উপলব্ধি কৰি জৰুৰীকালীন অৱস্থাত গুৰুত্ব দিছিল। অধ্যক্ষ মহোদয়, নাজবন্দীৰ কাৰণে আমি কংগ্ৰেছ দলে ১৯৭৭ চনত নিৰ্ব্বাচনত পৰাজয় বৰণ কৰিছিলো। এইটো ৰাজনৈতিক ভাবে পৰিয়াল পৰিকল্পনাৰ কথাটো লোৱা কাৰণে চেষ্টা চলাইছিল। সেয়েহে কৈছো অধ্যক্ষ মহোদয়, মাননীয় সদস্য দিলীপ শইকীয়া ডাঙৰীয়াই যিটো পৰামৰ্শ আগবঢ়াইছে সেইটো ৰক্ষাকৰাৰ কাৰণে শাসক দল আৰু বিৰোধী দলৰ সকলো সদস্যই চেষ্টা কৰিব লাগিব আৰু

তাৰ কাৰণে পৰিবেশৰ সৃষ্টি কৰিব লাগিব। তাৰ দ্বাৰা ৰাইজৰ মাজত সজাগতা আনিব পাগিব। আমি জানো যি সকল শিক্ষিত লোক সেই সকলক কোৱাৰ কথা নাই। কিয়নো তেওঁলোক চফিষ্টিকেটে আৰু তেওঁলোলেকে নিজে নিজেই কৰে। মই আগেয়ে কৈছো মোৰ দুটা আৰু মূখ্যমন্ত্ৰীৰ তিনিটা।

( ভইচ ঃ অধ্যক্ষ মহোদয়ৰ ? )

অধ্যক্ষ মহোদয়ৰ দুটা। উপাধ্যক্ষ মহোদয়ৰ এটা। নৰ্মচ্ মানি লৈছে আৰু সেই কাৰণে দিল্লীত ৰাখি পঢ়াব পাৰিছে।

শ্ৰী জয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰধান মন্ত্ৰীৰ ১১টা নেকি ঃ

শ্ৰী চন্দ্ৰমোহন পাটাৱাৰী ঃ— অধ্যক্ষ মহোদয়, কাৰ কেইটা বাচ্চা হ'ল সেইটো হিচাব ৰাখিছে কিন্তু ৰাজহমন্ত্ৰী ডাঙৰীয়াই অসমৰ মাটিৰ হিচাব ৰাখিছে নে নাই ?

শ্ৰী মুকুট শৰ্ম্মা (ৰাজহমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই মাটিৰ হিচাব দি আছো। সেই কাৰণে কৈছো যে মাটি বাঢ়ি যাব নোৱাৰে অথচ মানুহ বাঢ়ি যায় এই পৰামৰ্শ দিলীপ শইকীয়াই আগবঢ়াইছে এইটো বৰ ভাল হৈছে। মাটি যদি বাঢ়ি যাব নোৱাৰে তেনেহলে জনসংখ্যাও বাঢ়িবলৈ দিব নালাগে। সেই কাৰণে মাটিৰ লগত জন্মনিয়ন্ত্ৰণ অঙ্গাঙ্গী কথা। সেই কাৰণে অধ্যক্ষ মহোদয়, মই ভাবো ইয়াৰ কাৰণে এটা পৰিবেশ সৃষ্টি কৰিব লাগিব। মই আৰু দীঘলীয়া কৰিব খোজা নাই। কেইটমান প্ৰশ্নৰ কথা কব খুজিছো। আই আই টি অস্পৰ্কত যি কথা কৈছে সেই ক্ষেত্ৰত বহুত কথা জানিব পাৰিছো। কিন্তু তাৰ কাৰণে পৰামৰ্শ ওৱেল কাম কৰিছো। আই আই টি ৰাষ্ট্ৰপতি শাষণৰ কথা। মাটি বিতৰণ কৰাত খেলিমেলি প্ৰকাশ কৰিছে জয়নাথ শৰ্ম্মা ডাঙৰীয়াই আৰু হিতেশ ডেকা ডাঙৰীয়াই। এই গোটেই কথাখিনি পৰীক্ষা কৰিবৰ কাৰণে আমি

ইতিমধ্যে আমাৰ বিভাগৰ কমিশ্বনাৰ শ্ৰী দিলীপ গঙ্গোপাধ্যায়ক নিৰ্দ্দেশ দিছো। তেখেতে অতি সোনকালে পৰীক্ষা কৰি আমাক জনাব। আই আই টি খনৰ সভাপতি ৰাজ্যপাল নিজে। সেই কাৰণে গোটেই কথা খিনি বুজি আলোচনা কৰিব লাগিব। সকলো কথা সদনলৈ অনাৰ অসুবিধাও আছে। সেই কাৰণে মই গোটেই কথাখিনি জানিবৰ কাৰণে ৰাজহ আয়ুক্তক পৰীক্ষা কৰিবলৈ দিছো। দ্বিতীয় কথা হিতেন গোস্বামী ডাঙৰীয়াই কৈছিল যে দুখন বাগানৰ মাটি বিক্ৰী কৰি দিয়াৰ কথা কৈছিল। সেইটো গোলাঘাটৰ উপায়ুক্তলৈ তদন্তৰ কাৰণে লিখি দিয়া হৈছে। অতি সোনকালে ইয়াৰ বিষয়ে জনাবলৈ দিয়া হৈছে। কিন্তু আমাৰ ইয়াৰ পৰা কোনো নিৰ্দ্দেশ দিয়া নাই। বোধকৰো গোলাঘাট উপায়ুক্তই দিছিল। অধ্যক্ষ মহোদয়, আমি দুৰ্নীতিক কেতিয়াও প্ৰশ্ৰয় নিদিও। মাটি লৈ দুখীয়া মানুহ জড়িত আছে। সেই কাৰণে এই ক্ষেত্ৰত দুৰ্নীতিক কেতিয়াও প্ৰশ্ৰয় নিদিও। সেই কাৰণে দুখীয়া মানুহ খিনিয়ে সকাহ পোৱাৰ কাৰণে ৰাজহুৱা আদায়তৰ ব্যৱস্থা কৰিছো। আমাৰ ধানোৱাৰ চাহাবে কোৱাকথাকে যোৱাবাৰ বিধান সভাত মাননীয় সদস্য শশকমল সন্দিকৈ ডাঙৰীয়াইও কৈছিল। সেইটো জিলা উপায়ুক্তৰ হাতত আছে। তাৰ কাৰণে ইতিমধ্যে এজন বিষয়া আৰু দুজন মানুহক বৰ্খাস্ত কৰা হৈছে। মই নিজে দিশপুৰৰ পৰা সমগ্ৰ অসমৰ পৰিস্থিতি নাজানিব পাৰো কিন্তু তাৰ কাৰণে মই আশা কৰিছো মাননীয় সদস্য সকলে যিখিনি পৰামৰ্শ আগবঢ়াইছে সেইবিলাক মানি চলিবলৈ চেষ্টা কৰিম। মই এটা কথা ভাল পাইছো যে কটু ভাষাৰে সমালোচনা নকৰি পৰামৰ্শ আগবঢ়োৱাৰ কাৰণে আমাৰ সুবিধা হৈছে। এই গঠন মূলক পৰামৰ্শ বিলাক আমি কাৰ্যকৰী কৰাৰ কাৰণে ব্যৱস্থা লম। মাননীয় সদস্য দিলীপ শইকীয়া ডাঙৰীয়াই চাৰ্কোল অফিচাৰ বিলাকৰ অৱস্থা নাই বুলি কৈছিল। এজন চাবোড-ডিনেট ইঞ্জিনীয়াৰে জীপলৈ ঘূৰি ফুৰে অথচ এচ-ডি-চি এজন ক্লাচ ওৱান বিষয়া হৈও গাড়ী এখন নাই। বাচ আদিত ঘূৰি ফুৰিব লাগে। পৰহি এজন লোকক লগ পাইছিলো। তেওঁ আগতে এচ-ডি-চি আছিল হেনো তেওঁ কৈছে যে

তেওঁলোক বৰ অৱহেলিত। পৰ্দ বিলাক চেকেণ্ড হ্যাণ্ডহে পায়। অৰ্থাৎ ডি-চি অফিচ বা আৰৰ্ত্ত ভৱনৰ পৰ্দ্দা সলাই নতুন কৈ দিলে পুৰণি পৰ্দ্দা বিলাক এচ-ডি-চি অফিচৰ কাৰণে দিয়া হয়। ৰাজহ বিভাগৰ অৱস্থা বৰ বঞ্চিত হৈ আছে। কিয়নো ননপ্লানট চলি থাকিব লাগে কাৰণে অসুবিধা হৈছে। সেই কাৰণে অসুবিধা হৈছে।

মই আগতে কৈছো যে আমাৰ ৰাজহ বিভাগটো পৰিকল্পনাৰ ধনৰ পৰা বঞ্চিত হৈছে। গোটেই বিভাগটো নন প্লেন বাজেটৰে চলে। গতিকে গতিকে এই অসুবিধাবিলাক দূৰ কৰি-মই নিজে গোটেই অসমৰ বিভিন্ন অঞ্চল ভ্ৰমণ কৰিছো বিভিন্ন ঠাইত মোচনাৰীটো সংক্ৰীয় কৰিব বিচাৰিছো কেতিয়াহলে হয়তো এই অসুবিধাবিলাক কিছু দূৰ হব আৰু দুখীয়া ৰাইজৰ উপকাৰ হব। গুৱাহাটী চেটেলমেণ্টৰ কথা আমাৰ কলিতা ডাঙৰীয়াই কৈছে, কামবিলাক কিছু শ্লো হৈছে। আপোনালোকে আচৰিত হব যে গুৱাহাটীৰ মাজমজিয়াত এই জু ৰোদটোৰমাটি বিলাক এতিয়াও এগ্ৰিকালচাৰ লেন্ড হৈয়ে আছে, তেওঁলোকে মাত্ৰ ১.২৫ পইছা খাজনা দিব লাগে সেই কাৰণে আমাৰ তেতিয়াৰ মূখ্যমন্ত্ৰী শ্ৰী শৰত সিংহ ডাঙৰীয়াই এই জু ৰোডটোক কাঞ্চন ৰোড নাম দিব ওলাইছিল। বিভিন্ন অট্টালিকা বিলাক তাত আছে কিন্তু মাটি খিনি এতিয়াও এগ্ৰিকালচাৰ লেণ্ড হৈয়ে আছে। আমাৰ এই আৰবান লেণ্ড আগমেনটেচন যিখন আইন আছে তাৰ সংশোধন বৰ দৰ্কাৰ। যোৱাবাৰ মই যেতিয়া মুখ্য মন্ত্ৰীৰ হকে দিল্লীৰ হকে দিল্লীত মুখ্য মন্ত্ৰীৰ সকলৰ সভাত যোগদান কৰিবলৈ গৈছিলো তেতিয়াও মই এই আইনখনৰ সংশোধন বিচাৰিছিলো। কাৰণ এইখন কেন্দ্ৰীয় আইন তাৰ ওপৰত ৰাজ্য চৰকাৰে কোনো ব্যৱস্থা লব নোৱাৰে। এই আইনখনৰ সংশোধন কৰিবই লাগিব। আমি দেখিছো কিছুমান ৰেচিদেনচিয়াল এৰিয়া এগ্ৰিকালচাৰেল লেণ্ড হৈ আছে আৰু এগ্ৰিকালচাৰেল লেণ্ড বিলাক ৰেচিদেনচিয়েল বুলি ৰেকৰ্ডত দেখুৱা হৈছে। যি নহওঁক মাননীয় সদস্য

সকলে যিবিলাক পাৰ্টিকুলাৰ কেচ দাভি ধৰিছে সেইবিলাক আমি পৰীক্ষা নিৰীক্ষা কৰি ব্যৱস্থা লম বুলি আপোনালোকক আশ্বাস দিব পাৰো। আপোনালোকে আচৰিত হব আমি য'ত বিধান সভাত বহি আছো ১৯৭২ চনতে ইয়গলে আহিলে আজি ৯২ চন কিন্তু বিধান সভাৰ মাটি-খিনিও অন্য এজন লোক শ্ৰী গনেশ পালৰ নামত আছে। মই এতিয়া কাৰেকচন কৰিবলৈ উপায়ুক্তক নিৰ্দ্দেশ দিছো। সেই কাৰণে এই ৰেকৰ্ড অৱ ৰাইটৰ কাৰণে আদালত কৰিব বিছাৰিছো আপোনালোকে আচৰিত হব মোৰ দেউতা ১৯৬২ চনতে টুকাল তেখেতৰ নামতে মাটি, আছে আজিও মোৰ নামত হোৱা নাই। মোৰ নামতটো মাটি নায়েই গুৱাহাটীতো নাই নগাওঁ চহৰতো নাই। আমাৰ সদস্য শ্ৰী জয়নাল আবেদিন ডাঙৰীয়াই ম্যাদি পট্টাৰ কথা কৈছিল মই ধুবুৰীৰ উপায়ুক্তৰ পৰা সেই বিষয়ে ৰিপোৰ্ট বিছাৰিছো। মাননীয় সদস্য সকলৰ প্ৰতিটো কথাৰে উত্তৰ দিবলৈ অপাৰগ কিন্তু সকলোবিলাক কথাই নোট কৰি ৰাখিছো। আমাৰ হিতেন গোস্বামী ডাঙৰীয়াই এটুকুৰা মাটিৰ কথা কৈছিল মাটিখিনি বোধকৰো খৃষ্টিয়ান মিচনেৰীৰ নামত আছে মই জিলা উপাযুক্তৰ পৰা ৰিপোৰ্ট বিচাৰিছো। মাননীয় মদস্য সকলে যিবিলাক কথা কৈছে সেই কথা-বিলাকৰ ওপৰত মোৰ প্ৰতিশ্ৰুতি পোৱাৰ পিছত নিশ্চয় এতিয়া কৰ্ত্তন প্ৰস্তাৱটো উঠাই লব।

শ্ৰী দেৱান জয়নাল আবেদিন : অধ্যক্ষ মহোদয়, মই কৈছিলো যে দক্ষিন শাল-মাৰা যিখন চহৰ সেই চহৰখন নিচিহ্ন হৈ যাব ওলাইছে। তাত যি ৫ হাজাৰটা পৰিয়াল আছিল তেওঁলোকক বানপানীৰ আগতে কিবা পুনৰসংস্থাপনৰ ব্যৱস্থা কৰিব নে নাই মন্ত্ৰী মহোদয়ন পৰা জনিব বিছাৰিছো।

শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমি পৰিস্থিতিৰ বিষয়ে অৱগত। কাৰণ আমি যোৱা বানপানীৰ সময়তো ৫ হাজাৰ পৰিয়ালক

মেঘালয়ত ৰাখিবলগীয়া হৈছিল এল্টাৰনেটিত ব্যৱস্থা কৰি তেওঁলোকক ৰিহাবিলেট কৰাৰ ব্যাৱস্থা কৰি থকা হৈছে। মাটি ওলালেই আমি হৰোচন এফেকটেড মান্নহখিনিক অগ্ৰাধিকাৰ ভিত্তিত পুনৰ সংস্থাপন কৰিবলৈ আমি জিলাৰ উপাযুক্তক নিৰ্দ্দেশ দিছো। এঠাইত ৩০০/৪০০ বিঘা মাটি ওলাইছে কিন্তু পৰিয়ালতকৈ মাটি কম। এই বিষয়ে নিশ্চয় ব্যৱস্থা লম। তেখেতে কোৱা বেলেগ কথাখিনিৰ কথা মনত আছে।

শ্ৰী গিয়াচুদ্দিন আহমেদ ঃ অধ্যক্ষ মহোদয়, মই এটা স্পষ্টিকৰণ বিছাৰিছো। ৰাজহ মন্ত্ৰী মহোদয়ে ৰাজহ আদালতৰ কথা উল্লেখ কৰিছে। ৰাজহ আদালত আগৰ পৰাই আছে। এ, এচ, ও, এচ, দি, চি, এচ ও আদি জিলা বিলাকত ৰাজহ গোচৰ নিষ্পত্তি কৰিবলৈ বিষয়া সকল আছেই। এতিয়া আকৌ কি ৰেভিনিউ কোৰ্ট নতুনকৈ কৰিব বিছাৰিছে নাজানো য'ত ৰাজহ মন্ত্ৰীও যাব আৰু অন্যান্য মানুহো থাকিব। এইটো আকৌ কি ধৰণৰ ৰাজহ কোৰ্ট হব? ৰাজহ কোৰ্টৰ সিদ্ধান্তৰ ওপৰত এপিল আৰেদনৰ কথাও জৰিত আছে। গতিকে নতুন কোৰ্টৰ কথা যে কৈছে তাত কিবা আইন সংগত বিধি আছে নে নাই য'ত সেই সিদ্ধান্তৰ ওপৰত আপিল হব? দ্বিতীয়তে ম্যাদি পট্টা সম্পৰ্কে যি পাচ বুক দিয়াৰ কথা কৈছে। যি জন ব্যাক্তিৰ নামত ম্যদী পট্টাৰ পাচ বুক থাকিব তেওঁ যেতিয়া সেই মাটিখিনি বিক্ৰী কৰিব তেতিয়া কি হব? মন্ত্ৰী মহোদয়ে নিজে কলে যে তেওঁৰ দেউতাক ঢকাইছে ৬২ চনতে আজিও তেওঁৰ নামত পট্টা হোৱা নাই। এতিয়া যেতিয়া এজন মানুহৰ নামত ১০ বিঘা মাটিৰ এটা পাচ বুক থাকিব আৰু তেওঁ সেইমাটিখিনি বিক্ৰি কৰিব সেই ট্ৰেনজাকচনৰ পিছত মাটিৰ অৱস্থাটো কি হব মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছোয়েই যে আমাৰ যি ৰাজহ ৰাইন আছে সেইমতে এচ, ডি, চি সকলে গাৰলৈ

গৈ গাৱঁত ভেৰিফিকেচন কৰিব লাগিব। অর্থাৎ দেউতাক মৰিলে তেওঁৰ মাটি পুতেকৰ নামলৈ আনিব লাগে । কিন্তু এক শ্রেণী মানুহ আছে যে এচ, ডি, ডি কাননগু আদিৰ কাষ নেচাপে । তেওঁলোকে ভয় কৰে। ভয়ৰ এটাই কাৰণ তেওঁলোকে মাটিৰ প্রিমিয়াম দিব লাগিব । সেই শ্রেণীৰ মানুহেই মাটি পট্টা লব নোৱাৰে। আমাৰ যিটো ৰাজহ আদালত আছে তাৰ দ্বাৰা দুখীয়া মানুহৰ উপকাৰ হব। এচ, ডি, চি অফিচলৈ গৈ তেওঁলোকে কোনো কাম কৰিব নেলাগে। ৰাজহ অদালতেই সকলো কাম হব । কিয়নো আগৰ দৰে সাক্ষী-বাদীলৈ এচ, ডি, চি অফিচলৈ যাব নেলাগে । এই ক্ষেত্রত দুখীয়া মানুহৰ বহুতো সুবিধা হব । নামজাৰী ৰাইজৰ আগতেই কৰিব পাৰিব। সকলো ক্ষেত্রতেই সাক্ষী ৰাইজৰ আগতেই পাব। নহলে মুকুট শৰ্ম্মাৰ লৰাইও মাটিৰ পট্টা কৰি লব পাৰিব ।

মাননীয় অধ্যক্ষ মহোদয়, পাচবুকৰ ক্ষেত্রত কব খোজো যে মাটি ৰেজিষ্ট্ৰচন হোৱাৰ সময়ত মাটি বেচা কিনাটোৰ সময়ত দুয়ো গৈ একে-লগে কৰিব পাৰিব এই পাচবুকৰ জৰিয়তেই । দুয়োজনৰ ৰেকদ সেই পাচবুক খনতেই পোৱা যাব ।

শ্রী গহীন দাস : মাননীয় অধ্যক্ষ মহোদয়, মই সিদিনা ৰাজহ মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিছিলো যে অসমৰ বহুতো দিচপোটেট লেণ্ড আছে । সেই বিলাকত অসমৰ সীমা মুৰিয়া অঞ্চলত মেঘালয়, নগালেণ্ড, অৰুনাচল নাম্নহে বসবাস কৰি আছে। সেই বিলাক অঞ্চলত আমাৰ মানুহক পট্টা নিদিয়াৰ কাৰণে তেওঁলোকে আজি সেই মাটি বসবাস কৰি থাকিবলৈ দাবী জনাব পাৰিছে । তাত আমাৰ মানুহক স্থায়ী পট্টা দিয়াৰ কিবা ষ্টেপ লৈছে নেকি ?

Speech not Corrected

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): माननीय अध्यक्ष মহোদয়, আজি মাটি বেচা-কিনাৰ ওপৰত আলোচনা হৈছে । সাধাৰণতে মাটি বেচা-কিন৷ হোৱা নাই । আৰু আমাৰ নিৰ্ব্বাচনৰ ইস্তাহাৰটো এই কথা কৈছিলো । আজি যদি বেচা কিনা সুবিধাটো সহজ কৰি দিয়া হয় তেতিয়াহলে জনজাতীৰ লোক নোহোৱা হব। তাৰ এটা উদাহৰণ মই সদীয়া সমষ্টিৰ কথা কব বিচাৰিছো । মই ১৯৫০ চনতে সদিয়ালৈ গৈছিলো তেতিয়া ২৪ হেজাৰ জনজাতি লোক আছিল । আকৌ যেতিয়া ১৯৭৪ চনত গৈছিলো তেতিয়া তাত মানুহ আছিল ৬৮ হেজাৰ । এই ৬৮ হেজাৰৰ ৩৬ হেজাৰেই আছিল নেপালী মানুহ। তেওঁলোক বহিৰাগত । তেওঁলোকে জনজাতি লোক সকলৰ পৰা মাটি কিনি লৈছিল । সেই কাৰণেই কৈছো যে আজি যদি মাটি বেচা-কিনাৰ সুবিধাটো কৰি দিও তেতিয়াহলে এই জনজাতি সকল নোহোৱা হব। অসমত বহুতো ট্ৰাই-বেল বেল্ট আছে। তাতো আজি 'এস্কপডিচন' হৈছে। এই দৰে 'এস্ক-পডিচন' হৈ থাকে তেতিয়া হলে এই ট্ৰাইবেল বেল্ট বিলাকতো জন-জাতি নোহোৱা হৈ পৰিব ।

মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৪ চনতে মই তেতিয়া মুখ মন্ত্ৰী মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়া আছিল। মই কাছাৰ জিলাৰ খাচপুৰ অঞ্চললৈ গৈছিলো। খাচপুৰ এসয়ত কাছাৰী সকলৰ ৰাজধানী আছিল। আমি গৈ দেখিছিলো তেতিয়া তাত ২৫টা মানহে জনজাতীয় পৰিয়াল আছিল । ৰাতিটো আমি এম,ই, স্কুল এখনত কটালো । আমাক বহুতো মানুহে ৰিপেজেনটেচন দিলে কাৰোবাক হস্পিতেল লাগে, কাৰোবাক স্কুল ঘৰ লাগে, কাৰোবাক ৰাস্তা-ঘাট লাগে এনেকৈ কেইবাখনো দৰ্খাস্ত মুখ্যমন্ত্ৰীৰ হাতত দিছিল । তেতিয়া মুখ্যমন্ত্ৰী সিংহ ডাঙৰিয়াই গাওঁবুঢ়াক কলে যে আপোনালোকে যিমানবোৰ দৰখাস্ত দিছে সেই আটইবোৰ কাম মই কৰিব নোৱাৰিম গতিকে

আপোনলাকে কামত অহাকৈ মোৰ পৰা এটা বস্তু বিচাৰক সেইটো মই দিম । তেতিয়া গাওঁবুঢ়াজনে কিছু সময় চিন্তা কৰি কলে যে আপুনি আমাক এটা কাম কৰি দিয়ক আৰু সেইটো হৈছে মাটি বেচা-কিনাৰ যিটো আইন সেইটো বন্ধ কৰি দিয়ক । এই বেচা-কিনাৰ আইন চলি থকাৰ কাৰণে আমি এসেৰ চেনিৰ কাৰণে এবিঘা মাটি বিক্ৰি কৰিব লগীয়া হৈছে। এখিলা ধপাতৰ কাৰণে একঠা মাটি বিক্ৰি কৰিবলগীয়া হৈছে । গতিকে গাওঁবুঢ়াজনে যিষাৰ কথা কলে সেই কথাটো চিন্তা কৰিব লগীয় বিষয় । আজি বহুতো নানা আলৈ আহুকালৰ মাজত কোনোবাই লৰা-ছোৱালী পঢ়োৱাবৰ কাৰণে কোনোবাই হাল গৰু কিনিবৰ কাৰণে মাটি বিক্ৰি কৰিব লগীয়া হয় । এই সুবিধাকে লৈ কিছুমান দুষ্ট প্ৰকৃতিৰ মানুহে এই সুবিধা গ্ৰহণ কৰাৰ ফলত তেওঁলোক আজি নিষ্পেষিত হৈছে । গতিকে আমি মাটি বেচা-কিনা একেবাৰে বন্ধ কৰিব নোৱাৰিলোও তাক কিছুমান সৰ্ত্ত আৰোপ কৰিব বিচাৰিছো। এই বিষয়ে মই ৰাজহ মন্ত্ৰীকো কৈছো যাতে মাটি বেচা কিনাৰ নামত কোনো এক্‌সপইলেটেট নহয় ।

শ্ৰী গিয়াচুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথাই ইয়াৰ ওপৰত কব খুজিছো যোৱা বাৰো এই বিধান সভাত কৈছিলো আৰু আজিও কম মাটি বেচা কিনাৰ ক্ষেত্ৰত যি মাটি বেচে সেই মাটি খিনি চৰকাৰে কিনি লোৱাৰ ব্যৱস্থা কৰিব নেকি ? যি জন মানুহে যি উদ্দেশ্য লৈ মাটি বেচে সেইটোৰ ওপৰত পৰীক্ষা নিৰিক্ষা কৰি তেওঁকে চৰকাৰে কিছু সাহায্য দিব পাৰ । বা লন হিচাপে দিব পাৰে । যাৰ দ্বাৰা নেকি মাটি খিনি বেচা নহয় । এনেকুৱা পৰামৰ্শ চৰকাৰৰ ফালৰ পৰা দিব নেকি ?

শ্ৰী অতুল বৰা : মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীৰ আশে-পাশে বহুতো জনজাতীয় মানুহ আছে । তেওঁলোকে মাটি পট্টা নোপোৱাৰ কাৰণে মাটি

বিলাক বেচিব লগীয়া হৈছে। তেওঁলোকৰ নিৰাপত্তা নোহোৱাৰ কাৰণে মাটি বিলাক বেচিব লগীয়া হৈছে। একচনীয়া মাটিবিলাক পট্টা নোহোৱাৰ কাৰণে তেওঁলোকে বেচিব লগীয়া হৈছে। ইয়াৰ ব্যৱস্থা চৰকাৰে কিবা কৰিবনে ?

শ্ৰী নজমুল হক : অধ্যক্ষ মহোদয়, মাটি বেচা কিনা সম্পৰ্কত মই যোৱা বিধান সভাতো এটা কথা উল্লেখ কৰিছিলো। আজিও বিধান সভাত এই বিষয়টোকে লৈ আলোচনা হৈছে যেতিয়া এই সম্পৰ্কত মই পুনৰ কব খুজিছো যে মাটি বেচা কিনাৰ ক্ষেত্ৰত যিটো পাৰমিচন দিয়াৰ ব্যৱস্থা কৰা হৈছে সেইটোত নানা ধৰণৰ খেলি মেলি সৃষ্টি হৈছে। কোনোবা মানুহে যদি এবিঘা মাটি ৫ হাজাৰ টকাত বিক্ৰি কৰে তাৰ ২ হাজাৰ টকা পাৰমিচন লোৱাৰ নামত খৰচ হয়। গতিকে আমি প্ৰত্যেকেই ৰাইজক যি বোৰ প্ৰতিশ্ৰুতি দি আহিছিলো সেইবোৰ পালন কৰাৰ ব্যৱস্থা কৰিব লাগে। সেই কাৰণে এই বিষয়টো অতি গুৰুত্ব সহকাৰে বিবেচনা কৰাৰ কাৰণে সদনৰ সকলো মাননীয় সদস্যক মই অনুৰোধ জনালো।

Mr. Speaker : Hon'ble Member Dr. Kalita, will you with draw your cut motion ?

ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াই মহাভাৰতৰ পৰা আৰম্ভ কৰি বৰ্ত্তমানলৈকে সুন্দৰ ভাষা প্ৰয়োগ কৰি যি বক্তব্য ৰাখিলে সেই বক্তব্যৰ পিচত মোৰ কৰ্ত্তন প্ৰস্তাৱ নিশ্চয় উঠাই লব লাগিব। কিন্তু ৰাজহ মন্ত্ৰী ডাঙৰীয়াই আমাৰ পৰামৰ্শ সমূহৰ ওপৰত তেখেতৰ বক্তব্য ৰখাৰ সলনি অযথাই বেছি দীঘলীয়া কৰিছে। যি হওক, মোৰ কৰ্ত্তন প্ৰস্তাৱ উঠাই লোৱাৰ আগতে তিনিটা কথাৰ মই স্পষ্টীকৰণ বিচাৰিছো।

প্ৰথম কথা হল—যি সকল উদ্যোগীৰ মাজত চৰকাৰে মাটি আবণ্টন কৰিছে সেই সকল উদ্যোগীয়ে প্ৰকৃত কামত সেই মাটি ব্যৱহাৰ কৰিছে নে নাইসেই বিষয়টো চাব লাগে। মোৰ বোধেৰে এনে মাটি ব্যক্তিগত মানুহক আৱণ্টন নিদি উদ্যোগ বিভাগৰ অধীনত ৰাখি উদ্যোগী সকলক আৱণ্টন দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু যদি তেওঁলোকে প্ৰকৃত কামত সময়মতে সেই মাটি ব্যৱহাৰ নকৰে তেনেহলে উদ্যোগ বিভাগে সেই মাটি ঘুৰাই আনিব। গতিকে এই বিষয়টোত কি ব্যৱস্থা লয় সেই বিষয়ে উত্তৰ দিব বুলি আশা কৰিলো।

দ্বিতীয় কথা হ'ল—গুৱাহাটী মহকুমা ভূমি উপদেষ্টা সমিতিখন কিয় গঠন কৰা হোৱা নাই সেই বিষয়ে মন্ত্ৰী মহোদয়ে একো নকলে। গতিকে এই সম্পৰ্কত তেখেতৰ পৰা উত্তৰ পাম বুলি আশা কৰিলো।

তৃতীয় কথা হ'ল—কামৰূপ জিলাৰ নগৰবেৰা ৰাজহ চক্ৰত কিছুদিন আগতে ৬৬ টা ভূমিহীন পৰিয়ালৰ মাজত মাটি আবণ্টন কৰা হৈছিল। এই মাটিৰ দাম বৰ্ত্তমান বিঘাই দুই লাখ টকা দাম। কিন্তু ভূমিহীন বুলি যি সকল মানুহৰ মাজত মাটি বিতৰণ কৰা হৈছে সেই সকলৰ ভিতৰত এজন ৰাজ্যিক মন্ত্ৰীৰ ভায়েকেও মাটি পাইছে। আজি যি সকলে দুৰনীতিমুক্ত কাম কৰিম বুলি কৈছে তেওঁলোকেই দুৰ্নীতি কৰিছে। এই বিষয়টো সম্পৰ্কত মোৰ হাতত সম্পুৰ্ণ তথ্য আছে। যোৱা ২৭ মাৰ্চৰ বাতৰি কাকততো এই বিষয়টো প্ৰকাশ পাইছে। এনেদৰে মাটি অৱণ্টন দিয়া লোক সকলৰ কোন ভূমিহীন আৰু কাৰ মাটি আছে সেই আটাইবোৰ তথ্য মোৰ হাতত আছে। গতিকে এই বিষয়টোত কি ব্যৱস্থা লব সেইটো আজিয়েই কব বুলি আশা ৰাখিলো।

শ্ৰী জয়নাথ শৰ্মা: অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই আৰু অলপ ৰেফাৰেঞ্চ দিব খুজিছো। এই সম্পৰ্কত ৰাজহ মন্ত্ৰী ডাঙৰীয়াক এখন দৰখাস্ত

দিয়া হৈছিল আৰু সেইখনত তথ্য সহকাৰে কোন কোন মানুহৰ মাজত মাটি আৱণ্টন দিয়া হৈছে সেই বিষয়ে উল্লেখ কৰা আছিল। এনেকৈ মাটি আৱণ্টন দিয়া লোক সকলৰ ভিতৰত ৰাজ্যিক বন মন্ত্ৰীৰ ভায়েকো আছে। এই বিষয়টোৰ মই তথ্য সহকাৰে সদনত দাখিল কৰিম, আপোনালোকে চাব পাৰিব। এই মন্ত্ৰী গৰাকীৰ দেউতাকৰ নামত ৬০/৭০ বিঘা মাটি আছে। নগৰবেৰাতো তুমহলীয়া ঘৰ আছে। তেনে ক্ষেত্ৰত মন্ত্ৰীৰ ভায়েক গোপালদাস কেনেকৈ ভূমিহীন হল আৰু কেনেকৈ তেওঁ ভূমিহীন হল আৰু কেনেকৈ তেওঁ ইয়াত মাটি পালে। গিৰিণ কলিতা নামৰ মানুহ এজনে মাটি পাইছে কিন্তু তেওঁ ভূমিহীন নহয়। ৰজনী পাঠক আৰু হৰিপ্ৰসাদ পাঠক এওলোক দুয়ো পিতা পুত্ৰ। এওঁলোকেও মাটি পাইছে। তাৰ বাহিৰেও লক্ষেশ্বৰ দাস, খগেন দাস দুয়ো পিতা পুত্ৰ তেওঁলোকে ইয়াত মাটি পাইছে। প্ৰদীপ দাস নামৰ এজন এম, বি, বিএচ ডাক্তাৰেও ইয়াত মাটি পাইছে। তেওঁ হেনো দুখীয়া। নগৰবেৰা অঞ্চলত এনেকৈ আবণ্টন দিয়া মাটিৰ বিঘাই দুই লাখতকৈ বেছি দাম। এই সংক্ৰান্তত আৱণ্টন পোৱা লোক সকলে মাটি সোনকালে চমজাই দিব লাগে বুলি উপাযুক্তক হেচাঁ দিছে। কিন্তু কথাটো মই গম পায় যোৱা কালি উপাযুক্তক ফোন কৰি কৈছো যে আপুনি এই মাটি এতিয়াই চমজাই নিদিব। আমি অহা কালি বিষয়টো বিধান সভাত উৎথাপন কৰিম। আমি কথাটো বিধান সভাত উৎথাপন কৰিম বুলি জানি আজি বোধহয় মাটি চমজাই দিয়া কাম কৰা নাই। গতিকে এজন ৰাজ্যিক মন্ত্ৰীয়ে এনে মিঠ্যা কথাৰে মাটি লোৱা ক্ষেত্ৰত আমি আচৰিত হৈছো। ইয়াৰ বাহিৰেও কোনোৰা এজন ঠাকুৰ, তেওঁ বিহাৰি মানুহ কিন্তু গৰাখহনীয়াৰ মানুহ হিচাবে মাটি পাইছে। আচলতে তেওঁ গৰা খহনীয়াৰ লোক নহয়। তেওঁ যদি প্ৰকৃততে গৰা খহনীয়াৰ লোকেই নহয় তেনেহলে তেওঁৰ নামত মাটি কিয় দিব লগা হল? এই কথাবোৰ তথ্য সহকাৰে জনোৱাৰ পিচতো ৰাজহ মন্ত্ৰী মহোদয়ে ব্যৱস্থা হাতত নললে।

Speech not Corrected

অধ্যক্ষ মহোদয়, ৭/৩/৯২ ইং তাৰিখে যিখন দৰখাস্ত দিয়া হৈছিল, তাৰ আজিলৈকে ব্যৱস্থা লোৱা হোৱা নাই। এই খিনিতে মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী, বিষয়া সকলক কব খুজিছো যে এইটো গড়াখহনীয়াৰ আবণ্টন নহয়। মোৰ দেউতাৰ মাটি আছে মোৰ নাই, সেই কাৰণে মই লেণ্ডলেছ হম নেকি? মোৰ দেউতাৰ ঘৰ আছে, মোৰ নাই সেই বুলি মই গৃহহীন হম নেকি? এইটো বিষয় সদনত তদন্ত কৰি ইয়াৰ ওপৰত ব্যৱস্থা লওঁক। নেৰেৰিটিঙ, বগাপানীশাখা ৮০ জন মানুহৰ পট্টন উঠাই পুনৰ বাগানে কিনি লৈছে। নামডাং অঞ্চলত ৪১-৫৪ নং দাগৰ ১৫৮ বিঘা ৩ লেছা মাটি তিনিচুকীয়াৰ ডি, চি, য়ে অৰ্ডাৰ দিছে ইংৰাজীত—এইটো কেতিয়া কৰিছে, চিলিং এক্টৰ মাটীত বহি আছে। ১৯৭৭ চনৰ পৰা এতিয়া ডিমাণ্ড দিব বিচাৰিছে। ৬১ লাখ টকাৰ এটা স্পষ্টীকৰণ আনিছিলো। তেখেতসকলে কব এইটো এটা বুৰঞ্জী। এইবিলাক সোনকালে কৰিব লাগে। আই, আই, টীৰ মাটীৰ বুৰঞ্জী হল এই মাটিৰ নামত ৭ কোটি টকাৰ দালালে হস্তগত কৰিছে। এইটো বন্ধ কৰিব লাগে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কি ষ্টেপ লব নকলে।

শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য ডাঃ কমলা কলিতাৰ প্ৰশ্নৰ উত্তৰত কব খোজো যে কিছুমান ডেকা মানুহক ইণ্ডাষ্ট্ৰি খুলিবৰ কাৰণে বহুত ঠাইতে মাটি দিয়া হৈছিল। আনকি গুৱাহাটী আশেপাষেও মাটি দিয়া হৈছিল, কিন্তু মাটি বিলাক ব্যৱহাৰ কৰা নাই। এই ক্ষেত্ৰত নীতি হৈছে যে যদি মাটি ব্যৱহাৰ নকৰে তেতিয়াহলে সেই মাটি ঘুৰাই অনা হব। জিলাৰ উপায়ুক্ত বিশেষকৈ গুৱাহাটীত আয়ুক্তক নিৰ্দ্দেশ দিয়া হৈছে। সেই মৰ্ম্মে উদ্যোগৰ নামত যিখিনি মাটি দিয়া হৈছে সেই মাটি কেনেকুৱা ধৰণে ব্যৱহাৰ হৈছে গোটেইখিনি কথা চাই ব্যৱস্থা লোৱা হব বুলি কৈছে। ইয়াৰোপৰি ৰবাৰ প্লেন, টি গাৰ্ডেনক

মাটি দিয়া হৈছিল। এই ক্ষেত্রত জিলাত উপায়ুক্তক নির্দ্দেশ দিয়া হৈছে যে যিবিলাক ৰবাৰ প্লেন, টি, গাৰ্ডেন আৰু উদ্যোগক মাটি দিয়া হৈছিল সেই বিলাক প্ৰকৃতাৰ্থত ব্যৱহাৰ হৈছিল নে নাই। সেই বিলাক চাবৰ কাৰণে নির্দ্দেশ দিয়া হৈছে। লেণ্ড এডভাইচৰী বোৰ্ড কামৰূপত হোৱা নাই। বিধান সভাৰ পিচত কৰি দিয়া হব বুলি আশা ৰাখিছো। আমাৰ মাননীয় শৰ্ম্মা ডাঙৰিয়াই ৰাজ্যিক মন্ত্ৰীৰ যিটো কথা কৈছে, সেইটো মই নাজানো। যিখিনি কেচ দিব সেই খিনি তদন্ত কৰা হব। এই ক্ষেত্রত মন্ত্রীৰ ল'ৰা হলেও ব্যৱস্থা লোৱা হব, কাৰো প্ৰতি আমাৰ দুৰ্ব্বলতা নাই। মই মন্ত্ৰী থাকিম নে নাথাকিব এই কথাটো নহয়।

Dr. Kamala Kalita : I withdraw my Cut-motion.

Mr. Speaker : With the Permission of the house Cut-motion is withdrawn.

শ্ৰীদেৰহাগ্ৰা মুছাহাৰী : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াই ৰাজহ আইন কি, ৰাজহ সম্পৰ্কে কব বিচাৰিছে, সেইটোৰ শুদ্ধ ভাবে উত্তৰ পালে মই মোৰ কৰ্ত্তন প্ৰস্তাৱ নিশ্চই উঠাই লম। যদি মোৰ কেইটামান কথাত আশ্বাস দিব পাৰে। আসাম লেণ্ড ৰেভিনিউ এক্টৰ চেপ্তোৰ ১০ মতে যিবিলাক ৰাজহ লেণ্ড আছে জনজাতী সকলৰ নিৰাপত্তাৰ কাৰণে সংৰক্ষিত অঞ্চল আছে। ট্ৰাইবেল বেল্ট আৰু ব্লক গঠন হোৱাৰ আগতে যি সকল অজনজতীয় লোকে আহি বহিছিল, মাটিৰ পট্টা পাইছে তেওঁলোকৰ পট্টা কেন্‌ছেল কৰিব লাগে। আৰু আগৰ যি মালিকৰ মাটি আছিল তেওঁলোকক পট্টন দিব লাগে। অসমৰ জনজাতীয় লোক সকল বিভিন্ন এলেকাৰ জংঘলত বসবাস কৰি আছে। যি বিলাক এলেকাত বহুত বছৰৰ পৰা বসবাস কৰি আছে ফৰেষ্ট ভিলেজ বুলি পট্টা দিয়া হোৱা নাই। তেওঁলোকৰ ৪০/৫০ বছৰ

হল । ফৰেষ্ট ভিলেজ হিচাবেই আছে । তেওঁলোকক ৰেভিনিউ পট্টা দিব লাগে। যিবিলাক লোকে চৰকাৰৰ ফালৰ পৰা পট্টা পোৱা নাই। কাহিবাৰী, বগাজুলি আদি বহুত অঞ্চল আছে। সেই বিলাক অঞ্চলত পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। আনফালে দিশপুৰ এলেকাৰ যিসকল লোক আছে তেওঁলোককো পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। কোক্ৰাঝাৰ জিলাৰ শান্তিপুৰ লেপ্‌প্ৰোছী কল'নী লোকসকলৰ চিকিৎসাৰ কাৰণে মাটী লৈছে । তেওঁলোক খেতিবাতি কৰি খাই থকা নামুহ । সেই অঞ্চলৰ অন্তত দুশ বিঘা মাটি যি সকলে দখল কৰি আছে—

মনানীয় অধ্যক্ষ : আপুনি অলপ চৰ্ট কৰক, আপুনি কি স্পষ্টিকৰণ বিচাৰে, তাৰ ওপৰত কওঁক ।

শ্ৰী দেৰহাগ্ৰা মুচাহাৰী : অধ্যক্ষ মহোদয়, মই আৰু অলপ স্পষ্টীকৰণৰ ক্ষেত্ৰত কওঁ । ৰাজহ মন্ত্ৰী মহোদয়ে যদি এইখিনি নিৰাপত্তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে বা কৰে এই ক্ষেত্ৰত যদি আশ্বাস দিয়ে, তেতিয়া হলে মই মোৰ কৰ্ত্তন প্ৰস্তাৱ উঠাই লম ।

শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই আগতে মোৰ ভাষনত কৈছিলো যে চেপ্তাৰ ১০ অনুসৰি যিবিলাক ট্ৰাইবেল বেল্ট আৰু ব্লক আছে, সেই সকলৰ ওপৰত আজি ব্যৱস্থা লবৰ কাৰণে ৫ আগষ্ট তাৰিখে নীতি নিৰ্দ্দেশনা দিয়া হৈছে। জিলা উপাযুক্ত, চেপ্তাৰ টেনত এচ,ডি,চি সকলক নিৰ্দ্দেশ দিয়া হৈছে। এই কেনেকুৱাকৈ পৰিচালনা কৰিছে আৰু কেনে ধৰণৰ কাম হাতত লৈছে চোৱা হব। গুৱাহাটীৰ আশে পাশে থকা ১০ বছৰৰ ওপৰত বসবাস কৰি থকা সকলক পট্টন দিয়াৰ ব্যৱস্থা কৰা হৈছে। মাননীয় সদস্য সকলে যি পৰামৰ্শ দিছে, ইয়াক পৰীক্ষা কৰি নিশ্চই চোৱা হব । মই আশা ৰাখিছো মাননীয় সদস্য সকলে তেওঁলোকৰ কৰ্ত্তন প্ৰস্তাৱ উঠাই লব ।

Speech not Corrected

Mr. Speaker : Will you please withdraw cut motion ?

Shri Derhagra Musahari : Yes, I withdraw the cut motion.

Mr. Speaker : With the permission of the House the cut motion is withdrawn.

Is it the pleasure of the House to grant leave to withdraw the Cut Motion ?

( With te leave of the House, Cut Motion is withdrawn ).

I put the Motion that the total provision of Rs. 33, 05, 32, 000 under Grant No. 6 in respect of Land Revenue and Land Ceiling at pages 49-80 of Vol II Part-1 of the Budgct be reduced by Rs. 100.00. i. e, the amount of whole grant of Rs. 33, 05, 32, 000 do stand reduced by Rs. 100.

( Cut Motion is lost ).

Now Shri Nazmul Hoque. Will you withdraw the Cut Motion ?

শ্ৰী নজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, মই এই কৰ্ত্তন প্ৰস্তাবৰ উত্তৰ মন্ত্ৰী মহোদয়ে নিদিয়াত দুখ পাইছো। হাট শিঙিমাৰী চাউঠ শালমাৰাত লেণ্ড এডভাইজৰী কমিটিত ৩২ জন মেম্বাৰ আছে এই ৩২ জনৰ ভিতৰত

Speech not Corrected

তাত ১ জনহে লোকেল মানুহ আছে। তাৰ বাদে গোটেই বিলাক কংগ্ৰেছ আইৰ মানুহ। এই লেণ্ড ৰেভিনিও বড় কমিটিত সকলো দলৰ প্ৰতিনিধিত্ব থাকিব লাগিছিল। আৰু এটা কথা তাত যি ৰিলিফ কমিটি পাতিছিল সেই কমিটি খনে পুনৰ সংস্থাপনৰ ক্ষেত্ৰত যি কৰিলে আমি দুখ পাইছো। নগালেণ্ড, অৰুণাচলৰ ভগনীয়াৰ পুনৰ সংস্থাপন লগতে ব্ৰহ্মপুত্ৰ গৰাখহনীয়াৰ মানুহ খিনিক পুনৰ সংস্থাপন দিব পৰা নাই। মাননীয় মন্ত্ৰী মহোদয়ে সেইটোৰ ওপৰত মন্তব্য ৰাখিব।

শ্ৰী মুকুত শৰ্ম্মা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰী নজমূল হক ডাঙৰীয়াই কৈছে যে আমি লেণ্ড ৰেভিনিউ এডভাইজেৰী কমিটিত আমাৰ সকলো দলৰ সদস্য ৰাখিব লাগে। তেখেতে অভিযোগ কৰিছে যে তাত অকল কংগ্ৰেছ দলৰ সদস্য ৰাখিছে। কিন্তু সেই কমিটিত অন্য দলৰ সদস্যকো ৰখা হৈছে। যদি ৰখা নাই মই চাম। মই জানো যে এইবিলাক সমিটিত বিধান সভাৰ সদস্য আছে। ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰন কৰিব পাৰিলে ৰাজহ বিভাগৰ সমস্যা নেথাকিব। এই কাম কৰিবলৈ অকল ৰাজহ বিভাগে নোৱাৰে। বান নিয়ন্ত্ৰন বিভাগেও ইয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

শ্ৰী জয়নাথ শৰ্ম্মা: মাননীয় অধ্যক্ষ মহোদয়, আমি ইয়াত আগতে আলোচনা কৰিছিলো। লক্ষী দত্তৰ নামটো কত দিয়া আছিল? মোজাদাৰ, দেৱানী এই বিলাকৰ নাম নথকাই ভাল।

শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, তেখেত সকলকো সদস্য কৰি দিব পাৰি।

শ্ৰী জয় নাল আবেদনি: মাননীয় অধ্যক্ষ মহোদয়, লেণ্ড ৰেভিনিও মেন্নুয়েলৰ মতে সকলো দলৰ মানুহ থাকিব লাগে। ২৩ জনৰ ভিতৰত ১ জন বিধায়ক আৰু ২ জন আন দলৰ বাকী ১৯ জন কংগ্ৰেছ আই দলৰ।

Speech not Corrected

সকলো মহকুমাতে সমিটি গঠন কৰিলে সৰ্ব্ব দলীয় হব লাগে লেণ্ড এডভাইজৰী বা ৰিলিফ কমিটিয়ে হওক। এই নীতিটো মানি চলিবনে ?

শ্ৰী মুকুট শৰ্ম্মা ( মন্ত্ৰী ) মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই এই কথাটো কৈছো। আমাৰ প্ৰকৃততে বিধায়ক যি দলৰ আছে তাত সদস্য কৰি তেনেকোৱাকৈ দিয়া হৈছে।

Shri Parameswar Brahma : Mr. Speaker Sir, In Kokrajhar District, no MLA of my Party has been included in the Dist. Land Advisory Board.

শ্ৰী মুকুত শৰ্ম্মা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, কোকৰাঝাৰ জিলাত যি কেইজন এম এল এ আছে আটাইকেইজনকে ভৰ্ত্তি কৰোৱা হৈছে।

শ্ৰী ক্ষিৰেণ বৰ্গিয়াৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় অধ্যক্ষ মহোদয় শ্ৰী পৰমেশ্বৰ ব্ৰহ্মৰ নাম নাই। শ্ৰী মতী প্ৰমিলা ব্ৰহ্ম আৰু লগতে মোৰ নাম নাই। ১৯ জন কংগ্ৰেছ প্ৰতিনিধিৰ নাম তাত দিছে।

শ্ৰী মুকুত শৰ্ম্মা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, খেলিমেলি হব পাৰে। মহকুমাৰ ভালেকেইটামান সমষ্টিত এই বিলাক আছে। এই বিলাক আতৰ কৰিম। যাতে মাননীয় সদস্য সকলক সামৰিব পাৰি। মই অৱশ্যে শ্ৰীমতী প্ৰমিলা ব্ৰহ্মৰ কথাটো নাজানো।

শ্ৰী জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, যিটো লেণ্ড এডভাইজেৰী কমিটি গঠন কৰা হয় তাত সকলো দলৰ সদস্য থাকিব লাগে বুলি পৰিস্কাৰ কৈ কোৱা হৈছে। সকলো ৰাজনৈতিক দলৰ বিধান সভাৰ সদস্য থাকিব। এতিয়া তাত ২৩ জনৰ ভিতৰত ২০ জন একেটা দলৰ মানুহ অৰ্থাৎ ২০ জনেই কংগ্ৰেছ আই দলৰ মানুহ। এই ক্ষেত্ৰত এটা নিৰ্দ্দিষ্ট নীতি

মাননীয় ৰাজহ মন্ত্ৰীয়ে লব নোৱাৰে নেকি? সকলো দলৰে চি পি আই, এচ ইউ চি আই, এ জি পি আদি সদস্য থাকিব লাগে ইয়াৰ এটা প্ৰতিশ্ৰুতি দিব লাগে ?

শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী) : মাননীয় অধ্যয় মহোদয়, দলীয়, এইটো দলীয় ভাবে কৰা হোৱা নাই। হাত শিঙিমাৰীত এচ ইউ চি আইৰ মানুহ ৰখা হৈছিল আৰু কৰবাত যদি কোনোবা দলৰ সদস্য পৰা নাই সেই ক্ষেত্ৰত মই চাম।

শ্ৰী নজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, মই উল্লেখ কৰা দাবি বিলাক মানি লোৱাৰ কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মই মোৰ কৰ্ত্তন প্ৰস্তাৱটো উঠাই ললো।

Mr. Speaker : Is it the pleasure of the House to Grant leave to withdraw the Cut Motion. (Cut motion is withdrawn)

শ্ৰী জয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, আমি কাট মোচনটো উঠাই লোৱা শুনিলো। চকুৰ ইচাৰাতে মাননীয় অধ্যক্ষ মহোদয়ে বুজি পালে নেকি ?

মাননীয় অধ্যক্ষ : সমজদাৰ কে লিয়ে ইচাৰাহী কাফী হে'। Shri Allauddin Sarkar I will you withdraw the Cut-Motion.

শ্ৰী আলাউদ্দিন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, কাটমোচনটো উঠাই লোৱাত মই ভাল পাইছোঁ যদিও স্পষ্টীকৰণত এটা জুট হৈ গ'ল। কথা হ'ল, ভূমিহীন মানুহ আৰু ভূমিহীন কৃষক এই আইনৰ দ্বাৰা এক হৈ যায়। মাননীয় ৰাজহ মন্ত্ৰী আৰু মুখ্য মন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত বিতং ভাবে জনালে ভাল আছিল। কিন্তু আমি সেইটো পোৱা নাই। কিছু-

Speece not Corrected

মান ভূমিহীন মানুহে চহৰত মাটি পাইছে আৰু সেই একে বোৰ মানুহেই গাৱঁতো খেতিৰ মাটি পাইছে। গতিকে কোন বোৰ মানুহক প্ৰকৃততে মাটিহীন বুলি ধৰিছে? এইবোৰ বিচাৰ কৰি চাবলৈ আজি অফিচত প্ৰকৃত কৰ্ম্মচাৰী নাই। অফিচ আছে যদিও "চাৰখাৰ অফিচ আছে।" অৰ্থাত অফিচবোৰ খালি হৈ পৰি আছে এইবোৰ সদায়েই বন্ধ হৈ পৰি আছে। ধুবুৰী আদি চহৰত বিটো কমিচনাৰ অফিচ আছে তাত এটা পদ সদায়ে খালি হৈ পৰি আছে। এনে ক্ষেত্ৰত আমাৰ ৰাজ্যত এচ, ডি, চি, অফিচ ৰমানুহ খিনিয়ে কাম কৰিব পৰা নাই। সেয়ে খালি থকা পদবোৰ অতি সোনকালে পূৰণ কৰিবনে? যোৱা ১৪ নবেম্বৰৰ পৰা জৰীপ কাৰ্য্য চলিছে। কিন্তু আজিলৈকে প্ৰকৃত মাটিহীন কৃষকক মাটিৰ পট্টা দিব পৰা নাই। তাৰোপৰি ',জৱাহৰ যোজনা" কতৃপক্ষৰ নামত একলাখ—১ কোটি ১০ লাখ টকা গাওঁৰ অঞ্চলত কাম কৰিবৰ বাবে দিছিল। কিন্তু সেই টকাৰে চহৰৰ কামত লগালে যদিও আজিও কাম হৈ নুঠিল। সেই টকা কলৈ গ'ল? যোজনাৰ নামত টকা লৈ গাৱঁৰ মানুহ চহৰলৈ আহিল। কাম কিন্তু আধকৰা হৈ থাকিল। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিজে এই লেণ্ড ৰেভিনিউ এক্ট খন বিবেচনা কৰি চাব নে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, পৰামৰ্শ কেইটা মই চিন্তা কৰি চাম। কিন্তু চৰ উন্নয়নৰ কাৰণে আমাৰ টকা নাই।

Mr. Speaker : Will you kindly withdraw the Cut-motion.

Shri Allauddin : Sarkar, Mr. Speaker Sir, I withdraw the Cut motion.

Mr. Speaker ; Is it the Pleasure of the House to withdraw in the Cut motion.

(Cut motion is withdraw)

Speech not Corrected

Shri Dipendra Rongpi is absent. I now put the motion. The Motion is that the total provision of Rs. 33,05,32,000 under Grant No. 6 in respect of "Land Revenue and Land Ceiling" at pages 49-80 of Volume II Part I of the Budget be reduced to Rs. 1.00 i. e. the amount of the whole grant of Rs. 33, 05, 32, 000 do stand recuced to Rs. 1.00.

Aies have it, Aies have it. The Motion is lost, the Cut-Motion is lost.

Now, Mr. Chandra Mohan Patowari, will you kindly withdraw the Cut-Motion ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াই কেইটামান কথাৰ বাহিৰে তেখেতৰ বক্তব্যত ভাল কথাই কৈছে। যদিও এই ক্ষেত্ৰত বিতৰ্ক চলিছে, তথাপি কব লাগিব যে তেখেতৰ আন্তৰিকতা আছে। ভাল হলে ভাল বুলি কবই লাগিব। আৰু বেয়া পালে বেয়া বুলি কবই লাগিব। কিন্তু কথা হ'ল আমি বহুতো কথা আলোচনা কৰিলোঁ। কিন্তু মূল সমস্যাটো এৰি আছোঁ। কাট মোচন প্ৰস্তাৱটো উৎথাপন হৈছিল ভূমি নীতিৰ ওপৰত হে। আমাৰ চৰকাৰৰ বাকী থকা ৪ বছৰ কেইমাহৰ ভিতৰত যদি ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰে মাটি—বাৰীৰ সমস্যাই নোহোৱা হ'ব। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে অহা চাৰি বছৰত ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কি ব্যৱস্থা লৈছে ? সেইটো জানিব পাৰিলেই মই মোৰ কাট মোচন উঠাই লম। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয় মহোদয়ক এই বিষয়ে জানিবলৈ অনুৰোধ কৰিলোঁ।

শ্ৰী হিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণৰ কাৰণে যিমান টকা লাগে সেইটো অসম চৰকাৰৰ নাই।

সেয়েহে আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা ঋণ হিচাবে আমি যিটো টকা পাওঁ সেই টকাৰে ব্ৰহ্মপুত্ৰৰ গৰা খহনীয়া আদিত খৰছ কৰোঁতেই শেষ হয়। আমি টকা বিচাৰি কেন্দ্ৰীয় চৰকাৰলৈ লিখিছিলো। কিন্তু গোটেই টকা পোৱা নাই। গোটেই খিনি টকা পালেহে কাম হয়কো সম্পুৰ্ণ হব। গতিকে ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণৰ দায়িত্বটো কেন্দ্ৰীয় চৰকাৰৰ হাততহে আছে। কেন্দ্ৰীয় চৰকাৰে সহায় কৰিলেহে ব্যৱস্থা লোৱা হ'ব। আৰু কাম সম্পুৰ্ণ হৈ উঠিব বুলি আশাকৰো।

শ্ৰী প্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে কৈছে যে ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ দায়িত্বত আছে। কিন্তু ১৯৮২ চনতে ব্ৰহ্মপুত্ৰ ফ্লাদ কনট্ৰল এক্ট গঠন কৰি সম্পূৰ্ণ দায়িত্ব ভাৰত চৰকাৰে লৈছিল। কিন্তু আজিলৈকে বান নিয়ন্ত্ৰণৰ কাম কিমান দূৰ অগ্ৰসৰ হৈছে তাৰ হিচাব আমি পোৱা নাই আৰু কিমান টকা আদি খৰচ হৈছে তাৰ বিষয়েও আমি নেজানো।

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে বছৰি ২০ কোটি টকা দিয়ে। কিন্তু এই খিনি টকাৰে ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ হয় জানো? ভাৰত চৰকাৰে দায়িত্ব হে ললে টকা নিদিলে। গতিকে চাৰ্ভে আদি কৰাতেই টকা শেষ হৈ যায়। তাৰোপৰি বানপানী বছৰি চলিয়ে থাকে।

শ্ৰী গিয়াচুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে দায়িত্ব লোৱাৰ সম্পৰ্কত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী মহোদয়ে কি কয়?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো কোৱাত থিক হোৱা নাই।

শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ ডাঙৰীয়া, ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণৰ কাৰণে যিবিলাক অফিচাৰ ইঞ্জিনিয়াৰক দায়িত্ব দিয়া হৈছে তেখেত সকলৰ দ্বাৰা একো কাম হোৱা নাই। সকলো বগা হাতীত পৰিণত হৈছে। এই সকলক খেদি দিব লাগে। তেখেত সকলৰ সলনি বেলেগ অফিচাৰ ইঞ্জিনিয়াৰ নিয়োগ কৰিব লাগে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া এজন মেজৰ পলিটিচিয়ান নেতা। তেখেতে সকলো জানে। এজন মানুহৰ শৰীৰৰ ভিতৰত কেন্সাৰ হৈছে আৰু ওপৰত খৰ হৈছে। কেন্সাৰ বেমাৰ প্ৰতিৰোধ নকৰি খৰ বেমাৰৰ ঔষধ দি প্ৰতিৰোধ কৰাৰ দৰে হৈছে। আমাৰ ক্ষেত্ৰতো তেনে হৈছে। আমি প্ৰথমে ব্ৰহ্মপুত্ৰ নদী খান্দি দিয়াৰ ব্যৱস্থা কৰিলে অসমত বহুত ভূমি ওলাব। এনেয়ে ভূমি নীতিৰ কথা কৈ থাকিলে নহয়। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৪ বছৰ আৰু কেইটামান মাহ সময় থাকোতে বিশেষকৈ ব্ৰহ্মপুত্ৰৰ ব্যৱস্থা লব লাগে। মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ে ভূমি নীতিৰ কথা কৈছে যে অসমত যদিও ভূমি আছে এসময়ত ব্ৰহ্মপুত্ৰই অসমৰ সকলো মাটি লৈ যাব। ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়া আৰু খৰস্ৰোতা সোতে সকলো শেষ কৰি দিব। এসময়ত এনেকুৱা এটা দিন আহিব অসমত ভূমিনীতিৰ কোনো কথা দৰ্কাৰ নহব। সেইকাৰণে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক পুনৰাৰ অন্তৰৰে কৈছো ব্ৰহ্মপুত্ৰৰ বিষয়ে কি প্ৰচেষ্টা আগবঢ়াব। আমি বিৰোধী পক্ষৰ সদস্য হিচাবে যিখিনি পাৰো সহায় আগবঢ়াম। এইখিনি কথা কৈ কাটমোচনৰ কাৰণে মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াক কব বিচাৰিছো যে তেখেতে যি বিলাক কথা কৈছে সেইবিলাক ভাল পাইছো। ভালটো সদায় ভাল বুলিয়ে কম। বেয়াটো আমাক কবলৈ বাধা দিলেও আমি চিঞৰি চিঞৰি কৈ বাহিৰ কৰি দিম। অধ্যক্ষ মহোদয়ে যদিও কবলৈ বাধা দিয়ে আমি কৈয়ে থাকিম। মাননীয় ৰাজহ মন্ত্ৰী মহোদয়, জিলাৰ উপায়ুক্ত কাৰ্য্যালয়, এচ, ডি, চি, কাননগু, মণ্ডল আদি কৰ্ম্মচাৰী সকলৰ হৈ যদি কাৰো ফালে মাত

নামাতে তেন্তে এসময়ত ভীষ্ম শৰশৰ্য্যাৰ দৰে মন্ত্ৰী মহোদয়ৰ অৱস্থা হব। পাণ্ডৱ সকলৰ হাতত অগ্নিবান থকাৰ দৰে চৰকাৰৰ হাততো নীয়ম নীতি আইন আছে। সময়মতে সেই আইন প্ৰযোজ্য নকৰিলে ভীষ্মৰ শৰশৰ্য্যাৰ দৰে হব। সেই কাৰণে মই মন্ত্ৰীক মাননীয় অধ্যক্ষ ডাঙৰীয়াকো এই বিষয়ত জোৰ দিবলৈ অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ : মোৰ অনুভৱ হৈছে—আমি প্ৰত্যেকে দুৰ্য্যোধন। ৫ জনক উদ্দেশ্য কৰি কৰিছিল। আমাৰ মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে আমাৰও সেই একে অৱস্থা আমি প্ৰত্যেকে এতিয়া দুৰ্যোধনৰ দৰে।

শ্ৰী নকুল দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য পাটোৱাৰী ডাঙৰীয়াই মণ্ডল, কাননগু সকলৰ বিষয়ে যিবিলাক কথা উত্থাপন কৰিছে। সকলো একে নহয়। পৰিস্কাৰকৈ জানি বুজিহে কথাবিলাক প্ৰকাশ কৰাটো উচিত বুলি মই ভাবো।

শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, ৰাজহ মন্ত্ৰী মহোদয়ে নিজে এই কথাটো স্বীকাৰ কৰিছে। আপুনি তেখেতক সোধক। ওচৰতে আছে যেতিয়া কাণে কাণে সুবিধ পাৰে। কেৱল মই কোৱা কথা নহয়।

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য পাটোৱাৰী ডাঙৰীয়াই যিখিনি কথা কৈছে ব্ৰহ্মপুত্ৰক আমি গুৰুত্ব ভাৱে লব লাগে। আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা বছৰি ২০ কোটি টকা দিয়া হৈছে। আমি আৰু বেলেগে ৫০ কোটি টকা আনি গোটেইখিনি ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰৰ লগত কামত লগাব পাৰো।

Mr. Speaker : Is it the pleasure of the House 'o grant leave to withdraw the cut motion? (voices-yes, yes).

Speech not Corrected

With the leave of the House the cut motion is withdrawn. Now I put the motion before the House for approval. The motion is "That a sum of Rs. 33'05,32,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March., 1993 for the administration of "Land Revenue and Land Ceiling."

The motion is passed. Grant No. 6 is passed (by voice vote)

Now I proceed to Grant No. 14. I request the Hon'ble Chief Minister to move.

Shri Hiteswar Saikia ( Chief Minister ) : Mr. Speaker sir, on the recommendation of the Governor of Assam, I beg, sir, to move that a sum of Rs. 200,28,73,000 be granted to the Minister-in charge to defray the charges which will come in course of payment during the year ending the 31st March, 1993 for the administration of "Police".

Mr. Speaker : There are as many as 16 cut motions notices pending in the name of hon'ble Members (1) Shri Nagen Sarma and Dr. Kamala Kalita (2) Shri Bharat Chandra Narah (3) Shri Zoii Nath Sarma (4) Shri Jatin Mali (5) Shri Jew Ram Boro (6) Shri Bhupen Roy (7) Shri Sahidul Alam Choudhury (8) Shri Hiten-

dra Nath Goswami, Shri Dilip Kumar Saikia, Shri Babul Das, Shri Binod Goala (9) Shri Phani Bhusan Choudhury (10) Shri Sashkamal Handique, Shri Nizamuddin Khan, Shri Alauddin Sarkar, Shri Asahaque Ali (11) Shri Naxmul Haque, Shri Dewan Jaynal Abedin (12) Shri Promode Gogoi, Shri Giasuddin Ahmed, Shri Alauddin Sarkar. (13) Shrí Holiram Terang, Shri Monsing Rongpi, Shri Dipendra Rongpi (14) Shri Chandra Mohan Patowary (15) Shri Karendra Basumatary (16) Shri Gahin Chandra Das.

Now I request the hon'ble Members to move their cut motions one by one. Firstly, I request Shri Nagen Sarma to move his cut motion.

শ্রী নগেন শর্মা : মাননীয় অধ্যক্ষ মহোদয়, মই প্রস্তাৱ কৰো যে "১৯৯২-৯৩ চনৰ মঞ্জুৰীৰ বাবে দাবী সমূহৰ তালিকাৰ ১-৬৭ পৃষ্ঠাত থকা আৰক্ষী শিতানৰ ৯৪ নম্বৰ দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ২০০, ২৮, ৭৩, ০০০ টকাৰ পৰা ১ টকালৈ হ্ৰাস কৰা হওঁক। অৰ্থাত্ সমুদায় দাবী মঞ্জুৰীৰ ২০০,২৮,৭৩,০০০ টকা ১ টকালৈ হ্ৰাস কৰা হওঁক।"

Mr. Speaker : Hon'ble Member Shri Bharat Chandra Narah to move his cut motion.

শ্রী ভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, প্ৰস্তাৱ কৰা হওক "যে ১৯৯২-৯৩ চনৰ মঞ্জুৰীৰ বাবে দাবী সমূহৰ তালিকাৰ ১-৬৭ পৃষ্ঠাত থকা আৰক্ষী শিতানৰ ১৪ নম্বৰ দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ২০০,২৮, ৭৩,০০০ টকাৰ পৰা ১ টকালৈ হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমূদায় দাবী মঞ্জুৰীৰ ২০০, ২৮, ৭৩, ০০০ টকা ১ টকালৈ হ্ৰাস কৰা হওঁক।"

Shri Zoii Nath Sarma : Mr. Speaker sir, I beg to move that the total provision of Rs. 200,28,73,000, under Grant No. 14 in respect of "Police" at pages 1-67 of Volume II, Part V of the Budget be reduced by Rs. 100.00 ie, the amount of the whole grant of Rs. 200,28,73,000 do stand reduced by Rs. 100,00.

শ্রী গিয়াচুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মঞ্জুৰীৰ বাবে দাবী কৰা ইমান কোটি টকা বুলি পঢ়িলে নহব। মই কৰ্ত্তন প্ৰস্তাৱটো উৎথাপন কৰিব বিচাৰিছো বুলি নিয়মটোহে কৰিব লাগে।

( সদনৰ ভিতৰত কোনোবা এজন সদস্যই কয়, এইটো পঢ়িবই লাগিব )।

Mr. Speaker : Hon'ble Member Shri Jatin Mali to move his cut-motion.

শ্রী যতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো "যে, ১৯৯২-৯৩ চনৰ মঞ্জুৰীৰ বাবে দাবী সমূহৰ তালিকাৰ ১-৬৭ পৃষ্ঠাত থকা আৰক্ষী শিতানৰ ১৪ নম্বৰ দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ২০০, ২৮, ৭৩, ০০০ টকাৰ পৰা ১ টকালৈ হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমূদায় দাবী মঞ্জুৰীৰ ২০০, ২৮, ৭৩, ০০০ টকা ১ টকালৈ হ্ৰাস কৰা হওঁক।"

Mr. Speaker : Hon'ble Member Shri Jew Ram Boro, to make his Cut-motion.

Shri Jew Ram Boro : Sir, I beg to move that the total provision of Rs. 200,28,73,000, under Grant No. 14 in respect of 'Police' at pages 1-67 of Volume-II, Part-V

of the budget be reduced to Rs. 1.00 i.e. the amount of the whole grant of Rs. 200,28,73,000 do stand reduced to Rs. 1.00.

Mr. Speaker : Hon'ble Member Shri Bhupen Roy to move his Cut-motion.

শ্ৰী ভুপেন ৰয় : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো "যে ১৯৯২-৯৩ চনৰ মঞ্জুৰীৰ বাবে দাবী সমূহৰ তালিকাৰ ১-৬৭ পৃষ্ঠাত থকা আৰক্ষী শিতানৰ ১৪ নম্বৰ দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ২০০,২৮,৭৩,০০০ টকাৰ পৰা ১ টকালৈ হ্ৰাস কৰা হওঁক।" অৰ্থাত সমুদায় দাবী মঞ্জুৰীৰ ২০০, ২৮, ৭৩, ০০০ টকা ১ টকালৈ হ্ৰাস কৰা হওঁক।"

Mr. Speaker : Shri Sahidul Alam Choudhury, absent, now Hon'ble Member Shri Hitendra Nath Goswami to move his Cut-motion.

Shri Hitendra Nath Goswami : Sir, I beg to move that the total provision of Rs. 200,28,73,000 under grant No. 14 in respect of 'Police' at page 1-67 of Volume-II Part-V of the Budget be reduced to Re. 1.00 i.e. the amount of the whole grant of Rs. 200,28,73,000 do stand reduced to Rs. 1.00.

শ্ৰী ফণী ভূষণ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিব খোজো যে—১৯৯২/৯৩ চনৰ মঞ্জুৰীৰ বাবে দাবী সমূহৰ তালিকাৰ ১-৬৭ পৃষ্ঠাত থকা আৰক্ষী শিতানৰ ১৪ নংৰ দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ২০০,২৮,৭৩,০০০ টকাৰ পৰা ১০০ টকাৰে হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমুদায় দাবী মঞ্জুৰীৰ ২০০,২৮,৭৩,০০০ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক।

Shri Nizamuddin Khan : Sir, I beg to move that the total provision of Rs. 200,28,73,000 under Grant No. 14 in respect of 'Police' at pages 1-67 of Volume-II Part-V of the Budget be reduced to Rs. 1.00 i.e. the amount of the whole grant of Rs. 200,28,73,000 do stand reduced to Rs. 1.00

Shri Nazmul Haque : Sir, on my behalf Shri Dewan Jaynal Abedin will move.

Shri Dewan Jaynal Abedin : Hon'ble Speaker Sir, I beg to move that the total provision of Rs. 200,28,73,000 under Grant No. 14 in respect of 'Police' at pages 1-67 of Volume II Part V of the budget be reduced by Rs. 100.00 i.e. the amount of the whole grant of Rs. 200,28,73,000 do stand reduced by Rs. 100.00

Shri Giasuddin Ahmed : Sir, I beg to move that the total provision of Rs. 200,28,73,000 under Grant No. 14 in respect of 'Police' at pages of 1-67 of Volume II Part V of the Budget be reduced to Re. 1.00 i.e. the amount of the whole grant of Rs. 200,28,73,000 do stand reduced to Re. 1.00

Shri Monsing Rongpi : Sir, I beg to move that the total provision of Rs. 200,28,73,000 under Grant No. 14 in respect of 'Police' at pages 1-67 of Volume II Part

V of the Bubget be reduced to Re. 1.00 i.e. the amount of the whole grant of Rs. 200,28,73,000 do stand reduced to Re. 1.00.

Shri Chandra Mohan Patowary : Hon'ble Speaker Sir, I beg to move that the total provision of Rs.200,28,73,000 under Grant No. 14 in respect of 'Police' at pages 1-67 of Volume II, Part V of the Budget be reduced by Rs. 100.00 i.e. the amount of the whole grant of Rs. 200,28,73,000 do stand reduced to Rs. 100.00

শ্ৰী কৰেন্দ্ৰ বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ ফৰিব খোজো যে ১৯৯২-৯৩ চনৰ মঞ্জুৰীৰ বাবে দাবী সমূহৰ তালিকাৰ ১-৬৭ পৃষ্ঠাত থকা আৰক্ষী শিতানৰ ১৪ নংৰ দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ২০০,২৮,৭৩০০০ টকাৰ পৰা ১ টকালৈ হ্ৰাস কৰা হওঁক। অৰ্থাত সমূদায় দাবী মঞ্জুৰীৰ ২০০,২৮,৭৩,০০০ টকা ১ টকালৈ হ্ৰাস কৰা হওঁক ।

শ্ৰী গহীন চন্দ্ৰ দাস : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৯২-৯৩ চনৰ মঞ্জুৰীৰ বাবে দাবী সনূহৰ তালিকাৰ ১-৬৭ পৃষ্ঠাত থকা শিতানৰ ১৪ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ২০০,২৮,৭৩,০০০ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক । অৰ্থাৎ সমূদায় দাবী মঞ্জুৰীৰ ২০০,২৮,৭৩,০০০ টকাৰ ১০০ টকাৰে হ্ৰাস কৰা হওঁক ।

Mr. Speaker : I now call upon Hon'ble Member, Shri Nagen Sarma to Speak on it.

শ্ৰী নগেন শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, গৃহ বিভাগৰ আৰক্ষী শিতানত ১৯৯২/৯৩ চনৰ বাজেটৰ ওপৰত বিৰোধী পক্ষ্যৰ সদস্য সকলে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে, ই নিশ্চয় অতি দুখেৰে আনিব লগা হৈছে । এই বিভাগটো

চৰকাৰৰ এটা অতি গুৰুত্বপূৰ্ণ বিভাগ কিন্তু এই বিভাগটোয়েই আজি এক সামন্তবাদীৰ এক অইন এটা ৰূপত পৰিণত হৈছে। এই বিভাগটোৰ এটা পুনৰবিন্যাস আনি সংশোধন কৰিব নোৱাৰিলে প্ৰকৃততে গনতন্ত্ৰ ৰক্ষা নপৰিব। আমি দেখিছো এই বিভাগটোয়ে কেবল আমাৰ ৰাজ্যতেই নহয় গোটেই ভাৰতবৰ্ষতে আগৰে পৰা এক বিশিষ্ট ৰাজনৈতিক দলৰ হাতীয়াৰ হিচাবে ব্যৱহাৰ কৰাৰ কাৰণে আৰু কৰি অহাৰ কাৰণেই বিভাগটোক সামন্তবাদী ৰূপ লোৱা যেন পৰিলক্ষিত হৈছে। গতিকে এই বিভাগটোৰ এটা সংশোধন আনি পুনৰবিন্যাস ঘটাব লাগিব। গৃহ বিভাগটোক অইন এটা ৰূপ এই কাৰণেই কোৱা হৈছে যে যি বিভাগটোয়ে জনসাধাৰণৰ স্বাৰ্থৰ কাৰণে কাম কৰিব লাগে, দেশৰ আইন-শৃংখলা ৰক্ষা কৰাৰ বাবে এই বিভাগটো অতিব প্ৰয়োজন আৰু দেশৰ শান্তি শৃংখলা বজাই ৰখাৰ কাৰণে এই বিভাগটোয়ে কাম কৰিব লাগে। কিন্তু প্ৰকৃতপক্ষে আমি কি দেখিছো এই বিভাগটোয়ে জনসাধাৰণৰ এচাম লোকৰ স্বাৰ্থৰ কাৰণেহে কাম কৰি আহিছে। আমাৰ ৰাজ্যখনত অসমত এই বিভাগটোক ১৯৮৩ চনৰ পৰা কেৱল এক ৰাজনৈতিক দলৰ স্বাৰ্থৰ কাৰণেহে ব্যৱহাৰ কৰা হৈছে আৰু সেইদৰে এক বিশেষ শ্ৰেণীৰ সুবিধাৰ কাৰণে পুলিচ বিভাগটো ব্যৱহাৰ হৈ আছে। আপোনালোকে মন কৰিব যদি এখন পুলিচ থানালৈ যায় তাত দেখিব তাত থকা কনিষ্টবলৰ দুজন থানাৰ অ'চিৰ ব্যক্তিগত কামত সহায় কৰাৰ কাৰণে ৰখা হৈছে, সেইদৰে এজন চাৰ্কোল ইন্সপেক্টৰৰ কাৰণে তিনি জন সেইদৰে ডি, এচ, পিৰ কাৰণে ৪জন আৰু এচ, পিৰ ব্যক্তিগত কামৰ কাৰণে ৬জন ব্যৱহাৰ কৰি থকা হৈছে। এই কনিষ্টবল সকল চৰকাৰী কৰ্ম্মচাৰী তেওঁলোকক ৰাজনৈতিক স্বাৰ্থত, ব্যক্তিগত কামত ব্যৱহাৰ কৰি থকা দেখা গৈছে। মাননীয় অধ্যক্ষ মহোদয়, যোৱা অধিবেশনত আমি বিশেষকৈ বিৰোধী পক্ষ্যৰ সদস্য সকলৰ ফালৰ পৰা মাজে সময়ে আইনশৃংখলাৰ সম্পৰ্কত এই বিষয়ে উত্থাপন কৰা হৈছিল।

Speech not Corrected

প্ৰকৃততে ৰাজ্যখনত তথা দেশখনত আইন-শৃংখলা ৰক্ষা পৰিছে নে নাই ? এফালে চৰকাৰে কৈছে আইন-শৃংখলা স্থিতাবস্থা হৈছে কিন্তু প্ৰকৃততে আইন শৃংখলা ৰক্ষা পৰা নাই, ই তুহ জুইৰ দৰে উমি উমি জলি আছে, এই আইন শৃংখলাক প্ৰকৃততে হেঁচা দি ৰখা হৈছে । ইয়াত পুলিচ বিভাগৰ কোনো অৰিহনা নাই, কেৱল ভাৰতীয় সেনাবাহিনীৰ দ্বাৰা হেঁচা দি ৰখা হৈছে । যি কোনো মূহুৰ্ত্ততে তুহ জুইৰ নিচিনাকৈ উমি উমি জলি থকা জুইকোৰা ডাঙৰকৈ জলিব পাৰে । আপুনি দেখিলে আচৰিত হব যে গুৱাহাটী মহানগৰীৰ মাজমজিয়াতে এনে কিছুমান কাৰ্য্য চলি আছে যে, থানাৰ সন্মুখতে অবাধে নীতি বিৰুদ্ধ কিছুমান জঘন্য কৰ্ম্ম চলি আছে। জুৱা খেলা, তীৰৰ এজেণ্ট তীৰৰ টিকত বিক্ৰী কৰি আছে, মদ স্মাগলিংৰ নিচিনা ভয়ানক দুষ্কাৰ্য্য বিলাক থানাৰ সন্মু-খতে ঘটি আছে, অবাধে ঘটি আছে কিন্তু থানাৰ বা আৰক্ষী বিভাগৰ বিষয়া সকলৰ এই ক্ষেত্ৰত কোনো ধৰণৰ হস্তক্ষেপ নাই বৰঞ্চ তেওঁ-লোকৰ এই ক্ষেত্ৰত সহযোগহে আছে । গুৱাহাটী মহানগৰীৰ পলটন বজাৰৰ থানাৰ সন্মুখত অসমৰ ডাঙৰ ডাঙৰ তীৰৰ এজেণ্ট সকলে তীৰৰ টিকত বিক্ৰী কৰি আছে, মদৰ প্ৰচলন অবাধে চলাই আছে, আনকি অবাধে স্মাগলিংৰ নিচিনা অবৈধ কাৰ্য্যবিলাক চলাই আছে কিন্তু সেই থানাৰে কৰ্ম্ম কৰ্ত্তা সকলে নিৰবে বহি আছে। এই অবৈধ কাৰ্য্যবিলাকত নিশ্চয় তেওঁলোকৰ সহযোগহে আছে নহলে কিয় নিৰবে বহি থাকিব।

অধ্যক্ষ মহোদয়, এই থানাৰ সন্মুখতে তীৰৰ ডাঙৰ এজেণ্ট স্মাগলিংৰ প্ৰচলন চলি থাকে আৰু পুলিচ বিষয়া সকলে তাত কোনো মাত নামাতি নীৰৱে থাকি সন্মতি দিয়ে। যাৰ কাৰণে আজি এইবিলাক ঘটনা ঘটি আছে। অধ্যক্ষ মহোদয়, এজন সাধাৰণ মানুহ আজি যদি কিবা গোচৰ দিয়াৰ কাৰণে থানালৈ যাবলগীয়া হয়, সেই সাধাৰণ মানুহ-জনক যিটো ব্যৱহাৰ কৰা হয়, সেই ব্যৱহাৰৰ বাবে মানুহজন থানালৈ যাব নোৱাৰে। কিন্তু প্ৰতিপত্তি থকাজন থানালৈ যাব পাৰে। দুখীয়া মানুহ যাব নোৱাৰে। আজি এই আৰক্ষী বিভাগৰ ব্যৱহাৰ সম্পৰ্কত

প্ৰশিক্ষন দিবলগা অৱস্থা আহি পৰিছে। মানুহক কি ধৰণে ব্যৱহাৰ কৰিব, কেনেকৈ কথা পাতিব এই সম্পৰ্কত প্ৰশিক্ষন দিব লাগিব। আচৰণ বিধিৰ যিটো অৱস্থা চলি আছে তাৰ পুনৰ বিন্যাস ঘটাব লাগে। আৰু ইয়াৰ ব্যৱস্থা চৰকাৰে অতি সোনকালে কৰিব লাগে। অধ্যক্ষ মহোদয়, আমাৰ ভিতৰুৱা অঞ্চলত যিবিলাক থানা আছে আৰু বিষয়া আছে তেওঁলোকৰ যিটো অৱস্থা সচাকৈয়ে আচৰিত হব লাগে। তাৰ অ'চি গৰাকী সেই অঞ্চলৰ একোজন সৰুৰজা। আৰু তেওঁৰ ইচ্ছামতে ৰাইজ উঠা বহা কৰিব লাগে। গতিকে এই ব্যৱস্থাৰ পৰিবৰ্ত্তন ঘটাব লাগে। যি ব্যৱস্থাৰ দ্বাৰা জনসাধাৰণৰ স্বাৰ্থৰ বিৰোদ্ধে বা কাম কৰা হয়, সেই ব্যৱস্থাৰ পৰিবৰ্ত্তন আনিব লাগিব। অধ্যক্ষ মহোদয়, এই আৰক্ষী বিভাগৰ গোটেই বিভাগটোতে ভিতৰুৱা খেলিমেলি আছে। গোটেই বছৰত আৰক্ষী বিভাগৰ তৰফৰ পৰা গাড়ী ৰিকুইজিচন কৰা হয় যিটো আইনগত ভাবে নহয়। আৰক্ষী বিভাগৰ তৰফৰ পৰা গাড়ী ৰিকুইজিচন কৰা হয় যিটো আইনগত ভাবে নহয়। আৰক্ষী বিভাগে কেতিয়াও পোনপটিয়া ভাবে গাড়ী ৰিকুইজিচন কৰিব নোৱাৰে। যদি কৰিব লগা হয় তেনেহলে মেজিষ্ট্ৰেত লগত থাকিব লাগে। তেতিয়াহে গাড়ী ৰিকুইজিচন কৰিব পাৰে। ইয়াত দেখিছো যে, পুলিচে ইচ্ছা কৰিয়েই গাড়ী ৰিকুইজিচন কৰে আৰু সেই গাড়ী বিভাগৰ স্বাৰ্থত ব্যৱহাৰ নকৰি ব্যাক্তিগত কামত ব্যৱহাৰ কৰা হৈছে। এনে ধৰণৰ ঘটনা ঘটি আছে। গাড়ী যেনে ধৰণৰ কামত ব্যৱহাৰ হব লাগে তেনে ধৰণৰ কামত ব্যৱহাৰ নহয়। গতিকে আমি দেখিছো যে, ৰিকুইজিচনৰ যিটো ব্যৱস্থা এই ব্যৱস্থাৰ পৰিবৰ্ত্তন ঘটাব লাগে। পুলিচ বিভাগৰ পৰা যাতে গাড়ীৰ মালিকক বা কৰ্ত্তৃপক্ষক হাৰাশাস্তি নকৰে তাৰ ব্যৱস্থা কৰিব লাগে। পোনপটিয়া ভাবে যাতে গাড়ী ৰিকুইজিচম কৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগে। পুলিচে ধমকি দি গাড়ী লৈ আহে নহলে ড্ৰাইভাৰৰ ওপৰত ব্যৱস্থা লয়। এইদৰে পুলিচে নীৰৱে কাম কৰি আছে। আশা-কৰো বিভাগীয় মন্ত্ৰী মহোদয়ে আৰক্ষী বিভাগৰ এই বিষয় সম্পৰ্কত গভীৰভাবে চিন্তা চৰ্চা কৰিব অধ্যক্ষ মহোদয়, আজি আইন শৃংখলাৰ

কথা কোৱা হৈছে, আইন শৃংখলা ৰক্ষা কৰাৰ কাৰণে প্ৰতিৰোধ ব্যৱস্থা লোৱা হৈছেনে ? ভিতৰুৱা অঞ্চলত থকা থানা বিলাকত এখনো গাড়ী বিচাৰি পাবলৈ নাই । তাত যিসকল আৰক্ষী বিষয়া বা কনিষ্টবল আছে সেই সকলে ব্যৱহাৰ কৰাৰ বাবে কোনো ধৰণৰ প্ৰয়োজনীয় অস্ত্ৰ শস্ত্ৰ নাই। মাত্ৰ গুৱাহাটী মহানগৰীৰৰ পান বজাৰ থানাৰ বাহিৰে বাকী কোনো থানাৰে নতুন ৰূপ দিয়াৰ কোনো ব্যৱস্থা হোৱা নাই। এনে এটা আওপুৰণি ব্যৱস্থা ৰখাৰ বাবেই আজি আৰক্ষী বিভাগে সময়মতে কাম কৰিব পৰা নাই। অধ্যক্ষ মহোদয়, নলবাৰী জিলাৰ সদনত যিখন থানা আছে তাত এখনো গাড়ী নাই। এখন পুৰণা গাড়ী আছে, যি খন ১০ বাৰ মান থেলিলেহে ষ্টাৰ্ট হয়। এই সম্পৰ্কত বহুবাৰ গৃহমন্ত্ৰীলৈ চিঠি দিয়া হৈছে কিন্তু কি ব্যৱস্থা লৈছে জানিব পৰা নাই। অন্তত নলবাৰী সদৰত যিখন থানা আছে সেই থানাখন ওৱেল ইকুইপদ কৰিব লাগে। এইদৰে অকল নলবাৰীতে নহয় সমগ্ৰ অসমৰ ভিতৰুৱা অঞ্চলত এনে ধৰণৰ বহুতো থানা আছে সেই সকলো বিলাকৰ একে অৱস্থা। কেৱল সেইটোৱে নহয় আমি দেখিছো যে, আজি ৬ ভিতৰত সমগ্ৰ অসমতে পৰিকল্পিত ভাৱে দকাইটি আৰম্ভ হৈছে। গুৱাহাটী মহানগৰীতো দকাইতি আদি ঘটিছে বুলি বিভিন্ন বাতৰি কাকতে প্ৰকাশ কৰিছে। দিচপুৰৰ আশে পাশে হাতীগাৱঁকে আৰম্ভ কৰি দকা-ইটি আৰম্ভ হৈছে । এই দকাইটি পৰিকল্পিত ভাবে হৈছে । আৰু আমি দেখিছো যে, এই দকাইটি প্ৰতিৰোধ কৰা বাবে আৰক্ষী বিষয়া সকল ব্যৰ্থ হৈছে। এই পৰিকল্পিত দকাইটি গুৱাহাটিতো হৈছে, নলবাৰীতো হৈছে আৰু অসমৰ বিভিন্ন ঠাইতে হৈছে । গতিকে আজি যি পৰিকল্পিত দকাইটি চলি আছে সেইটো প্ৰতিৰোধ কৰাৰ বাবে আমাৰ এটা ডাঙৰ দায়িত্ব আহি পৰিছে । এই বিভাগটো এতিয়া কুম্ভকৰ্ণৰ নিদ্ৰাৰ পৰা সাৰ পাই উঠি কাম কৰাৰ সময় আহিছে । কাৰণ আজি জনসাধাৰণৰ ৰক্ষনাবেক্ষনৰ কথা কোৱা হৈছে। গুৱাহাটী মহানগৰীৰ বুকুতে আজি লুটপাত চলি আছে কিন্তু তাৰ আজি প্ৰতি-

ৰোধ কৰিব পৰা নাই । অধ্যক্ষ মহোদয়, এই বিভাগৰ আজি কৰ- নীয় কাম বহুত আছে । অধ্যক্ষ মহোদয়, আজি গুৱাহাটী মহানগৰীত যাতে ট্ৰেফিকে নিয়মসমূহ মানি চলে তাৰ বাবে চকু দিবলৈ ট্ৰেফিক পুলিচ ৰখা হৈছে । কিন্তু অতি দুৰ্ভাগ্যৰ কথা যে, এই ট্ৰেফিক পুলিচ সকলে আজি যান বাহন নিয়ন্ত্ৰন কৰাৰ বিপৰীতে চিটি পেট্ৰল দিউটি বুলি লিখি থোৱা গাড়ীখন নেচনেল হাইওৱেত সন্ধিয়া ৬ বজাৰ পিচৰ পৰা ট্ৰাক বিলাকৰ পৰা অবাধে ধন সংগ্ৰহ কৰা কামত লাগি গৈছে। আৰু গুজৱ ওলাইছে যে, জালুকবাৰী থানাই লোকেল কৰ আদায় কৰা বুলি সন্ধিয়া ৭ বজাৰ পিচৰ পৰা এই অভিযান আৰম্ভ কৰে আৰু ৰাতিপুৱা 8 বজালৈকে চলি থাকে । প্ৰতি দিনে ১০/২০ হাজাৰ টকা এইধৰণে সংগ্ৰহ হৈছে । তাৰোপৰি গুজব ওলাইছে যে, বিভাগত এই টকা তলৰ পৰা ওপৰলৈকে ভাগ হয় । আপোনালোক যদি ৰাতি কেতিয়াবা যায় তেনেহলে দেখিবলৈ পাব কি ঘটি আছে । অৱশ্যে ৰঙা লাইট লগোৱা গাড়ী গলে বিপদ ।

Hon'ble Deputy Speaker occupied the Chair at about 12·55 HRS).

মাননীয় উপাধ্যক্ষ :— এইটো আপুনিও গুজব বুলি ভাবেনেকি ?

শ্ৰীনগেন শৰ্মা :— উপাধ্যক্ষ মহোদয়, টকা সংগ্ৰহ কৰাৰ পিচত তলৰ পৰা ওপৰলৈকে ভাগ হোৱা কথাটোৰ সম্পৰ্কেহে মই গুজব ওলাইছে বুলি কৈছো । এইদৰে এইবিলাকত বিষয়ত ধন সংগ্ৰহৰ কাম কৰিলে বিভাগে যান বাহন কেনেকৈ নিয়ন্ত্ৰন কৰিব ? এইটো যে কেৱল গুৱাহাটীতে হৈছে সেইটো নহয়, ধুবুৰীৰ পৰা শদিয়ালৈকে নেচনেল হাইওৱেত পুলিচ বিভাগে ট্ৰেকাৰ লৈ ৰখাই ধন সংগ্ৰহ কৰে । এইটো এটা গতানু- গতিক ব্যৱস্থা হৈছে। যদি এই বিভাটো সঠিক ৰূপলৈ আনিব পৰা নাযায়, তেতিয়াহলে আজি আমি যিটো কথা কৈছো যে জন সাধাৰণৰ স্বাৰ্থৰ বিপৰীতে টকা তোলাত ব্যস্ত থকা অৱস্থাত নানা ঘটনা ঘটিব ধৰিছে।

অলপতে নলবাৰী জিলাত এনে ধৰণে টকা তুলি থকা অৱস্থাত ২ ফাৰ্লং মান দূৰতে দুটা এক্সিদেণ্ট হৈছে, কিন্তু বহু সময়লৈকে আৰক্ষী বিষয়া ঘটনা স্থলীলৈ যোৱা নাই । উপাধ্যক্ষ মহোদয়, গতিকে এই বিভাগটো অনতিপলমে শক্তিশালী কৰিব লাগে ।

মাননীয় উপাধ্যক্ষ মহোদয়, মই এতিয়া নিবনুৱা সমস্যাৰ বিষয়ে উল্লেখ কৰো । আমাৰ ৰাজ্যত বৰ্তমান ১৪ লাখ শিক্ষিত যুৱক-যুৱতী নিবনুৱা হৈ আছে। প্ৰতিজন নিবনুৱাৰে আমি চাকৰি হোৱাটো বিচাৰো । আজি অসম চৰকাৰে যথেষ্ট বা পাবা মেলেটেৰি লোক অসমলৈ আনিছে আইন শৃংখলা ৰক্ষা কৰাৰ কাৰণে ইয়াৰ কাৰণে ৰাজ্য চৰকাৰে যথেষ্ট পৰিমাণৰ টকা খৰচ কৰিবলগীয়া হৈছে। এই টকাৰে আমি অসমত আৰু কেইটামান বেটেলিয়ন গঠন কৰিব পাৰো — তেতিয়া আমাৰ কিছু পৰিমাণে হলেও নিবনুৱা সমস্যাৰ সমাধান হব । আজি আমাৰ আৰক্ষী বা বেটেলিয়নৰ লোক সকলক আধুনিক অস্ত্ৰ-শস্ত্ৰেৰে সুসজ্জিত কৰি তুলিব লাগিব। ১৯৭৯ চনত অসম নাগালেণ্ড সীমান্তৰ মেৰাপানীত যি ঘটনা ঘটিল যে আমাৰ পুলিচৰ হাতত অস্ত্ৰ-শস্ত্ৰ নথকাৰ কাৰণে কেম্প এৰি পলাই আহিবলগীয়া অৱস্থা হৈছিল। আজি আমাৰ ৰাজ্য খনৰ লগত, নাগালেণ্ড, অৰুণাচল প্ৰদেশ, মেঘালয় আদি ৰাজ্যৰ লগত আন্ত ৰাজ্য সীমা বিবাদ চলি আহিছে । সেয়ে আমাৰ পুলিচ বাহিনীটো অধিক শক্তিশালী আৰু আধুনিকীকৰণ কৰি তোলাৰ প্ৰয়োজন আহি পৰিছে। এই বাহিনী বৃদ্ধি কৰি উন্নত প্ৰশিক্ষণ দিয়াৰ প্ৰয়োজন হৈছে আজি আমাৰ ভিতৰুৱা অঞ্চলত যিবোৰ পুলিচ বাহিনী আছে তেওঁলোকৰ ওচৰলৈ গাৱঁৰ সাধাৰণ লোক যাবই নোৱাৰে, ভয় খায় কিয়নো তেওঁলোকৰ ব্যৱহাৰ অতি বেয়া । এই পুলিচ বিভাগটোক সকলো দিশতে সুন্দৰকৈ গঢ়ি তুলিব লাগে। গুৱাহাটী মহানগৰীৰ বা অন্য ঠাইৰো ট্ৰেফিক পুলিচক অধিক শক্তিশালী আৰু আধুনিক প্ৰশিক্ষণ দিয়াৰ প্ৰয়োজন

হৈছে। লগতে এই বাহিনীৰ লোকে বৃদ্ধি কৰিব লাগে, অন্য পুলিচৰ লোকো বৃদ্ধি কৰিব লাগে, আধুনিক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। যদি এই বাহিনী সুসৰ্জিত কৰা নহয়, ইয়াৰ সংখ্যা বৃদ্ধি কৰা নহয়, তেন্তে গুৱাহাটীত দুৰ্ঘটনা আৰু বৃদ্ধি পাব । এতিয়াই দৈনিক ১-৩ টাকৈ দুৰ্ঘটণা ঘটি মানুহ মৃত্যু মুখত পৰিছে।

উপাধ্যক্ষ মহোদয়, অকল এয়ে নহয়—আজি ওপৰত মহলাৰ পুলিচ বিষয়াৰ হাতত যিমানবোৰ গাড়ী আছে তাৰ তুলনাত কিন্তু তলৰ মহলাৰ পুলিচ বিষয়াৰ হাতত গাড়ী নাই। এজন এচ, পিয়ে ৪খন গাড়ী পায় ডি, জি, পিয়ে ৮খন আৰু আই, জি, পিয়ে ৬ খনকৈ গাড়ী পায়। এই গাড়ীৰ ব্যৱহাৰ কিন্তু তেওলোকে সঠিক ভাবে নকৰে। আনহাতে ভিতৰুৱা অঞ্চলৰ থানা বিলাকত এখনো গাড়ী নাথাকে। এটা ডাঙৰ দুৰ্ঘটণা ঘটিলে থানাৰ অ, চি জনে গাড়ীৰ অভাৱত তত্‌কালে তালৈ যাব নোৱাৰে। গতিকে এই ব্যৱস্থাটো পুনৰবিন্যাস কৰিব লাগে—বিষয়া সকলৰ পৰা গাড়ী আনি থানাবোৰত দিব লাগে। নহলে যিটো উদ্দেশ্যত গাড়ী দিয়া হয়, সেই উদ্দেশ্য সফল নহব। আন্তৰাজ্যিক সীমান্তত আইন শৃংখলা ৰক্ষা, ৰদ্ধিত জনসংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষীৰ সংখ্যা বৃদ্ধি কৰিব লাগে। ফ্ৰান্সত ৩০০ জন লোকৰ বিপৰীতে এজন পুলিচ আছে কিন্তু আমাৰ ইয়াত ৯০০ জনৰ বিপৰীতেহে এজন আছে। এইটো কম পক্ষেও ৬০০-৭০০ জনৰ ভিতৰত এজন আৰক্ষী হোৱাৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। তেহেই সকলোৰে সহায়ক হব। ইয়াকে কৈ মই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মোৰ বক্তব্য সামৰণি মাৰিলো।

Dr. Kamala Kalita : Mr. Deputy Speaker, Sir I am also a signatory. So I want to speak on the cut-motion.

Mr. Deputy Speoker : If you want to speak then please speak.

ডা: কমলা কলিতা :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আৰক্ষীৰ শিতানত যি দাবী মঞ্জুৰী আজি সদনত আনিছে, তাৰ ওপৰত মই কৰ্ত্তন প্ৰস্তাৱ আনি কেইটামান কথাৰ প্ৰতি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। ইতিমধ্যে আমাৰ মাননীয় সদস্য শ্ৰীনগেন শৰ্মা ডাঙৰীয়াই আৰক্ষী বিভাগৰ ওপৰত কিছু সমালোচনা আগবঢ়াইছে । উপাধ্যক্ষ মহোদয়, আজি আমাৰ পুলিচ বিভাগটো সৰ্ব্বসাধাৰণ ৰাইজৰ ভালৰ কাৰণে পৰিচালিত কৰা হৈছেনে নাই তাক যদি পৰ্য্যালোচনা কৰি চাও দেখিবলৈ পাম যে এই পুলিচ বিভাগো বৰ্ত্তমান সৰ্ব্বসাধাৰণ ৰাইজৰ ত্ৰাণকৰ্তা হিচাবে থকা নাই । সেই কাৰনেই ৰাইজে ইয়াক সদায় সমালোচনা কৰি আহিছে আৰু বাতৰি কাকততো সমালোচনা কৰা হৈছে যে আজিৰ আৰক্ষী বিভাগটো —ৰক্ষকেই ভক্ষক— হৈ পৰিছে। পুলিচে ৰাইজৰ নিৰাপত্তা দিব লাগে, যি পুলিচে ৰাইজৰ শান্তিস্থাপন কৰিব লাগে- সেই পুলিচে আজি আমি দেখিবলৈ পাইছো সকলো ক্ষেত্ৰতে পক্ষপাতিত্বমুলক হিচাবে কাম কৰি আহিছে । তেওঁলোকক বিভিন্ন অপকৰ্মত লিপ্ত হোৱা আমি দেখিবলৈ পাইছো। ইয়াৰ কাৰণ হৈছে — পুলিচ বিভাগক বৰ্ত্তমান এক ৰাজনৈতিক দলৰ হাতিয়াৰ হিচাবে ব্যৱহাৰ কৰা হৈছে । যদি পুলিচক ৰাজনৈতিক দলৰ হাতিয়াৰৰ পৰা মুক্ত কৰিব নোৱাৰে তেন্তে পুলিচৰ পৰা ৰাইজে সেৱা পাব নোৱাৰে । মই সেই কাৰণেই পুলিচ বিভাগক ৰাজনৈতিক দলৰ হাতিয়াৰৰ পৰা মুক্ত কৰিবৰ কাৰণে এই কথাখিনি উত্থাপন কৰিব বিচাৰিছো ।

( মাননীয় অধ্যক্ষই আসন গ্ৰহন কৰে )

মাননীয় অধ্যক্ষ মহোদয়, যোৱা পঞ্চায়ত নিৰ্ব্বাচনৰ সময়ত ছয়গাওঁ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গৰাকীয়ে এটা বিশেষ ৰাজনৈতিক দলৰ সপক্ষে প্ৰচাৰ চলাইছিল। আপোনালোকে যদি প্ৰমাণ বিচাৰে মই লৈ যাব পাৰো। অ'চি জনে সেই অঞ্চলৰ বিশেষ এক শ্ৰেণীৰ মানুহক এটা ৰাজনৈতিক দলৰ সপক্ষে ভোট দিবলৈ ভাবুকি দিছিল। গতিকে এনে এজন অ'চিৰ পৰা সৰ্ব্বসাধাৰণ ৰাইজে কি আশা কৰিব পাৰে বা কি পাব ? এতিয়া আমাৰ ধাৰণা হৈছে যে এটা বিশেষ ৰাজনৈতিক দলৰ দুটা ভাগ কৰ্ম্মী আছে—এটা হৈছে চিভিলিয়ান আৰু আনটো হৈছে আৰক্ষী। এই দুয়োটাই এটা ৰাজনৈতিক দলৰ হৈ কাম কৰি আছে। এই খিনিতে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিছো যাতে আৰক্ষী বিভাগটো ৰাজনৈতিক হস্তক্ষেপৰ পৰা মুক্ত কৰে আৰু ইয়াক ৰাজনৈতিক হাতিয়াৰ হিচাবে ব্যৱহাৰ নকৰে। ই যাতে ৰাইজক প্ৰকৃততে সেৱা দিব পাৰে তাৰ কাৰণে মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছো। মই এই খিনিতে এটা উদাহৰণ দিব খুজিছো—যোৱা ১ মাৰ্চ্চ তাৰিখে শ্ৰী অনন্ত দাস তেওঁৰ পত্নীৰ সৈতে ঘৰৰ পৰা ছয়গাওঁৰ বজাৰলৈ আহিছিল। তেওঁ এজন চৰকাৰী কৰ্ম্মচাৰী। তেওঁ চৰকাৰী পক্ষৰ সমৰ্থিত প্ৰাৰ্থীক ভোট নিদিয়াৰ কাৰণে ৰাস্তাত তেওঁক উত্তম মাধ্যম দিয়া হ'ল। এই সম্পৰ্কে তেওঁ ছয়গাওঁ থানাত এটা গোচৰ তৰে আৰু তেওঁক প্ৰহাৰ কৰাত কোন কোন ব্যক্তি লিপ্ত আছিল সেই সকলৰ নাম পৰ্য্যন্ত উল্লেখ কৰা হৈছিল, তাৰে ভিতৰত এজন এল, পি স্কুলৰ শিক্ষকো আছিল। কিন্তু আজিলৈকে এই কেচটোৰ একো নহল।

মাননীয় অধ্যক্ষ মহোদয়, অনন্ত দাসক এনে ধৰণে ঘেৰাও কৰি প্ৰহাৰ কৰিছে যে পৰিবাৰৰ ওপৰত অশালিন ব্যৱহাৰ কৰি নানাধৰণৰ কতু কথা কৈছে। তথাপিও পুলিচে কোনো ব্যৱস্থা নললে। এইটো কোনোবা ৰাজনৈতিক দলৰ হস্তক্ষেপ নেকি ? এনেকুৱা এটা ঘটনাৰ পাচতে পুলিচে

কোনো ব্যৱস্থা নোলোৱাৰ কথাটো সহজ ভাবে লব পৰা নাযায়। মোৰ ভাব হয় নিশ্চয় কোনোবা ৰাজনৈতিক দলৰ প্ৰৰোচনা অথবা নিৰ্দ্দেশত পুলিচে কোনো ধৰনৰ ব্যৱস্থাই গ্ৰহন নকৰিলে । ২ তাৰিখে ছয়গাওঁলৈ গৈ দুয়োপক্ষই গোহাৰি দিলে । গোটেই কথাটো বুজ লবলৈ আৰু ৰাইজৰ লগত আলোচনা কৰিবলৈ মই ছয় গাওঁলৈ গলোঁ । যিহেতুকে ছয়গাওঁত থকা আই যি টো বৰ্ত্তমান মিলিটেৰীৰ কবলত । সেয়ে মই এচ ডি চিৰ অফিচতে মই বহিবলগীয়া হ'ল । আৰু সেই এচ ডি চি অফিচত বহিয়েই থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু চক্ৰ পৰিদৰ্শকক মোৰ ওপৰলৈ মাতি পঠালোঁ। কিন্তু তেওঁলোকে কৈ পঠিয়ালে যে কিবা কাম আছে যদি তেওঁ নিজেই আহিব । অধ্যক্ষ মহোদয়, আপুনি চিন্তা কৰি চাওঁক । এজন বিধায়কৰ এনে অৱস্থা কিয় হব লগা হ'ল। তাত দুঘণ্টা অপেক্ষা কৰাৰ পাচত মই নিজেই থানালৈ যাব লগাত পৰিলোঁ। । যিহেতুকে বহু-কেইজন ৰাইজে আহি কথাটোৰ আলোচনা কৰিবলৈ মোক টানি ধৰিলে । অধ্যক্ষ মহোদয়, আপুনি ভাবি চাওঁক ? এজন বিধায়ক হৈ এনে ধৰনৰ অৱস্থা কিয় হবলগা হ'ল। তাৰ কাৰণ হ'ল নিশ্চয় শাসক দলৰ তৰফৰ পৰা কিবা নিৰ্দ্দেশ দিয়া আছে নেকি ? যে বিৰোধী পক্ষৰ বিধায়কে মাতিলে বিষয়া সকলে কোনো উপকাৰ বা সহায় কৰি দিব নোৱাৰে কিন্তু মই জনাত এনে ধৰণৰ নিৰ্দ্দেশ নিশ্চয় কেতিয়াও হব নোৱাৰে।

আজি আমাৰ এনেকুৱা এটা অৱস্থা হৈছে কথা এটা আছে "বালিলৈ যিপাত শৰ সুগ্ৰীবৰো সেই একেপাত" । কথা হৈছে এচাম কৰ্ম্মচাৰী আৰু এচাম তলখাপৰ ৰাজনৈতিক নেতা আছে যিসকলে নেকি অপ-প্ৰচাৰ চলায় এনে ধৰনৰ পৰিস্থিতিৰ সৃষ্টি কৰে । অশান্তিৰ সৃষ্টি কৰি সৰযন্ত্ৰ কৰি দেখা গৈছে যিমানখিনি কৰি বেচি অশান্তি কৰিব পাৰে বা বিশৃংখলাৰ সৃষ্ট্ৰি কৰিব পাৰে তেতিয়াহলে তেওঁলোকৰ সুবিধা। এনে-চাম মানুহে শান্তি কেতিয়াও নিবিচাৰে । অশান্তি হলে মাৰপিট হলে যেতিয়া দুয়োপক্ষই এজাহাৰ দিবলৈ যায় পুলিচে দুয়োপক্ষৰ পৰা টকা লয় । সেয়ে তেওঁলোকৰ আটাইতকৈ ডাঙৰ সুবিধা । গতিকে ভাল

পৰিবেশ নিবিচাৰাটো স্বাভাৱিক । ছয়গাওঁ অঞ্চলত তিনিটা ভি ডি অ হ'ল চলি আছে এই বিলাক বন্ধ কৰিবলৈ আমি কেতিয়াবাৰ পৰাই কৈ আহিছো । কিন্তু কোনেও কথা নুশুনে । এই বিষয়ে মই মন্ত্ৰী মহোদয়ক লিখিতভাবে জনাইছো আপুনিও নিশ্চয় পাইছে । এই ভি ডি অ হ'ল বিলাকত অশ্লিল ছবি পৰিদৰ্শন কৰি আছে । সদায়ে এনে ধৰনৰ বেয়া কাম দুৰ্নিতী অপসংস্কৃতি ইত্যাদিবোৰ হৈ আছে কিন্তু এইবিলাক পুলিছে বন্ধ নকৰে । এই বিলাক কোনে বন্ধ কৰিব লাগিব। পুলিচে যদি নকৰে ল' এণ্ড অৰডাৰ নিজে হাতত লব লাগিব । এই বিলাক আমি বন্ধ কৰিব নোৱাৰো কাৰণ বন্ধ কৰিবলৈ গৈ মাৰ পিট কৰিব নোৱাৰো । আইন শৃংখলা । আইন শৃংখলাৰ কথা মই নকও কাৰণ এই বিধান সভাত আইন শৃংখলাৰ বহুত কথাই আলোচনা হৈ গৈছে। গতিকে আমি আইন শৃংখলাৰ কথা আলোচনা নকৰো । মাত্ৰ আমাৰ নিজা কিছুমান অভিজ্ঞতাৰ কথাহে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিম । মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক সকলক ইউনিফৰ্ম দিব লাগে। কাৰণ কেৱল আজিয়েই নহয় গেটত পুলিচৰ আগত বিধায়ক বুলি কৈ কৈ ভাগৰি গৈছো। কোনো চিনি নাপায় । এই অভিজ্ঞতা কেৱল মোৰেই নহয় শাসক দলৰ বিধায়ক সকলোৰো আছে ।

মামনীয় অধ্যক্ষ : খদ্দৰ পিন্ধা কৰক, সকলোৱে বিধায়ক বুলি চিনি পাব।

ডাঃ কমলা কলিতা : আনকি যোৱা কালি ছয় গাওঁৰ পৰা আহোতে জালুকবাৰিত ৰাতি ৯ বজাত পুলিচ নহয় আন কোনোবাহে ধৰিছিল। বিধায়ক বুলি পি, এচ, ও জনে কোৱাৰ পাচতো আইডেনটিটি দেখুৱাতহে আহিবলৈ দিলে। তেওঁলোকৰ যিটো ব্যৱহাৰ সেই ব্যৱহাৰটোৰ বাবে প্ৰশিক্ষণ ব্যৱস্থা কৰিব লাগে। তাৰোপৰি ৰাজনৈতিক যিটো হস্তক্ষেপ চলি আছে সেইটো নোহোৱা কৰিব লাগে। আজি অতুল বৰা ভাণ্ডৰীয়াই কৈছে তেখেতৰ ঘৰৰ পৰাই পি,এচ,ওৰ স্কুটাৰ খন চুৰ হৈছে। থানাত এজেহাৰ দিয়া হৈছে অথচ এতিয়ালৈকে কোনো ধৰণৰ ব্যৱস্থা লোৱা

নাই। চাৰ আপুনি চাওক বিধায়কৰ এজন পি,এচ,ওৰ স্কুটাৰ এখনকেই পুলিচে নিৰাপত্তা দিব নোৱাৰিলে যেতিয়া সেই পুলিছে সাধাৰণ ৰাইজক কি নিৰাপত্তা দিব, ধাৰণা কৰক ?

Mr. Speaker : Order, order. It is now 1.30 p.m. So, I guillotine all the remaining cut motions. I put the remaining Demands for grants Nos. 14, 26, 37, 38, 48, 49, 63, 70, 29, 43, 12, 5. 4, 7, 8, 9, 10, 11, 12, 13, 15, 16, 17, 18, 19, 20, 21, 22, 23, 24, 25, 26, 27, 28, 30, 31, 32, 33, 34, 35, 36, 39, 40, 41, 42, 44, 45, 46, 47, 50, 51, 52, 53, 54, 55, 56, 57, 58, 59, 60, 61, 62, 64, 65, 66, 67, 68, 69, for approval of the House. The following Grants were passed by the voice votes, 14, 26, 37 38, 48, 49, 63, 70, 29, 43, 12, 5, 4, 7, 8, 9, 10, 11, 13, 15, 16, 16, 17, 18, 19, 20, 21, 22, 23, 24, 25, 27, 28, 30, 31, 32, 33, 34, 35, 36, 39, 40, 41, 42, 44, 45, 46, 47, 50, 51, 52, 53, 54, 55, 56, 57, 58, 59, 60, 61, 62, 64, 65, 66, 67, 68, 69, are passed.

Now item No. 3. The Assam Appropriation (No. II) Bill 1992.

Now whether the House will sit to complete the passage of Appropriation Bill or the House will sit after lunch i.e. from 3-30 P. M, to 5 P. M.

শ্ৰীজয়নাথ শৰ্ম্মা ঃ চাৰ পইণ্ট অব অৰ্ডাৰ চাৰ, কথা হৈছে আমাক কৌশলগত ভাবে গ্ৰাণ্টত আলোচনা কৰিবলৈ নিদিলে আৰু আপুনি আপোনাৰ ক্ষমতা প্ৰয়োগ কৰিলে কিন্তু বিনিযোজন বিলৰ ওপৰত তিনি বজাৰ পৰা ৯ বজালৈকে আলোচনা কৰিব লাগে। তেতিয়া উত্তৰ দান কালত যেনেকৈ মাননীয় ৰাজহ মন্ত্ৰীয়ে কৈছে যে বিৰোধী দলৰ সদস্যসকলে বহুত ভাল ভাল কথা কৈছে সেই ভাল কথা বিলাক আলোচনা কৰিবলৈ দিব লাগে। তিনি বজাৰ পৰা বহিলে আমিও বক্তৃতা ৰাখিবলৈ সুযোগ পাম আৰু যি বিলাক আলোচনা কৰা নহ'ল সেই সম্পৰ্কত পৰামৰ্শ আগবঢ়াব পৰা হব।

( ভইচ ঃ বোজা আছে। )

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ নহোদয়, কথা হৈছে যি সকলৰ ইফটাব কৰিবলৈ আছে সেই সকল যাওক। আমি বাধা নিদিওঁ। তিনি বজাৰ পৰা কৰিব লাগে। অলপ আলোচনা বিলোচনা কৰিব লাগে চাৰ।

শ্ৰীজয়নাল আবেদীন ঃ অধ্যক্ষ মহোদয়, বাজেট যেতিয়া পাচ কৰা হয় অধ্যক্ষ মহোদয়ে নাননীয় সদস্য সকলক অলপ মৰমৰ ষ্যৱস্থা কৰে জলপানৰ দ্বাৰা। গতিকে ৰমজান মাহৰ ইফটাৰৰ কথা আছে। যি কেইটা গ্ৰাণ্ট গিল'টিন কৰিলে অথচ আলোচনা কৰিব নোৱাৰিলে সেই খিনি বিনিয়োজন বিলৰ সময়ত ইফটাৰ কৰাৰ ব্যৱস্থা কৰিলে তাৰ পিচত কৰিবপৰা হৰ।

শ্ৰীজয়নাখ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, কথাটো সঁচাকৈয়ে লব লাগে যি সকলে ইফটাৰ কৰিব সেইটো ভাল কথা আমিও সহায় কৰি দিম। যিবোৰ গ্ৰাণ্ট আলোচনা কৰা নহ'ল সেইসমূহৰ ওপৰত আমাৰ বক্তব্য শুনা ভাল। ৩১ তাৰিখৰ আগতে বিনিয়োজন বিল পাচ কৰিব লাগে, আমাক আমাক বিশ্বাস কৰক, দিম, কথা দিলো। কিন্তু কথাখিনি কবলৈ দিব লাগে।

শ্ৰীনুৰুল হুচেইন, ( ৰাজিক মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, নামাজৰ কথা আছে ৫ বজাত।

Mr. Speaker : The Sense of the House is that it will sit at 3 P.M. to 5 P. M. for passing of the Assam Appropriation Bill.

The House stands adjourn till 3 P. M. on 30.3.92

( The House reassembled at 3.00 P.M.

Hon'ble Speaker in the Chair )

Mr. Speaker : Now item 3 (a). Hon'ble Chief Minister to move,

Shri Hiteswar Saikia ( Chief Minister ) :

Sir, I beg leave to iutroduce 'The Assam Appropriatiou ( No. II ) Bill, 1992.

( Secretary, Assam Legislative Assembly read out the title of the Bill )

Is it the pleasure of the House to grant leave to introduce ' The Assam Appropriation ( No. II ) Bill, 1992 ?

( Leave Granted )

Now, there is a Message from the Governor.

Raj Bhavan

GUWAHATI

Under the provision of Article 207 ( 1 ) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam Appropriation ( No. II ) Bill, 1992.

Sd/-Loknath Misra.
Governor of Assam
24.3.1992.

Now, Hon'ble Chief Minister to introduce the Bill.

( Title read out by Secretary, ALA-
Assam of Appropriation ( No. II ) Bill, 1992 )

Shri Hiteswar Saikia ( Chief Minister ) : Sir, I beg to move that 'The Assam Appropriatin ( No. II ) Bill, 1992 be taken into consideration. Mr. Speaker. There is a Massage from the Governor.

Raj Bhavan

GUAAHATI

Under the provision of Article 207 ( 3 ) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend that the Assam Appropriation ( No. II ) Bill, 1992 be taken into consideration by the Assam Legislative Assembly.

Sd/-Loknath Misra
Governor of Assam

শ্ৰী প্ৰমোদ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, এপ্ৰপ্ৰিয়েছন বিল নং ২, ১৯৯২ সম্পৰ্কে ইতিমধ্যে আমাৰ কেইটামান শিতানত সদনত আলোচনা হৈছে। কিন্তু দুৰ্ভাগ্যৰ কথা যে সময়ৰ অভাৱত সৰহ শিতানত মাননীয় সদস্য সকলে অংশ গ্ৰহণ কৰাৰ সুযোগ পোৱা নাই। আমাৰ বিত্তমন্ত্ৰী মহোদয়ৰ ভাষণৰ ওপৰত যেতিয়া আলোচনা হয় তেতিয়া আমি অসমৰ বিত্তীয় পৰিস্থিতি কি ভাৱে উন্নত কৰিব পাৰি সেই বিষয়ে বিভিন্ন পৰামৰ্শ আগবঢ়োৱা হৈছিল আৰু তাৰে কিছুমান চৰকাৰে বিবেচনা কৰাৰ আশ্বাস দিছিল। এতিয়া যিবিলাক শিতানত যোৱাবাৰ আমি আলোচনা কৰিবলৈ সময় নাপালো সেই সম্পৰ্কে দুটামান কথা মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ ওচৰত মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ইয়াৰ ভিতৰত শেহতীয়াকৈ সদনত আলোচনা হৈছে। সেইটো হৈছে শিক্ষা বিভাগৰ ক্ষেত্ৰত। শিক্ষা বিভাগৰ অন্য দিশ সম্পৰ্কে মই আলোচনা কৰিবলৈ নগৈ এটা দিশৰ ওপৰত মোৰ আলোচনা সীমাবদ্ধ ৰাখিবলৈ চেষ্টা কৰিম। সেইটো হৈছে আগৰ চৰকাৰৰ দিনত প্ৰাথমিক স্কুলৰ নিযুক্তিৰ ক্ষেত্ৰত অসম হাইকোৰ্টে এটা ৰায় দিছিল। আৰু সেই ৰায়ত কোৱা হৈছিল যিসকল প্ৰাৰ্থীক প্ৰায়মাৰি স্কুলৰ শিক্ষকৰ চাকৰিৰ কাৰণে নিৰ্বাচিত কৰা হৈছিল সেই প্ৰাৰ্থী সকলক অসম চৰকাৰে তেখেত সকলক ক্ৰম অনুযায়ী যিমান বিলাক প্ৰায়মাৰি স্কুলৰ শিক্ষকৰ পদ খালি হয় তাত নিযুক্তি দিব লাগে আৰু যেতিয়ালৈকে এই তালিকা শেষ নহয় তেতিয়ালৈকে অসম চৰকাৰে নতুন কোনো শিক্ষক নিযুক্তি দিব নোৱাৰিব। এই ৰায় হাই কোৰ্টৰ ১৯৯১ চনৰ ১০ জানুৱাৰী তাৰিখৰ। এই ৰায়ৰ বিৰুদ্ধে অসম চৰকাৰে চুপ্ৰিম কোৰ্টত এটা আপিল কৰিছে। সেই আপিলৰ, অধ্যক্ষ মহোদয় ৰায় হৈ গৈছে ১৯৯২ চনৰ জানুৱাৰী মাহৰ ১৭ তাৰিখে। আৰু সেই ৰায়ত এই কথা স্পষ্ট ভাৱে কোৱা হৈছে অসম হাইকোৰ্টৰ যি

Speech not Corrected

ৰায় সেই ৰায়ৰ কেইটামান ক্ষেত্ৰত সামান্য সংশোধন কৰি তাক বাহাল ৰাখাৰ নিৰ্দেশ দিছে। অধ্যক্ষ মহোদয়, মই ৰায়ৰ দুটা অংশ পঢ়ি দিবলৈ বিচাৰিছো .... The State of Assam shall prepere a corrected select list of the candidates selected strictly in order of merit and according to the marks obtained. This select list will be on the basis of select list which has been referred to in the petition as afore-stated. All further appointments till the final clearance will be strictly on the basis of the corrected select list. So far as 1986-82 and 1988-89 are concerned, if any further vacancies are to be filled up, that list will also be considcred on the basis of the same select list, atleast on adhoc basis subject to the result of the appeal ..........

মাননীয় অধ্যক্ষ মহোদয়, চুপ্ৰিম কোৰ্টৰ এই ৰায় মতে ১৯৮৬/৮৭/৮৮ চনলৈ যিমানবোৰ প্ৰাইমাৰী স্কুলৰ পদ খালি হৈছিল সেই পদ বিলাক এই তালিকাৰ ভিত্তিত নিযুক্তি দিয়াৰ কাৰণে নিৰ্দেশ দিছে আৰু তাৰ পিছতো যিবিলাক পদবী খালি হব সেই পদবীৰ ক্ষেত্ৰত কোৱা হৈছে যিটো কাৰেক্ট লিষ্টৰ পৰা বিবেচনা কৰিবলৈ কোৱা হৈছিল। এতিয়ালৈকে সেইখিনি ক্ষেত্ৰত শিক্ষা বিভাগত বিশেষকৈ প্ৰাইমাৰী শিক্ষা বিভাগত বিভিন্ন মহকুমাত যিবিলাক শিক্ষক নিযুক্তি দিয়া হৈছে সেই নিযুক্তি বিলাকৰ যোগেদি চুপ্ৰিম কোৰ্টৰ ৰায় মানি চলা হোৱা নাই। অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত ইয়াৰ কিছুদিনৰ আগতে শিক্ষা বিভাগৰ পৰা এটা নিৰ্দেশ দিয়া হৈছিল সেই নিৰ্দেশত কোৱা হৈছিল যে যিবিলাক লিভ ভেকেন্সি আছে সেই বিলাকত উপ-পৰিদৰ্শকে নিধুক্তি দিব পাৰিব।

Speech not Corrected

ইতিমধ্যে আমাৰ হাতত কিছুমান ৰিপোৰ্ট পাইছো যাৰ নিগাজী পদ আছিল পাৰমেনেন্ট ভেকেনচি হৈছিল সেইবিলাকৰ বিপৰীতে নিযুক্তি দিয়া হৈছে। মই আশা ৰাখিছো চৰকাৰে তেনেকুৱা হাইকোৰ্ট সৰ্ব্বো চুপ্ৰিম কোৰ্টৰ ৰায়ৰ প্ৰতি সন্মান জনাব নিযুক্তিৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰি আৰু ইতিমধ্যে যিবিলাক নিযুক্তি এই চুপ্ৰিম কোৰ্টৰ ৰায়ৰ বিপৰীতে গৈছে সেইটো বিবেচনা কৰিবৰ কাৰণে চৰকাৰক অনুৰোধ কৰিছো। কাৰণ আমি সকলোৱে সংবিধানৰ কথা কওঁ আৰু এনেকুৱা ক্ষেত্ৰত আমি সংবিধান মানি চলিছোনে নাই? আমি সংবিধান মানি চলিছো সেই কাৰণে অসম বিধান সভালৈ আহিছো। এই সংবিধান শব্দটো গ্ৰহণ কৰি চৰকাৰে চুপ্ৰিম কোৰ্টৰ ৰায় অসম চৰকাৰে আখৰে আখৰে যাতে পালন কৰে তাৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। আৰু আয়ৰ বিপৰীতে যদি নিযুক্তি আৰম্ভ হয় বিশেষকৈ প্ৰাইমেৰী স্কুলৰ ক্ষেত্ৰত তেতিয়াহলে বেলেগ পৰমপৰা আমাৰ ৰাজ্যত প্ৰতিষ্ঠা হব। যদি আমাৰ পৰোক্ষ দাবি সংবিধান অৱমাননা কৰে আৰু চৰকাৰে শিক্ষা বিভাগত যদি উদঘনি দিয়ে তেতিয়াহলে ইয়াৰ পৰিনতি কি হব পাৰে সেইটো সহজে অনুনেয়। সেইকাৰণে চৰকাৰৰ পৰা মই এটি স্পষ্ট নীতি বিচাৰিছো আৰু আশা ৰাখিছো তেখেতে আখৰে আখৰে এই নিদেশঁ চুপ্ৰিম কোৰ্টৰ নিযুক্তি পালন কৰি ব্যৱস্থা গ্ৰহণ কৰিব।

অধ্যক্ষ মহোদয়, মই চৰকাৰৰ পৰা আৰু এটা কথালৈ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। সেইটো হল ফৰেষ্ট বিভাগৰ ক্ষেত্ৰত। আজি ২৮ মাৰ্চ তাৰিখৰ কথা। আজি ৩০ মাৰ্চ। ২৮ মাৰ্চৰ দিনা অসম চৰকাৰে এজন বন বিভাগৰ কৰ্মচাৰীক পদোন্নতি দিছে। সেই পদোন্নতিৰ ক্ষেত্ৰত অৰ্ডাৰত কৈছিল

On 28th March, 1992, "Subject to reversion without notice and without asigning any reason there of, Shri M,M. Pathak, Gauhati is Promoted as conser-vator of Forest and posted and posted at Central

Assam Circle, Gauhati with effect from the date he takes over charge, vice Shri D. Hazarika transferred"

অসম চৰকাৰৰ অফিচাৰ সকলৰ পদোন্নতি দিয়া বা তেখেত-সকলক স্থানান্তৰ কৰাৰ অধিকাৰ চৰকাৰৰ আছে। যোৱা সাধাৰণ আলোচনা সময়ত কৈছিল যে পদবীৰ ক্ষেত্ৰত চৰকাৰৰ এটা গৃহীত নীতি থকা দৰকাৰ। এনেকুৱা বহুতো দৃষ্টান্ত আমাৰ হাতত আছে। অফিচাৰ সকলক তিনিমাহৰ চাৰিমাহৰ মূৰত বদলি কৰা হয় ষ্টে কৰা হয়। আকৌ বদলি কৰা হয়। ইয়াৰ পৰা এইটো দেখা গৈছে যে টেনচফাৰ কৰাৰ ক্ষেত্ৰত অফিচাৰ সকলৰ হাৰাসাস্তি হৈছে। সেয়েহে চৰকাৰৰ ক্ষেত্ৰত এটা সাধাৰণ নীতি গ্ৰহণ কৰা প্ৰয়োজন। অধ্যক্ষ মহোদয়, আৰু এটা বিশেষ পদবীৰ ক্ষেত্ৰত প্ৰমোচন দিয়াৰ ক্ষেত্ৰত এনেকুৱা কিছুমান অনিয়ম দেখা গৈছে। চি, এফ পদৰ ক্ষেত্ৰত অনিয়ম দেখা গৈছে। এই পষ্টটো সৰ্ব্বোচ্চ পদৰ দুটাৰ তলত। প্ৰথম হৈছে চি, চি, এফ, দিতীয় হৈছে এডিচনেল চি, চি, এফ আৰু তৃতীয়টো হৈছে চি, এফ। তেখেতৰ প্ৰমোচন হৈছে ইণ্ডিয়ান ফৰেষ্ট চাৰ্ভিচৰ কাৰণে। কিন্তু যিজন বিষয়াক পদোন্নতি দিয়া হৈছে আৰু পদোন্নতি দিয়াৰ ক্ষেত্ৰত ষ্টেট ফৰেষ্ট পৰা ইণ্ডিয়ান ফৰেষ্টৰ চাৰ্ভিচলৈ প্ৰমোচন দিয়াৰ কাৰণে যোৱা তিনিটা বছৰত ১৯৭৫, ১৯৭৭ আৰু ১৯৮১ চনত যিবিলাকৰ নাম ৰিকমেণ্ড কৰা হৈছে সেই বিলাকৰ ভিতৰত সেই প্ৰাৰ্থী-জন নাই। সেই প্ৰাৰ্থীজনক ইণ্ডিয়ান ফৰেষ্ট চাৰ্ভিচত প্ৰমোচন দিয়াৰ কাৰণে চিলেক্ট কৰা হৈছে। সেই চিলেকচন কমিটিয়ে কোনোদিনাই এই প্ৰাৰ্থীজনৰ নাম ৰিকমেণ্ড কৰা নাছিল। তাতোতকৈ অকে ডাঙৰ কথা যে সেই বিষয়াজনৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ আছে। আৰু এসময়ত অসম চৰকাৰে বিষয়াজনক কামৰ পৰা সাময়িকভাৱে বৰখাস্ত কৰিছিল। প্ৰায় ৩ বছৰ ধৰি তেওঁ কামৰ পৰা বৰখাস্ত হৈছিল। তেওঁৰ যি অভিযোগ সেই অভিযোগ এতিয়াও বিৰোদ্ধে তদন্ত হৈ আছে। কি কাৰণত হঠাতে বিধান সভা চলি থকা অৱস্থাতে সেই বিষয়াজনক নিযুক্তি দিলে।

যি সকল যোগ্য তেওঁলোকক অগ্ৰাহ্য কৰি নিযুক্তি দিলে। অৱশ্যে চৰকাৰে কব পাৰে যে তেওঁ পদোন্নতি হব পাৰে সেই কথা অস্বীকাৰ নকৰো। কিন্তু পদোন্নতি দিয়াৰ ক্ষেত্ৰত দেখা যায় যে চৰকাৰে নীতি উলংঘা কৰিছে। আৰু এই ক্ষেত্ৰত নানা অভিযোগৰ কথা উঠিছে। এই দুনীতি, স্বজনপ্ৰীতিৰ কথা ইতিমধ্যে কাগজে পত্ৰই উৎথাপিত হৈছে।

অধ্যক্ষ্য মহোদয়, এই বিষয়টো 'অসম ট্ৰিবিউন' কাকতত প্ৰকাশ হৈছে আৰু মই আশা ৰাখিছো যে এই বিষয়টোত চৰকাৰে স্পষ্টীকৰণ দিব আৰু অসমৰ বিভিন্ন বিভাগত যি দক্ষতা বা কাম কাজৰ যি পৰম্পৰা সেই বিলাকৰ ক্ষেত্ৰত চৰকাৰে যাতে বিশেষ মনোযোগ দিয়ে। এনেকুৱা ধৰণৰ সফলো পৰম্পৰা বা নীতি অমান্য কৰি চিলেকচন কমিটিয়ে নিৰ্বাচন নকৰা, যিজন বিষয়াৰ বিৰুদ্ধে দূৰ্নীতিৰ অভিযোগ থকাৰ কাৰণে চৰকাৰে প্ৰায় তিনি বছৰ চাচ্‌পেণ্ড কৰি ৰাখিছিল তেনেকুৱা এজন যিষয়াক হঠাতে বিধান সভা চলি থকা সময়ত প্ৰমোচন দিয়াৰ জৰিয়তে এইটো কথাৰ সন্দেহৰ যথেষ্ট থল আছে যে ইয়াৰ পিচতো হয়তো এনেকুৱা পক্ষপাতিত্ব মূলক কাম কাজৰ অভিযোগ আমি অস্বীকাৰ কৰিব নোৱাৰো। এই খিনিতে মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো।

আজি কিছুদিন আগতে আমাৰ উদ্যোগ বিভাগত এক্সটেনচন অফিচাৰৰ কাৰণে পৰীক্ষা লোৱা হৈছিল। পৰীক্ষা লৈ প্ৰাৰ্থী নিৰ্বাচন কৰি তালিকা প্ৰস্তুত কৰা হল আৰু তেওঁলোকক নিযুক্তি দিয়াৰ কাৰণে পুলিচ ভেৰিফিকেচনো বিচৰা হল। তেনে স্থলত সেই প্ৰাৰ্থী সকলক নিযুক্তি নিদি ঘুৰাই ফুৰোৱাতো উচিত হোৱা নাই। এই ক্ষেত্ৰত মই উল্লেখ কৰিব বিচাৰিছো যে চৰকাৰে নিযুক্তি দিয়াৰ ক্ষেত্ৰত যেতিয়া কোনো পদবীৰ কাৰণে এডভাৰটাইজ দিয়ে সেই ক্ষেত্ৰত সম্পুৰ্ণ প্ৰক্ৰীয়া শেষ হোৱাৰ লগে লগে নিৰ্বাচিত প্ৰাৰ্থীসকলক যাতে যথা সময়ত নিযুক্তি দিয়া হয় সেইটো কেৱল নিয়মৰে কথা নহয় প্ৰাৰ্থী সকলৰ যেতিয়ালৈকে

নিযুক্তি নহয় তেতিয়ালৈকে তেওঁলোকৰ অৱস্থা কি হয় সেইটো সকলোৱে সহজে অনুমান কৰিব পাৰিব। সেই কাৰণে এই বিষয়টোৰ ওপথত চৰকাৰে এটা স্পষ্ট নীতি লোৱাতো নিতান্তই প্ৰয়োজন। পৰীক্ষা দি নিৰ্বাচিত হোৱাৰ পিচত, পি, ভি, আৰ, হৈ যোৱাৰ পিচত প্ৰাৰ্থীসকলক যাতে সময়মতে নিযুক্তি দিয়া হয় সেই বিষয়টো চৰকাৰে গুৰুত্ব সহ-কাৰে বিবেচনা কৰিব বুলি এই এপ্ৰপ্ৰিয়েচন বিল উৎথাপন কৰা সম্পৰ্কত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু এই বিষয় কেইটাত চৰকাৰৰ স্পষ্টীকৰণ বিচাৰিছো।

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, এপ্ৰপ্ৰিয়েচন বিল সম্পৰ্কত কবলৈ গৈ মই কেইটামান কথা উল্লেখ কৰিব বিচাৰিছো। আমি পুলিচ বিভাগৰ ক্ষেত্ৰত কৰ্ত্তন প্ৰস্তাব দিছিলো কিন্তু সেইবোৰ আলোচনা কৰা নহল। এই সম্পৰ্কত যোৱা পৰহি ঘটা এটা ঘটনা দুষাৰমান কব খুজিছো। ভাৰত বৰ্ষৰ যিখন সংবিধানত আৰ্টিকোল ২১ত এনে ধৰণে কৈছে Constitution of India, Article 21. "No Person shall be deprived of his life or Personal liberity exceqt according to the procedure established by law" পৰহি ছিপাঝাৰব হুছেইন চুবুৰীত দিনৰ চাৰে চাৰি মান বজাত শুক্লেশ্বৰ ডেকা নামৰ এজন ল'ৰাক সেনাবাহিনীৰ লোকে চিভিল ড্ৰেচত গৈ হত্যা কৰে। এক আলফাৰ কৰ্ম্মী বুলি গুলিয়াই মাৰিছে। এনে ঘটনা ছিপাঝাৰত আগতেও হৈছে আৰু সেই ঘটনাটো দিপিলা আৰু গভৰাত বি, এচ, এফ,ৰ জোৱানে ছয় জন লৰাক গুলিয়াই হত্যা কৰিছিল। এই সম্পৰ্কত এখন সদন কমিটি কৰি দিয়া হৈছিল আৰু সেই কমিটিয়ে উক্ত ঘটনাত বি, এচ, এফ,ৰ জোৱানকে দোষাৰোপ কৰি ৰিপোৰ্ট দিছিল। এতিয়া কথা হল আলফাই হওক বা ডকাইতেই হওঁক তেওক পোনপটীয়াকৈ কোনেও

জীৱন লব নোৱাৰে। আমাৰ সংবিধানে দিয়া স্বত্ব আৰু অধিকাৰৰ পৰা কোনোও কাকো বঞ্চিত কৰিব নোৱাৰে। এতিয়া কথা হল চৰকাৰে একেটা সমষ্টিতে বাৰে বাৰে এই কামটো কিয় কৰি আছে? এবাৰ দুবাৰ নহয় কেৱল ছিপাঝাৰ সমষ্টিতে এনে ঘটনা তিনি বাৰ হৈছে। এই ঘটনাবোৰ আকস্মিক দুৰ্ঘটনা বুলি চৰকাৰে ৰেহাই পাব নোৱাৰে। এই ঘটনাৰ আন্তৰ্নিহিত কি কথা বা উদ্দেশ্য নিহিত হৈ আছে সেই কথাটো মই মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। বৰ্ত্তমান অসমত সৈন্য বাহিনীৰ অপাৰেচন বন্ধ ৰখা হৈছে বুলি কোৱা হৈছে। আমাৰ দলৰ তৰফৰ পৰাও এটা কথা কৈছো যে আলফাৰ সমস্যাটো আলোচনাৰ জৰিয়তে সমাধান হব লাগে আৰু মই ছিপাঝাৰ সমষ্টিৰ বিধায়ক হিচাৰেও অসমত শান্তিপূৰ্ণ পৰিবেশ অনাৰ কাৰণে আলোচনা হোৱাতো বিচাৰো। কিন্তু আলফাৰ লগত আলোচনা হোৱাত চৰকাৰেই বাধা দিছে। এই কথাটো আলফাৰ মানুহে কৈছে। এই বিষয়ত আমি বহুতো চিঞঁৰ বাখৰ কৰি আছো যদিও চৰকাৰ পক্ষই কাণসাৰ দিয়া নাই। তেওঁলোকক আমি টানকৈ কথা কলে নুশুনে। কিন্তু কোনোবাই মনে মনে কলে ভালকৈ শুনে। সেই কাৰণে মই চৰকাৰক কৈছো তেওঁলোকে চোৰ প্ৰবৃত্তিটো এৰক। তেওঁলোকে এজন লৰাক পোনপটীয়াকৈ গুলীয়াই হত্যা কৰাৰ অধিকাৰ পালে ক'ত? আজি 'আজিৰ বাতৰি' কাকতত প্ৰকাশ পাইছে যে যোৱাকালি ১০ হাজাৰ মানুহে এই লৰাজনৰ ডেড বডি চাবলৈ গৈছিল আৰু তেওঁৰ শটো লৈ প্ৰচেচন কৰা হৈছিল।

অধ্যক্ষ মহোদয়, ছিপাঝাৰ অঞ্চলত সেনাবাহিনীৰ যি কাণ্ড কাৰখানা চলি আছে সেইবোৰ শুনিলে আপুনি আচৰিত হব। ছোৱালী স্কুলৰ কাষত সেনা বাহিনীয়ে কেম্প কৰি লৈ লৰা ছোৱালীবোৰক মাতি আনি কিছুমান অবাস্তব প্ৰশ্ন সুধি তেওঁলোকক ব্যতিব্যস্ত কৰি

তুলিছে। এই বিষয়ত স্কুলৰ প্ৰধান শিক্ষক গৰাকীয়ে বাধা দিওতে সেনা বাহিনীৰ অপাৰেচন পুনৰ আৰম্ভ হলে শিক্ষক গৰাকীকো চাই লম বুলি ভাবুকি দিছে। এই বিষয়টো শিক্ষক গৰাকীয়ে উপায়ুক্তক জনাইছে। তাৰ বাহিৰেও তেওঁলোকে যোৱা পঞ্চায়ত নিৰ্ব্বাচনত কোন কাউন্সিলাৰ, কোন সভাপতি জিকিল সেইবোৰো লিষ্ট বিচাৰি ফুৰিছে। এই কথাটোও মই মাননীয় সদস্য চন্দ্ৰ মোহন পাটোৱাৰীক লগত লৈ গৈ মুখ্য মন্ত্ৰী মহোদয়ক জনাইছো।

অধ্যক্ষ মহোদয়, যোৱা পঞ্চায়ত নিৰ্বাচনত মই সমষ্টিলৈ যোৱা নাই। আমাৰ পাৰ্টি কোনো প্ৰাৰ্থী দিয়া নাই আৰু মই কাকো চাপোৰ্ট কৰিবলৈ যোৱা নাই। কিন্তু তাত কোনে কোনে জিকিলে সেনাই বি, ডি, ও, অফিচৰ পৰা লিষ্ট বিচাৰিছে। এই কথাটো মই মুখ্য মন্ত্ৰী ডাঙৰীয়াক কৈছিলো যে অনুসন্ধান কৰিব লাগে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই খবৰ কৰিছে ভাল পাইছো। এতিয়া আকৌ এক সপ্তাহ পিচত মানুহ গুলিয়াই মৰা হৈছে। তিনিজন লোকক আৰ্মিয়ে লিষ্ট কৰি বিচাৰিছে। সেইকেইজন হৈছে জ্যোতি প্ৰসাদ শইকীয়া, শ্ৰী জল্টি চহৰীয়া আৰু শ্ৰী নিতু শৰ্ম্মা। শ্ৰী শুক্লেশ্বৰ ডেকাক পৰহি গুলিয়াই হত্যা কৰা হৈছে। এই ক্ষেত্ৰত কিবা ইনষ্ট্ৰাকচন আছে নেকি। এই ঘটনা আৰ্মি অপাৰেশ্বন বা আৰ্মি অভিযান চলি থাকোতে হলে কথাটো বেলেগ তেতিয়া পুলিচ প্ৰশাসনৰ দোষ নাই বুলি কলোহেতেন। কিন্তু আৰ্মি অপাৰেশ্বন বন্ধ থকা অৱস্থাত এনেধৰণৰ ঘটনা হোৱা-টোত গৰিহনা দিও। কি কাৰণত গুলিয়াই মৰা হল?

অধ্যক্ষ মহোদয়, এই খিনিতে মই আৰু এটা কথা কবলৈ ওলাইছো, এই কথাটো পেপাৰত ওলাইছে। এডভোকেট শ্ৰী নিলয় দত্তক এৰেষ্ট

কৰা হ'ল, কাৰণ তেখেতে বোলে নিমখ সম্পৰ্কে চৰকাৰৰ লগত থকা কেচ এটাত বিপৰীত পক্ষক জিকাই দিছে । শ্ৰী দত্তক এৰেষ্ট কৰা হ'ল । এজন উকীলে এটা গোচৰ কৰিবলৈ যাওতে চৰকাৰ যদি সেই গোচৰত হাৰে তেতিয়া হলে সেই উকীল জনৰ শাস্তি হয় । আমি মাননীয় মুখ্য মন্ত্ৰীৰ এটা বিবৃতি শুনি আচৰিত হৈছো, সেই বিবৃতিটো আছিল ১৩ তাৰিখৰ । মুখ্য মন্ত্ৰীয়ে বিবৃতি দিছিল'' আলফাৰ লগত যদি তেওঁলোকে জৰিত বুলি গম পালোহেতেন, মই এৰেষ্ট নকৰালোহেতেন'' তেওঁলোকক কি কাৰণত গ্ৰেপ্তাৰ কৰা হ'ল । সেই ক্ষেত্ৰত সদনত বিশেষ অধিকাৰ ভঙ্গৰ প্ৰশ্ন আছে, কিন্তু আমি সেইটো জানিব খোজা নাই এই কাৰণে যে সমস্যা সমাধান হওঁক । আলফাৰ সমস্যা সমাধানত কোৱা হৈছিল যে বাধ্যতামূলক ভাবে নহয়, সকলোৰে মাজত এটা বিশ্বাস আনিব লাগিব । যদি চৰকাৰে ভাবিছে যে আলফাক ধাৰাশায়ী কৰি দিওঁ, তেওঁলোকৰ মাজত বিভাজন আনি দিওঁ, এইবিলাক যদি চেষ্টা কৰা হয়, তেতিয়া সমস্যা সমাধান নহৈ অধিক সমস্যাহে হব ।

অধ্যক্ষ মহোদয়, ডিপিলা আৰু গতৰালৈ বিধান সভাৰ সৰ্বদলীয় দল এটাই গৈছিল । তাত ডি, চি, আৰু এচ, পি, য়ে কৈছিল যে কিয় হত্যা কৰা হল নাজানো । পিচত মৃতকৰ আত্মীয়লৈ সদন কমিটিয়ে এক লাখকৈ টকা দিয়াৰ কথা কৈছে । চৰকাৰে কিবা ব্যৱস্থা লৈছে এইটো ভবা নাই, তাৰ মানে চৰকাৰে– ইংৰাজীত—গোটেই ঘটনাটোত চৰকাৰ জৰিত হৈ আছে । পৰহিৰ ঘটনাটো একে ধৰণৰ ঘটনা । ঘোৰাশালত এজনক মাৰিলে, পুলিচে ধৰিব পৰা নাই । কিন্তু আলফাই ধৰি আনি পুলিচক গতাই দিছে । আলফাৰ চোচিয়েল এক্‌টিভিটিৰ ওপৰত জনসাধাৰণে ভাল পাইছে । কিন্তু কংগ্ৰেছ দলৰ ওপৰত মানুহৰ বিশ্বাস নাই । এই ক্ষেত্ৰত যদি চায় আলফা বিশেষ ভাবে দোষী হব, কিন্তু তেওঁলোকে ধনী ধনী

মানুহৰ পইচা নিছে কিন্তু আপোনালোকে দুখীয়াৰ পৰা পইচা নিছে, কেনেকৈ নিছে চাকৰি দিম বুলি। এইটো অন্যায় হোৱা নাই নে? আইনৰ চকুত দুয়োটাই দোষী। আলফাই মদ খাবলৈ বন্ধ কৰিছে, কিন্তু চৰকাৰৰ এক্সচাইজ অফিচাৰে নিজে মদ খাই বহি থাকে। চৰকাৰে যদি জনহিতকৰ কাম নকৰে, তেতিয়া হলে দেশত অশান্তিয়ে দেখা দিব।

অধ্যক্ষ মহোদয়, মই মুখ্য মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে ছিপাঝাৰ সমষ্টিত এবাৰ দুবাৰ নহয় তিনিবাৰ এনে ধৰ্ষণৰ ঘটনা সেনা বাহিনীয়ে কৰিছে। ইয়াত ৰাজনৈতিক ষড়যন্ত্ৰ, চৰকাৰৰ হাত আছে নেকি? আপোনালোকে হয়তো বিভিন্ন যুক্তি দিব পাৰে।

Mr. Speaker : The debate on an Appropriation Bill shall be restricted to matter of Publice importance or administrative Policy implied in the Grants Covered by the Bill which have not already been raised while relevant demands for grants were under consideration.

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, যিখিনি বাদ পৰি গৈছে, পুলিচৰ ওপৰত নহয় প্ৰশাসনৰ ওপৰত মই কৈ আছো। ভুল কথা কবলৈ নেপায়। এপ্ৰোপ্ৰিয়েশ্বন বিলৰ ওপৰত কেনেকৈ কব লাগে আজি ৰাতি মই পঢ়িছো। মই অপ্ৰাসঙ্গিক কথা কব যোৱা নাই। পুলিচৰ কথা কোৱা নাই District administration has failed. ভুল ইন্টাৰপ্ৰিটেচন দিয়াটো দোষনীয়। যি কেইটা গ্ৰেণ্ট আলোচনা হোৱা নাই সেই কেইটা ওপৰত আলোচনা হব। যদি এইটো ৰাজহুৱা স্বাৰ্থত গুৰুত্বপূৰ্ণ বিষয় নহয়, তেতিয়া হলে কি হব পাৰে। দৰং জিলাত মানুহক ৰক্ষণা বেক্ষণ দিয়াত জিলা প্ৰশাসন ব্যৰ্থ হৈছে। আৰু কেইটামান

কথা কব খুজিছো যে কংগ্ৰেছ কৰ্মী হলে সকলো ক্ষেত্ৰতে ৰক্ষণা বেক্ষণ দিব পাৰে—চেকচন ৩৭৫ কেচ নং ১৯৫ আৰু এটা হল ১৭০/৯২। এই দুয়োটা কেচ এজন তপন গাংগুলী নামৰ কংগ্ৰেছ আই মানুহৰ লগত জৰিত হৈ আছিল। কিন্তু এই গাংগুলীক এৰেষ্ট কৰা নাই, পুলিচে পি, আৰ, বন্দত এৰি দিছে। এই হিৰোইন কেচৰ লগত মাননীয় মন্ত্ৰীৰ নাম আহি গল।

শ্ৰী গৌতম ৰয় ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এইটো ডকুমেণ্ট সহ প্ৰমান দিব লাগিব। এইটো মই চেলেঞ্জ দিছো।

মাননীয় অধ্যক্ষ : এইটো পাৰচনেল এটেক হব নেলাগে। মি: শৰ্ম্মাই কওক।

শ্ৰী জয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, মন্ত্ৰীৰ নাম লিখা আছে আৰু পি, এচ, ও, জৰিত হৈ গৈছে। কিন্তু এইখন আহিছে মন্ত্ৰীৰ নামত। মই কথাটোত দুখ পাইছো। ড্ৰাগচ্ ব্যৱসায়ীৰ লগত মন্ত্ৰীৰ নাম কিয় আছে? অধ্যক্ষ মহোদয় আপোনাৰ নাম অহা নাই? আৰু বহুত কথা আছে। আপোনালোকে অধৰ্য্য নহব, মুখ্য মন্ত্ৰীয়ে সিদিনা কৈছিল অধৰ্য্য নহবলৈ। এজনী নাবালিকাক ধৰ্ষন কৰাৰ পিচতো আজিলৈকে কাকো নধৰিলে। আমি টান টানকৈ কথা কলে নুশুনে, কিন্তু মনে মনে কানৰ ওচৰত ফুচ ফুচাই কলে শুনে। কাৰণ দোষী বিলাকে ফুচ ফুচাই কথা কয়।

মাননীয় অধ্যক্ষ মহোদয় মই আৰু এটা কথা কৈছো। জনজাতীয় লোকৰ ওপৰত গুৱাহাটী টাউনত কি হৈছে মই কৈছো। যোৱা ১৯ মাৰ্চ তাৰিখে নিৰঞ্জন কুমাৰ মানৰ মানুহজনে এখন এম্বেচাদৰ গাড়ী

নম্বৰ এ এম কে ৬৬৫৯ ত মালিগাৱঁলৈ যায়। তেওঁ নিজকে কংগ্রেছ কৰ্ম্মী বুলি কয়। তেও তুজন মানুহক গুলিয়াবলৈ চেষ্টা চলাই। তাৰ পাল্লিকে আহি থানাত আপত্তি দিছে। কেচ দিছে। তেতিয়া তাৰ লগত জড়িত লোকৰ ওপৰত অত্যাচাৰ কৰিছে। কিন্তু এই নিৰঞ্জন কুমাৰ বুলা মানুহজনক কোনো পুলিছে গ্রেপ্তাৰ নকৰিলে।

অধ্যক্ষ মহোদয়, আৰু এটা কথা কওঁ। ইঞ্চপেক্টৰ জিতেন দে নামৰ মানুহজনে ৰিটায়াৰ্ড হৈছে। সেই মানুহজনক ৩ বছৰৰ পিচত আকৌ কেনেকৈ পুনৰ নিযুক্তি দিলে। কোন নিয়মত দিলে। আজি এটা তৰা বিহিন প্ৰশ্ন আহিছিল। পি এচ ও সকলক টি এ বিল দিব পৰা নাই। সৰু সৰু চাকৰীয়ালক টি এ বিল দিব পৰা নাই। কিন্তু ডি এচ পিৰ পৰা ওপৰৰ সকলে টি এ বিল বিলাক নিয়মীয়াকৈ পায় থাকে। অৱশ্যে মাননীয় মুখ্যমন্ত্ৰীৰ পি এচ ও সকলে পায় থাকে সেইটো মুখ্য মন্ত্ৰীক সন্তুষ্ট কৰি থাকিবৰ কাৰণে হে দিয়ে।

মাননীয় অধ্যক্ষ : আপোনাৰ সময় হৈ আহিছে। চমু কৰক।

শ্ৰী জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, টাইম লিমিট নকৰিলে ভাল হয়। মই আৰু এটা কথা কও মোৰ বহুত কৰসগীয়া আছে এতিয়া কথা হল

"So when no warrant of conviction will be there against the accused persons no charge can be framed against them and framing of any charge against the accused will be killing of court's time and unnecessary harrasment of the accused persons.

Spech not Corrected

Hence I am of considered view that no prima facie case is made out against the accused persons for framing of charge and the allegations made against them are basedless and as per provisions of section 239 Cr. P. C. all the accused are discharged." আমাৰ দলৰ ভাবমূৰ্ত্তী নষ্ট কৰিবৰ কাৰণে দলক অৱমাননা কৰিবৰ কাৰণে এজন ডি এচ পিয়ে মইন্থল ইছলাম বৰাক গ্ৰেপ্তাৰ কৰিছিল। তেওঁক বেইলত নিদিয়া হল। তেওঁৰ দোষ কি আছিল। ৰিভলভাৰ এটা পাইছে যিটো পি এচ ও ৰ ৰিভলভাৰ আছিল । এইটো কৰ্টৰ কথা। কৰ্টত সময় কিলিং কৰাৰ বাহিৰে অন্য একো নহয়। এই বিলাক ৰাজনৈতিক দৃষ্টি কোনৰ পৰা চলে।

মাননীয় অধ্যক্ষ মহোদয়, মই পুনৰ এটা কথা কবলৈ বিচাৰিছো। আপোনালোকে পৰিবেশ সৃষ্টি কৰক। যি পৰিবেশৰ দ্বাৰা শান্তি আহে। আলফাক ভাগ ভাগ কৰি আলোচনাৰ কাৰণে বাধা দিছে। যদি বাধা দিয়া নহয় চৰকাৰে মুকলি মুৰিয়া ভাবে ব্যৱস্থা লোৱা উচিৎ। চিপাঝাৰত মানুহ মৰিছে। সেইটো বন্ধ কৰক মানুহ মৰাটো বন্ধ কৰি দোষী হলে গ্ৰেপ্তাৰ কৰক। আলফাই মানুহ মাৰিলেও আমি গৰিহনা দিওঁ। কিন্তু আলফা সংগঠনৰ সংবিধানত মানুহ মৰাটো আছে। কিন্তু মিলিটেৰী সংবিধান পুলিচৰ সংবিধান আৰু চৰকাৰী সংবিধানত মানুহ মৰাৰ কথাটো নাই। মানুহৰ জীৱনক প্ৰটেকশ্যন দিয়াৰ কথাহে আছে।

মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি আমি কোকৰাঝাৰলৈ গৈছিলো । বৰপেটা ৰডত সোমাই গৈছিলো । মাননীয় উপাধ্যক্ষ মহোদয়ৰ লগত আমি ১২/১৩ জন সদস্য তালৈ গৈছিলো । কিন্তু তাত

ডি চি নাই এচ পি নাই। ঘৰটো সৰু কাৰণে আমাৰ জিৰনী লোৱাৰো সুবিধা নাই । আমি বাইদেউৰ ডিপাৰ্টমেণ্ট টৰিজিমৰ ঘৰত জিৰনী লওঁ । তাত গম পালো ডি চি কোনোৱা কৃষ্ণ গুৰু আশ্ৰমলৈ গৈছে। এইয়া আমাক অবমাননা কৰা নহল নেকি ? আপুনি গঠন কৰি দিয়া এটা টিমে অবমাননা পোৱা মানে সদনৰ সদস্য সকলক অবমাননা কৰা লগতে আপোনাক অৱমাননা কৰা। আমি তাত গামোচা লবলৈ যোৱা নাই । কিন্তু কোকৰাঝাৰত আমি গামোচা পালো ডি চিৰ সহযোগ ভালদৰে পাইছো । তাত আমি সন্তুষ্ট হৈছো বৰপেটা ৰডত ডি চি, এচ পি নাই ইয়াৰ মূল কাৰণ হল প্ৰশাসন যি ধৰণে ব্যষ্ট হব লাগিছিল সেই ধৰণে ব্যষ্ট হোৱা নাই ।

অধ্যক্ষ মহোদয় মই আৰু এটা কথা কব খুজিছো শিক্ষা বিভাগৰ কথা। শিক্ষাৰ ক্ষেত্ৰত পৰিবেশ গঢ়ি তুলিব লাগে । স্কুল বিলাক চৰকাৰীকৰণ কৰিব লাগে। ১৯৯০ চনলৈকে স্কুল বিলাক চৰকাৰীকৰণ অতি সোনকালে কৰিৰ লাগে । সাহিত্য সভাৰ সম্পৰ্কে এটা কথা কবলৈ বিচাৰিছো । সাহিত্য সভাৰ যি ১৪ লাখ টকা দ্ৰ হৈছিল সেইটো স্পেচিয়েল অডিত হব লাগে বুলি চিঠি লিখিছে । কিন্তু স্পেচিয়েল অডিট অৰ্ডাৰ হোৱা নাই । চৌধুৰী মানুহজন কংগ্ৰেছ কৰ্ম্মীৰ লগত জড়িত হৈ আছিল । (ভইচ) (মিছা কথা)। মিছা কথাটো আনপাৰ্লিয়ামেণ্টৰ কিন্তু মই প্ৰমান দিব পাৰো । চৌধুৰী মঙ্গলদৈ স্কুলৰ তৰুন চৌধুৰী ভায়েক ।

মাননীয় অধ্যক্ষ মহোদয়, মই শিক্ষা বিভাগৰ অনিয়মৰ বিষয়ে এটা কথা কব খুজিছো । সেইটো হৈছে, সতীশ চৌধুৰীৰ ভতিজাক তৰুণ চৌধুৰীৰ পত্নীক বয়স বেছি হোৱাৰ স্বত্বেও একে ৰাতিৰ ভিতৰতে শিক্ষয়িত্ৰীৰ পদত নিযুক্তি দিলে । এইটো কেনেকৈ হ'ল ? তাৰ মানে এখেত্ত সকলৰ কিবা মনে মনে চুক্তি হ'ল । গতিকে মাননীয় মুখ্য মন্ত্ৰী

মহোদয়ে স্পেচিয়েল অডিত কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া সমবায়ৰ বিষয়ে অলপ কব বিচাৰিছিলো। আপোনালোকে জানে ই আৰু কাগজে—পত্ৰইও ওলাইছে। কথা হ'ল অসম টি, এমপ্লইমেণ্ট ইন্দাষ্ট্ৰি কম্পানী লিমিটেড্ আৰু যোৰহাটৰ জাটাকল, আটাকল আদিৰ কৰ্ম্মচাৰী সকলে মজদুৰ কংগ্ৰেছ আই বুলি কয়। পৃথিবীৰ ভিতৰত আটাইতকৈ বেচি টকা এই সমবায় বিলাকেই পাইছে। জনামতে এখন সমবায়ৰ চাৰি কোটি টকা যি টকা টি গাৰ্ডেনৰ পৰা পোৱা হৈছিল আৰু এখন সমবায়ৰ নামত ডেৰ কোটি টকা দিছিল কিন্তু সমবায় হলে নাই। কিন্তু এই টকাবোৰ কলৈ গ'ল? এই বিষয়ৰ ওপৰত মই প্ৰশ্ন ৰাখিব খুজিছো। কিন্তু উত্তৰ নাহিব বুলি জানো। মাননীয় অধ্যক্ষ মহোদয় এ, টি, পি, এফ, এ দৰং জিলাত ৩০ লাখ টকাৰে ভাৰা ঘৰ সাজিবলৈ লৈছে। তাৰে ২৮ লাখ টকাৰে ঘৰ সাজিলে আৰু বাকী দুই লাখ টকা অন্যান্য কামত খৰছ দেখুৱাইছে। এই ভাৰা ঘৰ বোৰৰ পৰা বছৰি ৬০ হেজাৰ টকাহে পাব। কিন্তু বেংকত থোৱা হলে বছৰি এই টকাৰ শতকৰা ১২ টকা হিচাবে ৩ লাখ ৬০ হেজাৰ টকা পালেহেঁতেন। কিন্তু এতিয়া পাব মাত্ৰ ৬০ হেজাৰ টকা। গতিকে মই ভাবোঁ নিশ্চই ইয়াত অশুভ কথা জড়িত আছে। মাননীয় অধ্যক্ষ মহোদয়, হিৰইনৰ কথাটো কৰ্টত দিছিলো। গৌতম ৰয় এসময়ত মোৰ বন্ধু আছিল। কিন্তু যেতিয়াই হিৰইনৰ লগত জড়িত হৈছে বুলি বাতৰি কাগজত ওলাল তেতিয়াৰ পৰাই মোৰ বন্ধুত্ব ভাগি গ'ল। মাননীয় অধ্যক্ষ মহোদয়, মোৰ দুটা প্ৰশ্ন আছে। এটা হ'ল মোৰ সমষ্টিত সেনা নমুৱাই কিয় তিনিজন যুৱকক মাৰিলে? দ্বীতিয় কথাটো হ'ল গোটেই ল এণ্ড অৰ্ডাৰটো কিয় আৰ্মীৰ হাতত তুলি দিয়া হ'ল? তৃতীয় প্ৰশ্নটো হ'ল নীলয় দত্ত আৰু দুজন সাংবাদিকক কিয় এৰেষ্ট কৰা হ'ল? তাৰ পিছত মোৰ জিলাৰ ভিতৰত তিনিজন ল'ৰাক কিয় আলফা বুলি হত্যা কৰা হ'ল আৰু তেওঁ লোকৰ বিষয়টো কিয় ডিচ্‌কাচ্ নকৰাকৈ আলফা বুলি লোৱা হ'ল? এইটো এক ষড়যন্ত্ৰ বুলিহে ধৰি লৈছো। আৰ্মীৰ

দ্বাৰা কেতিয়াও শান্তি ৰক্ষা কৰাত সহায় নহয়। ই সমগ্ৰ অসমৰ কাৰণেখ অশুভনীয়। গতিকে এই প্ৰক্ৰীয়া বন্ধ কৰিবনে ? মোৰ কবলৈ বাকী থাকিল। সময় নাই কাৰণেই ইয়াকেই কৈ সামৰিলো।

Mr. Speaker : Hon'ble member Shri Abu Sale Nizamuddin.

Shri Abu Saleh Nizamuddin : Mr. Speaker, Sir this is my first appearanee in this august House. While taking part in the Appropriation Bill placed before this august House, I extend my support to the Hon. Ghief Minister who has placed the bill before the House on the following grounds, Mr. Spcaker, Sir, we have seen that the revenue and expenditure statements placed before the House by the Hon. Minister, Revenue who has amply justified and well defended the grant in the revenue sector. Sir, I am very happy to note that Govt. has very much considered the revenue matters will all seriousness as it needed and has come up with a modest budget for it. Sir, the implementation of land revenue, particularly, after the congress (I) Party has formed the Govt. in the State has received utmost attention as the Party during elections had given its commitments to the people of Assam to give permanant settlement to them. Sir, the Hon. Minister during his speech has mentioned

rightly about eradication of corruption in the department of which he is incharge, which has found a deep root over the years. Sir, while most of ihe opposition members have flocked together only to find fault and criticse the Govt. has failed keep abreast the same and the Govt. under tho leadership of the Hon. Chief Minister has produced positive results during the last seven months only. Sir if the present Govt. would not have addressed itself appropriately in the given situation prevailing duriug the time the State was in turmoil due secessionists elements and the State wes groaning under the clutch of different other activisit the civil life in Assam would have been completely jeopardised. It is due to strong will and bold hands of the present Government that the people of Assam are not sleeping in peace and that we have already started seeing the glimpse of stopping militant activities and a settlement in sight. Sir, while the Congress ( I ) came to power under the leadership of Shri Saikia as the Chief Minister has taken bold and strong steps to bring peace and tranquility in the State and among the different cross section of the society and following this, which has already yeilded results, people are now living in peace and feel themselves secured.

Speech not Corrected

Sir, the Appropriation Bill which has been brought forward by the Hon. Chief Minister is quite justified. I hope and feel that my friends from the Oppositiou Benches will, instead of criticising it will extend their full support and cooperation to the Govt. and will wellcome and appreciate the positive steps taken by the Govt. Sir, I am very much astonished to see that some of the oppositions members had tried to afront and critise the Govt. for its failure has totally failed to condemn the divisive forces like ULFA which have let loose a reign of terror in the State and creating fear psychosis among the different sections of the State. It is a misfortune for us. Sir, the present Govt. is trying its level best to solve the problems faced by the State. We must extend our full support to stop the reactionary forces from raising their ugly heads and gain grouud to disturb the peaceful situation in the State, and that it can prosper and march ahead with the rest of the country. So my humble submission and request to the members of the oppsition to support the present Govt. in the matter of State administration.

Sir, now, I would like point out some of the problems faced in my district, as well as in my constituency. Sir, I find that a handsome amount of money

has been ear-marked for the State Fire service Sir, I represent Badarpur constituercy and my constituercy is very backward. Sir, the communal forces during the last election in the Badarpur constituency tried to create and flare up communal trouble. It is because of strong determination and will that the present Govt. has dealt the situation boldly before it can spread its arms to worsen the situation.

Sir, the State Fire Service Station at Badarpur was established during the British period and has remained as it was till date. Sir, I hope the Hon. Chief Minister who is incharge of the Home Department while taking full care of the fire services in the State would also take care of the State Fire Service at Badarpur, which has in the recent years has grown up leaps and bouuds, to meet the need of fire protection services in the area. Sir, with these few words I conclud my speech with the sppceal to the members of the oppossition to support the Appropriation Bill placed before this august House.

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই উত্থাপন কৰা সংশোধনী বিলখনৰ সম্পৰ্কত মই ২-১ আষাৰ কথা কবলৈ বিচাৰিছো। কেইটামান গুৰুত্বপূৰ্ণ বিভাগৰ বিষয়ে আলোচনা কৰিম বুলি আহিছিলো যদিও আলোচনা কৰিবলৈ নাপালো। তথাপিতো ২-৪ টা পৰামৰ্শ চৰকাৰক দিব বিচাৰিছো। পুলিচৰ শিতানত

টকা বিচৰা হৈছে। পুলিচ বিভাগৰ কাৰণে টকা বিচৰা হৈছে যদিও পুলিচৰ দ্বাৰা একো কাম হোৱা নাই। পুলিচৰ সলনি আৰমিয়ে কাম কৰিবলগীয়া হৈছে। পুলিচ ফোৰ্চটোৱে এনেয়ে থাকে। তেওঁলোকে সাৰ পোৱা নাই নেকি? নিজৰ দায়িত্ব পালন নকৰি অদক্ষতাৰ পৰিচয় দিছে। Army right now in Assam or Army when deployed in Assam was in aid of Civil authority or otherwise around. আচল কথাটো আহো চাৰ, সাধাৰণ পোচাক পিন্ধি ৰঙ্গ লাইট নজ্বলোৱাকৈ ট্ৰেফিকৰ ওচৰত থাকি লক্ষ্য কৰিলে দেখিব ৰিক্সাৱালা আৰু ঠেলাআলাই যদি ৰাস্তাৰ নিয়ম ভঙ্গ কৰে তেতিয়া তেওলোকৰ ওপৰত একচন হয়। কিন্তু মেটাড'ৰ চলোৱা চালক জন ধনী কাৰণে নিয়ম ভঙ্গ কৰিলেও কোনো একচন নলয়। ট্ৰাকৰ ক্ষেত্ৰত দেখিব ট্ৰেফিকে কোনো ট্ৰাক দেখিলে ট্ৰাক ৰখাই পইচা লোৱাৰ ব্যৱস্থা কৰে। মই সৰু সুৰা কথাহে কৈছো। আমাৰ তাত ডাঙৰ টাউন নাই। গাওঁহে আছে। জৰ্জফিল্ডত অলপতে এখন মেলা হৈছিল। সেই মেলাৰ সময়ত আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয় আৰু মাননীয় ৰাজ্যপাল ডাঙৰীয়াই গাড়ী ৰঙ চাইদেদি নি গাড়ী ৰখাই ৩·৪ টকীয়া টুকুৰী কিনিছিল। সেই সময়ত বহুত হুলুস্থুল হৈছিল। মইও ইফালে যোৱাত দেখো যে ইমান হুলুস্থুল কিয় হৈছে বুলি চাই দেখো যে মোৰ দৰে এজন এম.এল.এ ৰাস্তাত মানুহৰ ভিৰত চেপা খাই পৰিছো। আমাৰ সন্মুখত তুখন গাড়ী খুন্দাও খাইছে। সাধাৰণ মানুহৰ নিৰাপত্তা নোহোৱা হৈছে। মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। অত্যাচাৰৰ সীমা চেৰাই গৈছে। They are taking care of the trucks very carefully, in what capacity they are following the rules. আদাবাৰী বাছ ষ্টেণ্ডটো আগতে মাছখোৱাত আছিল। আদাবাৰীলৈ নিনি খানা-

পাৰালৈ নিব পাৰিলহেতেন। কাৰণ পল্টন বজাৰত প্ৰাইভেট আৰু পল্টন বজাৰত যথেষ্ট বাছৰ ভিৰ হয়। পাব্লিক বাছৰ ভিতৰ মানুহ থোজ কাঢ়ি যাব নোৱাৰা অৱস্থা হৈছে। পাব্লিক বাছৰ দৰে এ,এচ,টি বাচষ্টেণ্ড সুবিধাজনক ঠাইত পাতিলে আৰু সংখ্যা বঢ়াবলৈ পাব্লিক বাচতকৈ এ,এচ,টি বাছৰ বেছি লাভ হব।

মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা মই কব বিচাৰিছো আজি ৰাজ্য ৰাজ্যখনত বিশেষকৈ নলবাৰী জিলাত দিনে ৰাতিয়ে ঘৰত থকা ভয় হৈ গৈছে, ৰাতি বিয়লি ঘৰত থকাতো টান হৈ পৰিছে কিয়নো ডকাইটৰ উপদ্ৰবত মানুহৰ নিৰাপত্তা হোহোৱা হৈছে, আপোনালোকৰ চিন্তা নাই কাৰণ আপোনালোকৰ লগত আপোনালোকৰ দলে চিকিউৰিটি পুলিশ চণ্ডৰী প্ৰহৰী ইত্যাদি লৈ ঘুৰি ফুৰে, গতিকে আপোনলোকৰ কবলগীয়া নাই এটা দুৰ্দ্দান্ত ডকাইটৰ দলে নলবাৰী টাউনত পিয়াপি দি আছে আৰু বেলশৰ থানাৰ কেউকাষে বিচৰণ কৰি আছে, কিন্তু বেলশৰ থানাৰ পুলিশ, অচিয়ে তেওঁলোকক কোনো দিনে কৰায়ত্ব কৰিবলৈ চেষ্টা কৰা দেখা নাই। অথচ এই সম্পৰ্কত বিভাগীয় কৰ্তৃপক্ষ্যক বাৰ বাৰ কোৱা হৈছে কিন্তু কোনো ধৰণৰ ব্যৱস্থা লোৱা দেখা নাই, কিয় ব্যৱস্থা লোৱা নাই সেইটো জানিব পৰা নাই। গতিকে এই ক্ষেত্ৰত মই মাননীয় মুখ্য মন্ত্ৰী মাহাদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। তাৰ পিচত জিলা এডমিনিষ্ট্ৰেশ্যন ক্ষেত্ৰত, যিটো টাডা আইন বলবত্ হোৱাৰ পাচত অৱস্থা হৈছে সেইটো ভয়াভহ হৈছে কিয়নো কেচ ডায়েৰী বিলাক আনিবলৈ যাওতে তাত পুলিচে এখন বজাৰ পাতিছে। as per rule a person who is detained under TADA Act. এই ক্ষেত্ৰত কেচডায়েৰী আনিবলৈ যাওতে একো একোটা কেচত ৩ ৪ হাজাৰ টকা বিচাৰিছে।

( সময়ৰ সংকেত )

চাৰ আপুনি জয়নাথ শৰ্মাক ৪৫ মিনিট সময় দিলে আমাক বেয়া পাইছে নেকি ?

মাননীয় অধ্যক্ষ : বৰ দীঘলীয়াকৈ কব নালাগে, গুণমালাৰ নিচিনাকৈ চমু হব লাগে।

শ্ৰী জয়নাথ শৰ্মা : বাজেটখন গুনমালা নেকি ?

শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী : মই বৰ দীঘলীয়া নকৰো, চমু কৰিছো। আগৰ কেইজনক তাধাঘন্টাতকৈ বেচি দিলে আমাক মাত্ৰ ১০ মিনিট সময় দিলে। মই মাননীয় মুখ্য মন্ত্ৰী গৃহ দপ্তৰত থকাৰ কাৰণেই তেখেতক জনাইছো কেনে ধৰণে তাত পুলিশে ৰজাৰ পাতিছে সেইটো চাব লাগে কিয়নো এই ব্যৱস্থা চলি থকাৰ কাৰণে আমাৰ গাওঁৰ দুখীয়া যিবিলাক লোক টাডা আইনত পৰিছে তেওঁলোকে কেচডায়েৰী আনিব - লৈ যাওতে কৰপৰা ৩/৪ হাজাৰ টকা দিব ? তাৰ পাচত আমি বৰপেটা যাওতে দেখিলো এজন মানুহে কল আপেল ইত্যাদি লৈ আহিছ, তেওঁক মই ধমফি দিলো, মই ভাবিছিলো তেওঁ কাৰ্য্যালয়ৰ কোনোবা বিষয়া কিন্তু যেতিয়া জানিলো যে তেওঁবোলে কংগ্ৰেছ কৰ্ম্মী তেতিয়া মই তেওঁক কলো আপোনাক মই চাকৰিয়াল বুলি ভাবিছিলো গতিকে বেয়া নাপাব। আমি তালৈ গৈছো কিন্তু তাত কোনো ডি,চি, এচ,পি অহা নাই তাৰ ঠাইত কংগ্ৰেছ কৰ্ম্মীৰ লোকে বল দিছে।

( কংগ্ৰেছে সদায় সেৱা কৰি আহিছে )

তাত ডিচি এচপি নাই কংগ্ৰেৰ লোকে ৰিচিভ কৰিছে। এফালে ৰিচিভ কৰিছে আৰু আনফালে লৈ যাব। তাৰ পাচত আচৰিত কথা যে এখন দলংত ৯জন মানুহকে ৰাখি আছিল তাৰ পৰা দুজনক মাৰিলে ৫ জনক লৈ গৈছে আৰু আৰ্মচ এণ্ড এমিএনিশ্যন লৈ গৈছে কিন্তু পিচ দিনাখন এজন নিৰপৰাধী লৰাক ধৰি লৈ গৈছে, যি জন লৰা

বোধকৰো পৃথিবীৰ ভিতৰত এজন নিৰ্জ্জু লৰা, তেওঁ এজন আৰ্টিষ্ট, তেনে এজন নিৰ্জ্জু লৰাক নি পুলিচে মাৰধৰ কৰিছে। গতিকে ডিষ্ট্ৰিক্ট এডমিনিষ্ট্ৰেশ্যনৰ এইবিলাক কথা বিশেষ ভাবে নজৰ দিব লাগে কিয়নো পুলিচে আইন-শৃংখলাৰ নামত গাৰেভূৰে কিছুমান ইম্পোৰ্টেণ্ট মানুহৰ ওপৰত অত্যাচাৰ উত্পীড়ন কৰিছে। তাৰ পাচত মই এগ্ৰিকালচাৰ ডিপাৰ্টমেণ্টৰ এটা কথা উনকিয়াব বিচাৰিছো। মই এটা উদাহৰণ দিলেই বুজিব পাৰিব আপোনালোকৰ কংগ্ৰেছ দল শাসনত থকাৰ সময়ত শাসন কেনেদৰে চলিছে বুজিব পাৰিব। এজন এচ, ডি, অ'ই পইচা খাবলৈ নোপোৱাৰ কাৰণেই অফিচৰ এজন এক্সিকিউটিভ ইঞ্জিনিয়ৰক ট্ৰেন্সফাৰ কৰালে, কিন্তু এক্সিকিউটিভ অফিচাৰ জনেও ডিষ্ট্ৰিক মেজিষ্ট্ৰেটক লগত নি অফিচৰ নথী-পত্ৰ চিল কৰি দিলে আৰু লগে লগে চাৰ্জ দি গুচি গল তাতোকৈ আচৰিত কথা সেই এচ, ডি, জনে ইমান সাহস যে তেওঁ পিচ দিনাখন তালৈ গৈ দিষ্ট্ৰিক মেজিষ্ট্ৰেট চিল কৰি মাৰি দিয়া তলা ভাঙি কাগজ-পত্ৰ লণ্ড ভণ্ড কৰিলে। এই বিষয়ে জনোৱাত শিক্ষা মন্ত্ৰীয়ে তেওঁক গালিয়ো পাৰিছে। মাননীয় বিধায়ক নগেন শৰ্ম্মা, এচ, চৌধুৰী ইয়াৰ সাক্ষী আছে। তাৰ পাচতো এচ.ডি অ' জনে কলে কি কৰিব? কালিলৈ মন্ত্ৰী জাহিৰুল ইচলামৰ পুতেকৰ বিয়া, গতিকে সেই বিয়াত যেতিয়া মন্ত্ৰী আনোৱাৰা বাইদেউ আহিব তেতিয়া বাইদেউক আহি লগ ধৰিব লাগিব, মাত্ৰ এক চেকেণ্ড সময় পালেই হ'ল বাইদেউক লগ ধৰি কামটো কৰি লব পৰা হব। এই সম্পৰ্কত মই বাইদেউক বাৰম্বাৰ লগ ধৰিছো, তেখেতে একশান লম বুলি কৈছিল কিন্তু একো নকৰিলে কাৰণ সেই কেচটোৰ লগত মন্ত্ৰী মহোদয় জৰিত আছে।

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী): মই ভয় নকৰো। এই ঘটনাটো মই মন্ত্ৰী নথকাৰ আগৰে ঘটনা। মোক এই বিষয়ে অৱশ্যে কৈছে কিন্তু

মই তেখেতক লিখিত ভাবে জনাব দিছিলো যাতে মানুহজনৰ ওপৰত একশ্যন লব পাৰি কিন্তু তেখেতে লিখিত ভাবে একো নিদিলে। গতিকে একশ্যন লব পৰা নগ'ল।

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে এইবিলাক কথা কেনেকৈ জানিব আৰু সেইকাৰণেই বিভিন্ন বিভাগত বেলেগ বেলেগ মন্ত্ৰী আছে, তেওঁলোকেই যদি নকয় কেনেকৈ জানিব পাৰিব ? সেই-কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যাতে এই বিষয়টোৰ ওপৰত বিশেষ নজৰ দিয়ে।

গতিকে এইবোৰ জলন্ত প্ৰমাণ দিয়াৰ পিছতো কিয় একচন নলয় ? কলে বেয়া পাব। দায়িত্ব থকা মন্ত্ৰী সকলে এই বিলাক চাব লাগে, মুখ্য মন্ত্ৰীয়ে সকলো বিলাক নাচায়। বাৰম্বাৰ কোৱা স্বত্বেও নকৰে। তেখেতে ধমকি দি কয় 'এসময়ত মুখ্যমন্ত্ৰী আছিলো, কথা নকব ইত্যাদি'। এপ্ৰপ্ৰিয়েচন বিলৰ ওপৰত কবলৈ সময় দিব লাগিছিল।

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) : মুখেৰে কোৱা সচা, লিখিত ভাৱে দিবলৈ কৈছিলো।

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী : চাব দিভিজনেল প্লেনীঙৰ সিদ্ধান্ত আছে। মই ভালকৈ কথা কও, সালিনতা ৰাখি কথা কও, কাৰো বিৰুদ্ধে কথা নকওঁ। বাইদেউ বেয়া পাইছে। এই ক্ষেত্ৰত বাইদেৱে ব্যৱস্থা লব নোৱাৰিলে। গতিকে মুখ্যমন্ত্ৰীয়ে ব্যৱস্থা লৈ নিকা প্ৰশাসন যে চলিছে তাৰ ব্যৱস্থা কৰিব বুলি আশা কৰিলো।

Mr. Speaker : Hon'ble Member Shri Dewan Jaynal Abedin

Shri Dewan Jaynal Abedin : Mr. Speaker sir, in the matter of Rule and Tradition we are to speak on the grants for passing of the grant. We have let of things on let of Departments. I would like to point out functionign of the Departments. It is very dangereus.

Mr. Speaker : Time is very limited. You try to finish it within 5 minutes as you are speaking more and more.

Shri Dewan Jainal Abedin : That is not possible, sir. We have many things to discuss.

Mr. Speaker : Please speak within 5 minutes.

Shri Dewan Jaynal Abedin : We also the public representative, sir, in the public interest we are to speak and if necessary time may be extended.

Mr. Speaker : What about the other people. Every member is to speak.

Shri Dewan Jainal Abedin : You can extend the House.

Mr. Speaker : No.

Shri Dewan Jainal Abedin : Sir, I would like to speak on Education. The most important point is that standard

Spech not Corrected

of education is falling. This is very sad. The Government should try its best increase the standard of education. Particularly I would like to point out one thing in Education i.e. democratic managment in education has been interrupted. Democratice management of education is not done by the Government. Why standard of education has gone down, sir, we know that for rural educotional institution Govt. have constituted Managing Committees. Now sir, so far as democratic norms are concerned there are certain rules and this Govt. after coming to the power have passed orders that the democratic Managing Committees of the education Deptt. have been diselved and in place of it adhoc Committee should be formed. This is an undemecratic system and sir, here this autonomy of educational institutions and teachers, when it is in the interest of Society not only hamper the interest of teachers but also for the society. That autonomy of the institutions should be preserved. Sir, it is very and that Government has curtailed of the autonomy of the educational institution and teacher. Assam College Teachers Association have demended sometime age statutery service condition should be done and the Govt. also the previous Govt. came

into some sort of agreement with the ACTA but that agreement has not yet been fulfilled. Now I urge upon the Govt. to frame the service condition rule. Sir, I ask Govt. to see this statutery service condition rules should be framed. Now Sir, another important thing in education is that while emphasis on English learning has gone down. I request the Govt. to see that more emphasis should be given on English. It is for the interest of all the students. It is also a fact that there will be no examination up to class VIII. This will hamper the healthy sstuation in the academic field. I would like to point out that Govt. a policy should be adopted for a better utilisation of the education. I would like to refer the Transport Deptt. As regards IWT it is heartening to note that services rendered by the IWT in Dhubri sector is not up to the mark. This should be looked into expeditiously. I would request the Govt. to see insted of old timber laurgest in this place it should be R.P.L in the public interest.

Mr. Speaker : You are taking more time. You please conclude.

Shri Parameswar Brahma : I want to point out some important matters which concern our tribel people. In the educational sphere, our tribal people are very

backward. So, I request Govt. (1) to take steps to distribute text-books of Bodo Medium in time, (2) to create adequate post of Bodo medium teachers, (3) to create separate Directorate in the Education Department for tribal education, (4) to open separate Bodo Departments in Gauhati & Dibrugarh Universites and a Central University at kokrajhar. Now, I want to point out that Govt. has taken up provincialisation of M.E. Schools in Boroder areas tea garden areas with effect from a particlar date. But there is exception in the case of TSP areas. Provincialisation of MB Sehofs neagined by 1992 have taken in the case of General Areas, Border area and Tea gradens. in the case of TSP areas, it has taken effect only schools Micagmised by 1989. It is somthing discriminatory. In the border areas with Bhutan, there number of Bodo Medium ME schools which have not been taken up for provincialisation. So, I request Hon'ble Education Ministe, to take immediate steps for provincialisation of schools in the TSP areas. Recagised Hill 1991.

In the case of PWD, I would like to point out that there are a number of broken bridges without repair and proper maintenance. This has hampered the transport service in tribal areas.

Mr Speaker : You have already spoken enough.

Shri Parameswar Brahma : Once again, I request that a Directorate in the education Deptt for the PTE be created.

শ্ৰী বদন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, মই বেছি সময় নলও। ৫ মিনিটৰ ভিতৰত শেষ কৰিম। আজি সদনত পুলিচ বিভাগৰ সম্পৰ্কত বহুতো কথা আলোচনা হৈছে মোৰ তেখেত সকলৰ প্ৰতি পুতৌ জন্মিছে। হাজোলৈ গৈ থাকোতে এখন গেট আছে কিন্তু কথা হৈছে সন্ধিয়া ৮ বজাৰ পিচত গোটেই ৰাষ্টাতো ট্ৰাকেৰে বন্ধ হৈ পৰে। এই কাৰণেই হে তাৰাতাৰি যাতে চেক গেট বিলাক পাচ কৰি দিব পাৰে। তাত পুলিচক কোবোৱাও দেখা পাইছো। সেইদৰে ৰেলওৱে ষ্টেচনত পুলিচে বোধকৰো পইচা বিচাৰিছিল টেক্সি ড্ৰাইভাৰে পুলিচক এটা ঘোচা মাৰি দিলে। আমি স্কুলত পঢ়োতে 'লণ্ডনৰ পুলিচ' বুলি এটা পাঠ পঢ়িছিলো। গতিকে পুলিচক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। যাতে ভদ্ৰ লোকক ভদ্ৰ ব্যৱহাৰ কৰিব পাৰে। জালুকবাৰী থানাৰ পুলিচে মাটি দখল কাৰ্য্য কৰি আছে। এই খিনিতে মই কৃষি মন্ত্ৰী মহোদয়ক এটা কথা কব বিচাৰিছো যে মোৰ এটা প্ৰশ্ন আছিল যে গম ধানৰ বীজ যে দিছে সেই বিলাক কি ভেৰাইটিৰ আছিল ? তেখেতে কব পৰা নাই। তাৰ পিচত মোৰ সমষ্টিত ৪টা দিপ টিউব ওৱেল দিয়াৰ কথা আছিল কিন্তু আজিলৈকে হোৱা নাই। আমাৰ শক্তি মন্ত্ৰীৰ কেৱল ইংৰাজী কথা কোৱাতহে শক্তি আছে। 4 Deep Tubewel at Khetri-Hardia in Stallation in 1990 for irrigation done by Ghy. Irrigation Div. For charging time, Irrigation Deptt. Paid as Rs. 2,83'371·00, ( on 11-4-90 ) Rs. 78,213 ( on 27-3-90 ) and Rs.83,571.00

( on 27-3-90 ) No action taken so far. এই টিউবওৱেল কেইটাৰ বাবে ১,৮৩,১৯৩ টকা, ৯০ চনত ৭৮,২১৩ টকা আৰু তাৰ-পিচত ৮৩,১৩৬ টকা স্বত্ত্বেও টিউবওৱেল নহল। গতিকে মন্ত্ৰী মহোদয় পদত্যাগ কৰিব লাগে।

Shri Devananda Konwa., (Minister) : Thank you for the certificate given to me. The Power Department is following up the case.

Shri Samarendra Nath Sen : Sir, the Congress Party has a historical traditiyn of 200 years. But what we see now, the Congress Party workers in the State interfere in all matters in the State administration. I, therefore, request the Chief Minister to instruct the party workers not to interfere in the admitistration.

মাননীয় অধ্যক্ষ : ইতিমধ্যে মাননীয় সদস্য সকলে বহু কথা কলে। প্ৰমোদ গগৈ ডাঙৰীয়াই ২২ মিনিট, জয়নাথ শৰ্মাই ২৩ মিনিট, চন্দ্ৰ মোহন পাটোৱাৰীয়ে ১৭ মিনিট সময় লৈছে। এতিয়া মুখ্যমন্ত্ৰীয়ে উত্তৰ দিব।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই ৩টা কথাৰ ওপৰত গুৰুত্ব দি কৈছে যে--তেখেতে এডুকেশ্যন, ফৰেষ্ট আৰু ইণ্ডাষ্টিয়েল পলিচিৰ ওপৰত তালৈ কেইটা অভিযোগ উৎথাপন কৰিছে। তেখেতে শিক্ষা বিভাগৰ নীতি সম্পৰ্কে ভালেমান অভিযোগ আনিছে। তেখেতে কৈছে যে, হাইকৰ্টৰ এটা অপিনিয়ন থকা স্বত্ত্বেও এটা সাংবিধানিক নীতি শিক্ষা বিভাগে ভংগ কৰাৰ কথা কৈছে। মোক শিক্ষা বিভাগে জনাইছে যে, পাৰ্মেনেণ্ট

ভেকেন্সিৰ ক্ষেত্ৰত তেওঁলোকে কাকো নিযোগ কৰা নাই আৰু ষ্টাইপেন্দাৰী শিক্ষকৰ কাৰণেহে পষ্ট ক্ৰিয়েট কৰা হৈছে। সেইখিনিহে নিয়োগ কৰা হৈছে। শিক্ষা বিভাগে হাই কৰ্টৰ ৰুলিং উলংঘা কৰা নাই। এই ৰুলিংটো পাৰমেনেণ্ট শিক্ষকৰ এগেইনষ্টহে। মই ভাবো যে, চৰকাৰে বা শিক্ষা বিভাগে হাইকৰ্টৰ ৰুলিং ভংগ কৰা নাই। দ্বিতীয়তে তেখেতে ফৰেষ্ট বিভাগৰ এজন বিষয়াৰ প্ৰমোচনৰ কথা কৈছে। অধ্যক্ষ মহোদয়, মোক জনাইছে যে, তেওঁ বিভাগৰ চিনিয়ৰ মষ্ট অফিচাৰ। গতিকে প্ৰমোচন পাব লাগে আৰু সেইকাৰণে দিয়া হৈছে। আৰু জনাইছে যে, অসম ফৰেষ্ট চাৰ্ভিচ ৰুল কলাচ ওৱান, ১৯৪১ at least he must have served for some years. at for 12 years in the Forest service.

শ্ৰী যতীন মালী : অধ্যক্ষ মহোদয়, এই বিত্তীয় বছৰৰ বাবে আপোনালোকে বাজেট পাছ কৰিবলৈ বিচাৰিছে। আমাৰ কবলগীয়াখিনি সম্পূৰ্ণ নোহোৱাকৈ আমাৰ অসন্তুষ্টি থাকি যোৱাত বাজেট পাছ কৰিব নোৱাৰে। আমাৰ এই সম্পৰ্কত অসন্তুষ্টি হৈছে। অধ্যক্ষ মহোদয়, আপুনি যি ব্যৱস্থাকে লওক, আমাৰ কবলগীয়া আছে। আমাৰ যিবিলাক গিভ্ৰানচেচ সেইবিলাক যদি আমি এই বিত্তীয় বছৰৰ আৰম্ভনীতে কব নোৱাৰে তেনেহলে আমাৰ সেইবিলাক কথা কাউণ্ট নহব। মই পলাশবাৰী সমষ্টিৰ বিধায়ক হিচাবে কবলগীয়া একো নাথাকিব আৰু বাজেট পাছ হব সেইটো নহব।

মাননীয় অধ্যক্ষ : আপোনালোকে জানে যে এই কথাবোৰ বাজেটৰ আলোচনাৰ কালত আলোচনা কৰা হৈছে। আকৌ কিয় উল্লেখ কৰে। আলোচনাৰ দিন মই নিজে ঠিক কৰা নাই – ঠিক কৰিছে বিজিনেচ এডভাইচৰী

কমিটিয়ে তাত আপোনালোকে আছে। ৫ বজাৰ পিচত সদনত সময় বৃদ্ধি কৰা নহয়। যোৱা ৮ দিনৰ পৰা আপোনালাকে ইয়াত পাৰ্টিচিপেট কৰি আছে। মই আপোনালোকক আগতেও কৈছো যে বিধান সভাৰ প্ৰতি মিনিট সময় অতি মূল্যবান। ৮ দিন ধৰি আপোনালোকে বাজেটৰ ওপৰত আলোচনা কৰিলে, ৪ দিন ধৰি গ্ৰাণ্টৰ ওপৰত আলোচনা কৰিছে। মই জানো আপোনাকে কব লাগে মই ৰুলচ ভায়োলেট কৰিব বিচনা নাই। আপোনালোকে অসন্তুষ্ট হব নেলাগে। অধ্যক্ষ যেতিয়া আসনত থাকে কথা কয় আপোনালোকে তেখেতক একিউজ কৰি কথা কব নেলাগে। আপোনালোকে মোক নকৰিলেও সদনৰ এই আসনখনৰ ডিগনিটি ৰক্ষা কৰিব লাগে।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) মাননীয় অধ্যক্ষ ডাঙৰীয়া, শ্ৰীগগৈ ডাঙৰীয়াই ফৰেষ্ট চাৰ্ভিচ ৰুলচৰ কথা এটা কৈছে—মই পোৱা খবৰ মতে তাত ২টা পোষ্ট আছে। এটা আসাম ফৰেষ্ট চাৰ্ভিচ লোকে পায়—ইয়াৰ কাৰণে ব্যক্তিজন আই, এফ, এচ হব নেলাগে। উদ্যোগৰ ক্ষেত্ৰত শ্ৰীগগৈ ডাঙৰীয়াৰ কথা কেইটা মই মনত ৰাখিম। মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই তেখেতৰ বক্তব্যত কেইবাটাও বিষয় উল্লেখ কৰিছে, তেখেতে দীঘলীয়াকৈ কৈছে—মই তেখেতৰ উত্তৰ চমুকৈ দিম, তেখেতৰ পিচত কিবা সুধিবলগা থাকিলে সুধিব পাৰিব। তেখেতে এটা কথা কৈছে যে তেখেতৰ সমষ্টিত তিনিবাৰ মানুহ মৰা হৈছে। এই সম্পৰ্কত বিধান সভাত বহুতো আলোচনা কৰা হৈছে। ডিপিলা চকত মানুহ মৰা সম্পৰ্কতো ইয়াত আলোচনা কৰা হৈছে, সেই ঘটনাৰ ওপৰত মেজিষ্ট্ৰেৰিয়েল এনকুৱাৰী কৰা হৈছে। সদন কমিটি গঠন কৰি ঘটনাৰ প্ৰতিবেদন দিবলৈ কোৱা হৈছে। সদন কমিটিয়ে প্ৰতিবেদন দিছে যে তাত ৬ জনকৈ লোকক নিহত কৰাৰ ঘটনাটো আইন সঙ্গত নাছিল—

চৰকাৰে এই সদন কমিটিৰ পৰামৰ্শ গ্ৰহণ কৰিছে। এনকুৱাৰী কমিটিয়েও একে প্ৰতিবেদনকে দিছে, চৰকাৰে সেইমতে ব্যৱস্থা গ্ৰহণ কৰিব। শ্ৰীশৰ্ম্মাই আৰু এটা কথা উল্লেখ কৰিছে যে যোৱা ২৮-৩-৯২ তাৰিখে সৈন্য বাহিনীৰ এটা দলে, চিভিল ড্ৰেচত পেট্ৰোলিং কৰি থাকোতে ডিপাঝাৰৰ অন্তৰ্গত হুছেইন চুবুৰীত এজন লোকক গুলিয়াই নিহত কৰে। এই ক্ষেত্ৰত মই পোৱা ৰিপোৰ্টৰ তহলদাৰী দলটোৰ ওপৰত উক্ত যুবক জনে গুলি চলায়, তেতিয়া সৈন্য বাহিনীৰ লোকে গুলি চলাবলৈ বাধ্য হয়। এই যুৱকজন আলফাৰ লোক। তেওঁৰ নাম ভদ্ৰেশ্বৰ সোনোৱাল ওৰফে শুক্ৰেশ্বৰ ডেকা তেওঁ আলফাৰ জিলা কামাণ্ডাৰ শ্ৰী জলটি চহৰীয়াৰ গা ৰক্ষক আছিল। তেওঁৰ লগত এটা পইন্ট ৩˙৪ ৰিভলভাৰ আৰু কেইজাইমান গুলি পোৱা গৈছে। এইটো মই পোৱা ৰিপোৰ্ট। শৰ্ম্মা ডাঙৰীয়াই তেখেতৰ ভাষণত যিখিনি কথা কৈছে, পিকচাৰ ডাঙি ধৰিছে তাৰ লগত মই পোৱা ৰিপোৰ্টৰ অমিল হৈছে— এইটো মই চাম। শ্ৰী শৰ্ম্মা ডাঙৰীয়াই এইটো ভাবিব নেলাগে— মই সৈন্য বাহিনীক কেতিয়াও মানুহ মাৰিবলৈ কোৱা নাই। যি ঘটনা ঘটি গ'ল তাৰ কাৰণে মই দুখীত। তেখেতে এটা কথা কৈছে যে আইন শৃংখলা নিয়ন্ত্ৰণ কৰাবৰ ক্যৰণে আৰ্মিক কিয় এৰি দিয়া হৈছে? যোৱা ১১ জানুৱাৰীত আলফাই আমাৰ প্ৰধানমন্ত্ৰীৰ লগত আলোচনা কৰাৰ পিচত যোৱা ১৪ জানুৱাৰীৰ পৰা ৰাজ্য খনত আৰ্মিৰ অপাৰেচন বন্ধ কৰা হৈছে। ২-৪ টা এনে ধৰণৰ অভিযোগ আহিছে, আমি পাইছো আৰু সেইমতে তদন্ত কৰিবলৈ দিয়া হৈছে। তেখেতে আৰু এটা কথা কৈছে হাইকোৰ্টৰ এজন এডভোকেটক এৰেষ্ট কৰাৰ সংক্ৰান্তত। এই এৰেষ্ট কৰা হৈছে চৰকাৰ নিমখৰ কেলেংকাৰীত হবাৰ কাৰণে অধ্যক্ষ মহোদয়, এইটো কেতিয়াও হব নোৱাৰে। শ্ৰীনিলয় দত্ত আৰু দুজন সাংবাদিকক ৰাষ্ট্ৰবিৰোধী কাৰ্য্যকলাপত জড়িত থকাৰ কাৰণেহে এৰেষ্ট

কৰা হৈছে। আলফাই যদি তেখেত সকলৰ কথা মোক কলে হেতেন তেন্তে এৰেষ্ট নকৰিলোহেতেন। অধ্যক্ষ মহোদয়, যোৱা ১২ জানুৱাৰী তাৰিখে এটা বুজা বুজিলৈ অহাৰ কাৰণে আমি আলফাৰ নেতৃবৃন্দক এৰেষ্ট কৰা নাই। আলফাই আমাক লিখিত ভাবে জনাইছে যে এই কেইজনক এৰি দিয়ক বা অমুকক গ্ৰেপ্তাৰ নকৰিব—আমি কৰা নাই। এখেত সকলৰ ক্ষেত্ৰত আলফাই আমাক কোৱা হলে আমি এৰেষ্ট নকৰিলোহেতে—কিন্তু আমাক কোৱা নাই। এখেত সকলক ৰাষ্ট্ৰবিৰোধী কামত জড়িত থকাৰ কাৰণেহে গ্ৰেপ্তাৰ কৰা হৈছে। শ্ৰীশৰ্ম্মাই আলফাৰ স্থিতি সম্পৰ্কত এটা কথা জানিবলৈ বিচাৰিছিল, ময়ো এইটো সদনত কোৱাৰ কথা আছিল, এখেতে আগতীয়াকৈ কবলৈ বিচাৰিছিল। মই কম কিন্তু এতিয়া নহয়, পিচত এইটোত অলপ সময় লাগিব। শ্ৰীপাটোৱাৰী ডাঙৰীয়াই এটা কথা কৈছে যে আমাৰ পুলিচ সকল অকমৰ্ণ্য হৈ পৰিলনেকি যে ৰাজ্য খনলৈ সৈন্য বাহিনী আনিবলগীয়া হ'ল। মই সদনত বাৰে বাৰে কৈ আহিছো যে আমাৰ আৰক্ষী বাহিনীয়ে ৰাজ্যখনৰ আইন শৃংখলা, শান্তি ৰক্ষা, হত্যাকাণ্ড ৰোধ লুণ্ঠন আদি বন্ধ কৰিব নোৱাৰাৰ কাৰণেই সৈন্য বাহিনী অনা হৈছে। এইবোৰ বন্ধ হলেই আৰ্মিক ঘুৰাই পঠোৱা হব। ট্ৰেফিক পুলিচৰ সম্পৰ্কত যিটো উঠিছে সেই বিষয়ে মই তদন্ত কৰিম। ডকাইটিৰ সম্পৰ্কত মই এটা কথা কও যে এই ডকাইটিবোৰৰ সংখ্যা বাঢ়িছে সচা। এই ডকাইটিৰ লগত বহুতো ভাল ভাল লৰা জড়িত হৈ আছে। কি কাৰণে নেজানো বোধকৰো ইজি মানি ঘটাৰ কাৰণেই এনে কৰিছে। আমি এইটো নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা কৰিব লাগিব ডেজিগনেটেড কৰ্টৰ ওপৰত যিটো কথা উঠিছে সেইটো মই তদন্ত কৰি চাম। শ্ৰীজয়নাল আবেদন চাহাবে হাইস্কুলৰ মেনেজিং কমিটিৰ কথা উল্লেখ কৰিছে। নতুন চৰকাব হোৱাৰ লগে লগে এই মেনেজিং কমিটিবোৰ ভাঙি পেলোৱা হয় এইটো পুৰণা বেমাৰ—জনতাৰ দিনতো দেখিছো, এ,জি,পিৰ দিনটো দেখিছো। এইটো

ভালকথা হোৱা নাই—আমি সকলোৱে মিলি আলোচনা কৰি এই বেমাৰ ঠিক কৰিব লাগিব।

মাননীয় তধ্যক্ষ মহোদয়, এই ৰিষয়ে আমি আলোচনা কৰি ঠিক কৰিম।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয় এইটো শিক্ষা বিভাগৰ বেমাব নে শিক্ষা মন্ত্ৰীৰ বেমাৰ ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মূখ্য মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই বেমাৰটো আমাৰ চেল্ক ক্ৰিয়েচন। যি চৰকাৰেই নাহওক কিয় আগৰ চৰকাৰে কৰা কমিটি সমূহ ভাঙি দিয়ে। এই পৰমম্পৰাটো আমি ভাঙিব লাগিব।

শ্ৰী গিয়াছুদ্দিন আহমেদ : মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰ সমাধা কৰাৰ আগতে এটা কথাৰ উত্তৰ দিলে ভাল হয়। চৰকাৰী অনুস্থান বিলাকত ৰাজ-নৈতিক হস্তক্ষেপৰ ওৰ পেলাব নে ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যিমান বিলাক চৰকাৰ আহে সকলোৱে আগৰ চৰকাৰে কৰা কমিটি সমূহ ভাঙি পেলায়। মাননীয় মন্ত্ৰী মহোদয়ে লগতে কৈছে যে সকলোৱে ইচ্ছাকৃত ভাবে এই কাম কৰে। ইচ্ছা কৰিলে এইটো ভাঙি দিব পাৰি। গতিকে মই মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে এই কাম প্ৰথম তেখেতেই আৰম্ভ কৰিব নে ?

শ্ৰী হিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী) : এই কাম আপোনালোকে সকলোৱে সহযোগ কৰিলে কৰিব পৰা যায়। এতিয়া আমি আচল কথালৈ আহো।

Speech not Corrected

আমাৰ মূল কথাটো হ'ল আলফাৰ কথাটো। আৰু কেইটামান কথা আছে মই শ্ৰী শৰ্ম্মা ডাঙৰীয়াক দি দিম। লগতে আৰু বহুতো পৰামৰ্শ মাননীয় সদস্য সকলৰ পৰা আহিছে, সেই সকলো বিলাকৰ কৰনীয় মই কৰিম। এই বিষয়ে মই আপোনাসকলক আশ্বাস দিলো।

শ্ৰী প্ৰমোদ চন্দ্ৰ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মই কথালৈ অহাৰ আগতে মই দুটা কথা জানিব বিছাৰিছো। যিবিলাক পাৰমানেণ্ট ভেকেনচি আছিল সেই বিলাক দিয়া নাই। অথচ এই সকলো বিলাক মই মন্ত্ৰী মহোদয়ক দিছিলো। তাৰোপৰি ফৰেষ্ট অফিচৰ যিটো দিছো এইটো ৰিভিউ কৰাৰ চিন্তা কৰিব লাগে। নেই পোষ্টটো চিনিয়ৰ আই,এফ, এচ কেডাৰৰ পোষ্ট। চিলেকচন পোৱাৰ পাচত ১২ বছৰ ইণ্ডিয়ান ফৰেষ্ট চাৰ্ভিচত থাকিব লাগে। গতিকে এইটো ৰিভিউ কৰি চাব লাগে।

শ্ৰী হিতেশ্বৰ শইকীয়া : মই এইটো কমিচনাৰক চাবলৈ কৈছো।

Shri parameswar Brahma : Mr. Speaker sir, whether the Government is contemplating to take over the Bodo medium ME schools which were recognised till 1990 under TPS area ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৯ চনলৈ যিমান খিনি আছিল সকলো খিনি হৈছে। ১৯৯০/৯১ চনৰ খিনি পিচৰ বছৰত কৰিবলৈ লোৱা হৈছে। চাহ বাগিচা বিলাকত শিক্ষাৰ প্ৰসাৰতাৰ বিশেষ প্ৰয়োজন হৈছে। সেয়ে চাহ বাগিচাৰ স্কুল সমূহ ১৯৯০ চনলৈ লবলৈ কোৱা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই মূল কথালৈ আহো। মাননীয়

সদস্য গৰাকীয়ে কৈছে যে প্ৰথম আলোচনাৰ পাচত আমি তেওঁলোকৰ আলোচনা ভাঙিবলৈ চেষ্টা কৰিছো। বহুতলোকৰ বিৰুদ্ধে আলোচনা কৰিছো। এই খিনিতে মই কব খুজিছো যে আলফাৰ চেয়াৰমেন নিজে চিঠি দিছিল। তাত আলোচনা বিলোচনা কৰাৰ কথা আছিল লিখিত ভাবে। কিন্তু ১২ জানুৱাৰীত ১২ জন লোকে দিল্লীলৈ গৈ প্ৰধান মন্ত্ৰীক লগ ধৰিছে। তেওঁলোকে কৈছে ভাৰতীয় সংবিধান অনুসৰি তেওঁলোকে হিংসা পৰিহাৰ কৰি অস্ত্ৰ সম্বৰণ কৰি আলফাৰ সমস্যাটোৰ এটা মীমাংসা কৰিব। কিন্তু তাৰ আগতে তেওঁলোকৰ এখন জেনেৰেল কাউন্সিলৰ মিটিং পাতিব লাগিব। সেই কাৰণে তেওঁলোকে ফ্ৰী মোভ-মেণ্ট লব। আমালৈ সচিবে চিঠি পঠাইছে। আকৌ ৫ জনে প্ৰধান মন্ত্ৰীলৈ লিখিছে। 'তাত লিখিছে' আপোনালোকে অলপ সহায় কৰি দিব লাগিব। সেইমতে তেওঁলোকক জানুৱাৰী ফেব্ৰুৱাৰী দিছো। তাৰ পাচত আকৌ জনাইছে যে তেওঁলোকৰ অলপ অসুবিধা হৈছে জেনেৰেল কাউন্সিলৰ মিটিং পাতিব পৰা নাই। আকৌ দেখা গ'ল তেওঁলোকে ৪ মাৰ্চত প্ৰধান মন্ত্ৰীক লগ ধৰিছে। তেওঁলোকে কলে যে, তেওঁলোকে এই বিষয়টোত ৰেক্টিফিকেচন কৰিব বিছাৰে। তেওঁলোক সকলো লোকে ১২ মাৰ্চৰ পৰা অস্ত্ৰ সম্বৰণ কৰিব। এই সকলো বোৰ চাই চিন্তি আমি এক এপ্ৰিললৈ দিলো। এই সকলো বিলাক বুজা বুজিৰ মাজতেই হৈছিল। ১২ মাৰ্চৰ আলোচনাত মই নিজেই আছিলো। ইয়াৰ পাচৰ কেইখনত থাকিব পৰা নাই। ইমান খিনিলৈ বুজাবুজিৰ মাজতেই হৈছিল। মাননীয় অধ্যক্ষ মহোদয়, মোক অলপ সময় লাগিব।

Mr. Speaker : Is it the Pleasure of the House to extend time till the Completion of the Stages of Appropririon Bill and till the Bill is Passed ?

(Yes, time is granted).

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : চাৰ ১ জুলাইত অপহৰণ কৰাৰ পিচত ৭০ দিন বাট চাইছো । ১ জুলাইত নিয়াৰ পিচত ১৮ জুলাইত অধ্যক্ষ মহোদয়ৰ কোঠাত বহিছিলো । তেখেতৰ লগত আলোচনা কৰিছো মাধ্যমৰ জৰিয়তে । সেই যোগাযোগ সদায়েই আছে । মই আগতেও কৈছো যে কথা বিলাক পাই আছো । কিন্তু সেই আলোচনা বিলো-নহ'ল কাৰণে আমি আনিলো । তেওঁলোকক স্পষ্টভাবে কৈছো যে পৰিস্থিতি হলে সৈন্যবাহিনী আনিব লাগিব । ১৭ চেপ্তেম্বৰত আমি সৈন্যবাহিনী আনিলো । ১৮ চেপ্তেম্বৰতো কথা হৈছো । আনৰিজনেল কথা কলে সম্ভৱ নহয় । শেষত তেওঁলোকে মানিলে, শেষত আনকণ্ডি-শ্যনেল অস্ত্ৰ সম্বৰণ কৰিছে । চিজফায়াৰ কৰিলে । ১৯ মাৰ্চত নগাওঁৰ পৰা বিবৃতি দিলে আলোচনা কৰিম বুলি চেয়াৰমেনে । কিন্তু ২৫ মাৰ্চত চেয়াৰম্যানে এনে কিছুমান চৰ্ত্ত আৰোপ কৰি দিলে। মই ভবা নাছিলো । চাৰি মাৰ্চত এটা দলে প্ৰধান মন্ত্ৰীক দিল্লীত লগ ধৰি কথাখিনি কোৱাৰ কাৰণে ১ এপ্ৰিললৈ বঢ়াই দিছো। তেওঁলোকে ২২ মাৰ্চত অস্ত্ৰ সম্বৰণ আৰম্ভ কৰিলে । ২৫ মাৰ্চত দেখিলো তাৰ পিচত এটা সম্পূৰ্ণ অদ্ভুত কথা কৈছে। নতুন কিছুমান চৰ্ত্ত দিছে যিবোৰ অসমৰ কাৰণে ভাৰতৰ কাৰণে অসম্ভৱ কথা । টোটেল ঘুৰি গৈছে ১২ জানুৱাৰীৰ কথাখিনিলৈ। তেওঁলোকৰ এচাম নেতৃত্বই ৪ মাৰ্চত কিছুমান জিলা সমিতিয়ে, প্ৰথম চিঠিখন চেয়াৰম্যানে দিছিল । তাৰ পিচতেই ১২ মাৰ্চত জেনেৰেল কাউন্সিলৰ কথা দিছে । ২৫ মাৰ্চৰ বিবৃতিয়ে তেওঁলোকৰ পৰিস্থিতিৰ ১২ জুলাইৰ পিচত বিভাগৰ কথা দেখুৱাইছে । এটা ভাল কথা কৈছে যে জিলা সমিতি কিছুমানে নিৰ্দ্দেশ দিছে । লক্ষীমপুৰৰ পৰা ওলাইছে । আৰু বহু কেইখনৰ পৰা অহা জানো । বৰপেটাই দিছে । বৰপেটা জিলা সমিতে, গুৱাহাটী চিটি, কামৰূপ জিলা সমিতি, গোলাঘাট, যোৰহাট

এই জিলা সমিতি বিলাকে মিটিং কৰি প্ৰস্তাৱ লৈছে কল অফ কৰিব বুলি নেতৃবৃন্দই এইটো কৰাৰ পিচত তেওঁলোকৰ মাজত এটা আলোচনা নোহোৱাকৈ ২৫ মাৰ্চত চেয়াৰম্যানে বিবৃতিত কেনেকৈ তেওঁলোকৰ পৰিস্থিতি ১২ জানুৱাৰীলৈ পিছুৱাই দিছে । তেওঁৰ বিবৃতিৰ ওপৰত ৰেচপণ্ড কৰা নাই । গুৱাহাটী জিলা, গুৱাহাটী চিটি, বৰপেটা, শোণিতপুৰ, যোৰহাট, গোলাঘাট আৰু লক্ষীমপুৰ এই ৭ খন জিলাসমিতিয়ে প্ৰস্তাৱ লৈছে যে আৰু শান্তিৰ বাতাবৰণৰ কাৰণে আলোচনা কৰিব আৰু-আমাৰ লগতো আলোচনা কৰিব, আলোচনাত বহিব । এতিয়া ক'ত কেনেকৈ হয় সেইটো নিশ্চয় আলোচনা কৰিম । আমি সেইটো বিচৰা নাই যে সিচঁৰিত হৈ থাকক কিয়নো সিচঁৰিত হৈ থাকিলে স্থায়ী সমাধান নহয় । ভাঙোন হলে সমাধান স্থায়ী নহয় । মই বিচৰা নাই আৰু আমিও সেইটো বিচৰা নাই। মই বহুবাৰ কৈছো যে আনি সকলোৰে লগ লাগি এই কাম কৰিব লাগিব । কেন্দ্ৰীয় সমিতিয়ে এটা কথা আৰু জিলা সমিতিয়ে এটা কথা কলে সমস্যাৰ সমাধান নহব। এইটো এটা দেখা গৈছে যে জিলা সমিতি সমূহৰ পৰা চেয়াৰম্যানৰ কথা মানি লব খোজা নাই । সেইটো পাইছো । আপোনালোকেও পাইছে । মই শৰ্ম্মা ডাঙৰীয়াক কব বিচাৰিছো যে আমাৰ ইচ্ছা নাই যে আলফাৰ লগত আলোচনা কৰিবলৈ যাওঁতে তেওঁলোকৰ ভাগ হওক বা আলোচনা বন্ধ থাকক । হয় দুই চাৰিটা মৰিছে । মৰিবও সেইটো ঠিক । কিন্তু আমি তদন্ত কৰিলৈ চাম । তদন্ত কৰিবলৈ দিছো । আমি কিন্তু আলোচনা কৰিবলৈ বিচাৰিছো আৰু স্থায়ী শান্তি বিচাৰিছো । বিষয়টো জিলা সমিতিয়ে এনেকৈ কোৱাৰ পিচত আকৌ কেন্দ্ৰীয় সমিতিৰ পৰা ১২ জানুৱাৰীলৈ উভটি যাব সেইটো কেনে কথা ।

Spech not Corrected

শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ অধ্যক্ষ মহোদয়, আমি বিভিন্ন কাগজে পত্ৰে দেখিছো যে চেয়াৰম্যান বাংলাদেশলৈ গৈছে । আৰু শুনিছো পৰেশ বৰুৱা বাংলাদেশত নজৰবন্দী নে কি হৈ আছে, নে অসমত আছে ? তেওঁৰ স্থিতি কি জানিব বিচাৰিছো ।

শ্ৰী হিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, সকলো কথা কোৱা সম্ভৱ নহয়। এইটো অৱাশ্য খবৰ পাইছো যে তেওঁলোকে বিলাসিতাপূৰ্ণ জীৱন যাপন কৰিছে। তেওঁলোকৰ লগৰ লৰাই কৈছে। ক'ৰ পৰা কেনেকৈ আহিছে কব নোৱাৰো কিন্তু চেয়াৰম্যান গৈছে নে নাই কব নোৱাৰো। অধ্যক্ষ মহোদয়, মই সদনত কৈছো আৰু আজিও কৈছো শৰ্ম্মা ডাঙৰীয়াই যিটো কৈছিল আমি ইচ্ছা কৰি সন্ত্ৰাসবাদ কৰিবলৈ বিচৰা নাই। আপোনালোক সকলোৱে জানে যে তেওঁলোকৰ প্ৰচাৰ সচিবে এটা কথা স্বীকাৰ কৰিছে। তেওঁ নিজে লিখিছে 'পাহৰি গলে ভুল হব যে এই ৰাষ্ট্ৰীয় সন্ত্ৰাস আমিয়েই মাতি আনিছো। মই এইটোৰ ওপৰত আগ্ৰিমেণ্ট কৰিবলৈ নাযাওঁ। মই ইচ্ছা কৰা নাই আৰ্মি মাতি অনাৰ কাৰণে। কিন্তু সিদ্ধাৰ্থ ফুকনে এইটো বিবৃতি দিছে। মই আশা কৰো আলফা সম্পৰ্কে জয়নাথ শৰ্ম্মা যিমান কনচাৰ্ন আমি ও সিমানে আছো। হিংসা আমি বিচৰা নাই। ২৫ মাৰ্চত ৰাজখোৱা ডাঙৰীয়াই যিটো বিবৃতি দিছে তাত তেখেতৰ স্থিতি সলনি হৈছে। আৰু সেই স্থিতি বিৰোধিতা কৰিবলৈ বহুত আহিছে। সেইটো কথা মই আৰু দোহাৰিব নিবিচাৰো। আজিও মধ্যস্থতাকাৰীৰ মাধ্যমত দল আহি আছে কিন্তু পাঞ্জাৱৰ কথা আমি মনত ৰাখিব লাগিব। তাত গোটেইখিনি টেৰৰিষ্ট একেলগে হৈ কোৱা হেতেন সমস্যাৰ সমাধান হ'ল হেতেন। মই বিচৰা নাই যে আলফা ভাগ ভাগ হওক। এইটোৱে স্থায়ী সমস্যাৰ সমাধান নহব। মই কৈছো ৬-৭ খন জিলাৰ লগত আলোচনা কৰিব নোৱাৰো। কৰিবলৈ হলে গোটেইখিনিৰ লগত কৰিব লাগিব। সেই

কাৰণে এই ক্ষেত্ৰত মই আপোনালোকৰ সহযোগিতা বিচাৰিছো সমস্যাৰ সমাধান স্থায়ী কৰিবলৈ।

শ্ৰী গহীন দাস : অধ্যক্ষ মহোদয়, আমি এতিয়া শুনিছো যে এক এপ্ৰিলৰ পৰা সৈন্যবাহিনী এৰি দিব। এইটো কথা সঁচানেকি ?

শ্ৰী জয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, একেলগে মইও এটা কথা জানিব বিচাৰিছো যদি সৈন্য বাহিনী অভিযান বন্ধ আছিল তেনে ক্ষেত্ৰত ২৮ তাৰিখে পেট্ৰলিং কৰিবলৈ ইমান ভিতৰুৱাল ঠাইলৈ কিয় গ'ল আৰু গুলিয়া-গুলিৰ ঘটনা ঘটিল ?

শ্ৰী হিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : এইটো কথা চাব লাগিব বুলি কৈছোৱেই। আমাৰ সিদ্ধান্ত স্পষ্ট ভাৱে কোৱা হৈছে। শেষৰবাৰৰ কাৰণে সময় বঢ়াই দিয়া হৈছে। ১ এপ্ৰিলৰ পিচত কব পাৰিম পৰিস্থিতি কলৈ যায়। আজি কালিৰ ভিতৰতে কি পোৱা যায় আলফাৰ পৰা তাৰ ওপৰত নিৰ্ভৰ কৰিব।

Mr. Speaker : Now, I put the motion before the House. The motion is that— 'The Assam Appropriation (No. II) Bill, 1992 be taken into consideration. The motion is passed by voice vote."

Now, Item No. 3(c).

Now I put clauses 2,3 and Schedule to the Bill before the House.

Clauses 2,3 and Schedule to the Bill do stand part of the Bill.

Clauses 2,3 and Schedule do from part of the Bill

Now I put Clause 1, Enacting Formula and Short Title of the Bill before the House.

Clauses 1, Enacting Formula and Short Title do stand part of the Bill.

Clause 1, Enacting Formula and Short Title do from part of the bill.

Now, item No. 3 (d). Hon'ble Chief Minister to move.

Shri Hiteswar Saikia (Chief Minister) ; Sir, I beg to move that the Assam Appropriation (No. II) Bill, 1992 be passed.

Mr. Speaker : Now, I put the motion before the House The Motion is that The Assam Appropriation (No. II) Bill, 1992 be passed.

The Motion is passed by voice vote.

The Bill is passed.

A light refreshment has been arranged in Room No. 1 of the Assembly Building. All the Hon'ble Members, officers in the officers' Gallery, Gentlemen of the Press in the Press Gallery, official reporters are requested to proceed to Room No. 1 and joint in the refreshment at 5.30 PM today.

The House stands adjourned till 9-00 AM of 31st March, 1992 Tuesday.

## ADJOURNMENT

The House then stood adjourned at 5-14 P.M. tlll 9-00 A.M. tomorrow the 31st March, 1992.

DISPUR :
The 30th March, 1992.

S. N. Deka.
Secretary,
Assam Legislative Assembly